
বহতীয়া হ'ব নোৱাৰে-তেনেহলে সাহিত্যৰ, আৰ্টৰ মহান ধৰ্ম্মীতা আৰু সাৰ্ব্বজনীনতা ধ্বংসপ্ৰাপ্ত হ'ব। সাহিত্যক ব্যৱসায়িক স্থিতিতো এৰি দিব নোৱাৰি। ব্যৱসায়িক দিশত বুদ্ধিৱাদৰ প্ৰাবল্য বেচি। গতিকে সাহিত্য অধিক বুদ্ধি-বাদী হে'ৰাৰ পৰা ৰক্ষা কৰিবলৈ হলে সকলোৰে নিৰপেক্ষ ভাৱে—আৰ্টৰ প্ৰকৃত ভিত্তিত, ইয়াক যুগ সম্মত ভাৱে সজাই পৰাই তুলি ব লাগিব। মুঠতে সাহিত্যক বুদ্ধিমত্তাৰ চৰম গ্ৰাসৰ পৰা বচাবলৈ সু-নিয়ন্ত্ৰণৰ আৱশ্যক আৰু চিন্তাশীল সাহিত্যিক সকল ইয়াৰ বাবে মুঠ বান্ধি ওলাই অহা দৰ্কাৰ। ব্যক্তিগত ভাৱচিন্তা আৰু চৰ্চ্চাৰ ওপৰত সাহিত্য ৰচনা কৰি বহি থাকিলে ভাৱে সাহিত্যক বিক্ষিপ্ত হবলৈ দিয়া হ'ব। বিক্ষিপ্ত ৰচনাৱলীয়ে সাহিত্যৰ সামূহিক উন্নতি আনিব নোৱাৰে—ইয়াৰ বাবে সমষ্টিগত ভাৱে চেষ্টা আৰু ঐকান্তিকতাৰ আৱশ্যক।

—( ছাঁলৈ )—



মোৰ মানত সত্যই মূলতত্ত্ব, বাকী তত্ব বিলাক ইয়াৰে ভিতৰুৱা মাথোন।

—মহাত্মা গান্ধী—

# মানুহে মানুহৰ বাবে

অধ্যাপক— ভুবন চুতীয়া

আমাৰ পাঠ্যক্ৰমৰ প্ৰথম খণ্ডৰ পৰীক্ষা শেষ কৰিলো ফেব্ৰুৱাৰী মাহৰ ১৫ তাৰিখে। ১৬ ফেব্ৰুৱাৰী দেওবাৰে আবেলি ৩ বজাত ৰাওনা হব লাগিব ১০ দিনিয়া অধ্যয়নমুলক ভ্ৰমণৰ কাৰণে ( Studytour ) প্ৰথমে ৰেলেৰে কাটভিছে ( Katowice ) তাৰ পিছত বাচেৰে ক্ৰাকত ( Krakow ) আৰু তাৰ পিছত মধ্য ইউৰোপৰ শীতকালীন খেলপথাৰ জাক-পানে ( Zakopane ) লৈ। পৰীক্ষাৰ ভাগৰ মাৰি পুৱা ৯ বজালৈকে শুলো, শুই উঠি দেখো—মাট্‌কা (Mother) ই, ( মোৰ ঘৰৰ গৃহস্থিনী ) মোৰ কাপোৰকানি ইস্ত্রি কৰাত ব্যস্ত আৰু মৰমৰ জফিয়া ( ঘৰৰ একমাত্ৰ ছোৱালী ) ই মোৰ পুৱাৰ আহাৰ তৈয়াৰ কৰাত ব্যস্ত মুখ হাত ধুই চাহ জলপান খালো। খোৱাৰ টেবুলত মিঃ ব্ৰাল ( ঘৰৰ গৃহস্থই ) বাৰে বাৰে অনুৰোধ কৰিলে — কাট ভিচে আৰু ক্ৰাকভৰ মাজত অৱস্থিত অচভিনচে কন্‌চেনট্ৰেচন কেম্প ভ্ৰমণ জৰুৰ চাবলৈ। সেই কেম্পত তেওঁ খত নিজেই আছিল — এদিন নহয়, দুদিন নহয়, আঠৈ বছৰকৈ। আজি অন্য বৰ্ণনা এৰি এই বিশ্ব বিখ্যাত কেম্পৰ কথাই বৰ্ণনা কৰিম।

প্ৰথমে বুৰঞ্জীৰ আশ্ৰয় লওঁ। ২য় মহাযুদ্ধ ১৯৪০ ৰ পৰা ১৯৪৫ চলালৈকে। পোলেণ্ডৰ বৰ্ত্তমান ক্ৰাকভ আৰু কাটভিচে জিলাৰ ( vievodship ) অঞ্চল, আপাৰ চাইলেচিয়া ( upper silesia ) অঞ্চল জাৰ্ম্মাণৰ অধীনত। ইয়াতেই আছিল জাৰ্মানীৰ বিখ্যাত কাৰখানা সমূহ আৰু সেই কাৰখানা সমূহৰ চাৰিওকাষে সজা হৈছিল কন্‌চেন্‌ট্ৰেচন স্নাগাৰ সমূহ যি বোৰ আছিল এইাতে কাৰখানাৰ কৰ্ম্মী

যোগানৰ স্থল আনহাতে হিটলাৰ, হিমলাৰ আদি নাজি নেতা সকলৰ ইহুদী নিধনৰ বিখ্যাত গেচ্ চেম্বাৰ সমূহ যত ৪ নিজুত ইহুদী আৰু ২ নিষুত অনা ইহুদী ডেকা-গাভৰু, লৰা ছোৱালী আৰু বুঢ়া বুঢ়ীয়ে তিল্ তিল্কৈ জীৱন আহুতি দিব লগা হৈছিল। সিয়েই এই অচভিয়েনচে কনচেন্‌ট্রেচন কেম্প যাক আজি সভ্য মানুহৰ পশুত্বৰ চানেকি ৰূপে মিউজিয়ম ৰূপে ৰক্ষা কৰিছে পলিচ চৰকাৰে।

কাটভিচেৰ ভ্ৰমণ শেষ কৰি ১৯ ফেব্ৰুৱাৰী তাৰিখে পূৱাই ৰাওনা হলো বাচেৰে ক্ৰাকৰ্ভ বুলি। মাজত এটা কেমিকেল ফেক্টৰী চালো আৰু তাতেই হোটেলত দুপৰীয়াৰ আহাৰ খালো। তাৰ পৰা ৰাওনা হৈ দিনৰ প্ৰায় ২½ বজাত অচিনচেঁ পালোগৈ। দূৰৰ পৰাই দেখিলো ওখ দেৱাল তাৰ ওপৰত কাইটিয়া তাঁৰেৰে ঘেৰা বৃহত অঞ্চলত বহুত পকা ঘৰ আৰু ওখ চিমনি। দেখাত কিবা কাৰখানা যেন অনুমান হয়। দেৱালৰ মাজে মাজে ওখ ওখ টাৱাৰ। চিমনি বিলাক নিমাত নিতাল, ধুঁৱা নাই। অনুমান কৰিব পাৰিলো — ঠিক সেয়েই কনচেন-ট্ৰেচন্ কেম্প! আমাৰ বাচ চৌহদৰ মাজলৈ সোমাই গল আৰু অন্যান্য বাচ আৰু মটৰ ৰোৱা ঠাইত ৰলগৈ। আমি নামি পৰিলো। অভ্যৰ্থনাৰ কাৰনে মানুহ ৰৈ আছিল. আমাক আদৰি নিলে ঘৰৰ ভিতৰলৈ। ঘৰৰ ভিতৰত অভাৰকোট্ টুপী আদি থৈ এটা হল ঘৰত আমাক বহিবলৈ দিলে। অলপ পিছতে হ'ল ঘৰ এন্ধাৰ হৈ পৰিল, ডকুমেণ্টৰী ছবি আৰম্ভ হ'ল। সেই ছবি আমি চাব লগা কেম্পেৰে ছবি ১৯৪৫ চনত যেতিয়া ৰাচিয়ান সৈন্যই সেই ঠাই অধিকাৰ কৰি কেম্পবাসীক মুক্তি দিছিল, তেতিয়া লোৱা ছবি। ছবিত হাড় আৰু ছালৰ আধা নাঙঠ কিছুমান চলন্ত মানুহৰ জকা আৰু সমূহীয়া গাঁতত আধাপোতা অসংখ্য মৃত দেহ আৰু বহুত কিছু দেখিলো। গধুৰ মন লৈ ছবি ঘৰ এৰিলো। তাৰ পিছত আৰম্ভ হ'ল মিউজিয়মচোৱা।

প্ৰবেশ পথ, — শূন্য চন্তৰীৰ চাঙঘৰ বোৰত মেচিন গান নাই, চন্তৰীৰ বিকত চিয়ঁৰ আজি নাই, নাই আজি মিলিটাৰীৰ বোটৰ গেৰেপ্ গেৰেপ্ আৱাজ। প্ৰবেশ পথত লিখা আছে ARBET AACT FRE অৰ্থ 'মুক্তি মাত্ৰ কামৰ যোগেদি'। সঁচা কথা ইয়াত ৪ নিযুত মানুহে মুক্তি পাইছিল — চিৰ মুক্তি। কেই খোজ মানৰ দূৰে দূৰে লিখা আছে Halt-stoj, আৰু হাতৰ ক্ৰচ চিহ্ন — মানে বিপদ। ইয়েই সুৰৰাই দিয়ে যে, কেম্প ঘেৰা আৰু অন্যান্য অঞ্চল পৃথকি কৰণৰ কাৰণে ব্যৱহাৰ কৰা কাইটিয়া তাঁৰবোৰ ইলেকট্ৰিক কাৰেণ্ট যুক্ত—চুলেই নিৰ্মম মৃত্যু। সোমাই গৈয়েই পোৱা যায় এটা কাঠেৰে সজা বেৰেক্। তাৰ সন্মুখত এখন ফুলনি। লগতে কেইজেপা মান ওখ ওখ গছ। কেম্পলৈ অনা লোক সকলৰ কাৰণে এই ডোখৰেই ঠাই য'ত তেওঁলোকে নিজ নিজ সাজ-পোচাকেৰে শেষ বাৰলৈ থিয় হয় আৰু ডিউটিত থকা ৱাৰ্ডাৰে তেওঁৰ লিষ্টৰ লগত

প্রকৃত সংখ্যাৰ লগত তুলনা কৰে। তেতিয়া SS বাহিনীৰ মানুহে আগত সকলক তেওঁ-বিলাকৰ নামেৰেই মাতে। এই বাটেৰেই কুটি কুটি মানুহ কেম্পৰ ভিতৰলৈ প্ৰবেশ কৰিছিল।

SS বাহিনীৰ মানুহৰ ভুকু লাঠি খাই কেম্পৰ ভিতৰলৈ প্ৰৱেশ কৰে 'কয়দি' সকল—শঙ্কা, ভয়, উৎকণ্ঠা মিহলি অন্তৰেৰে ভিতৰত কি হৈছে তাৰ কথা ভাবি। সোমায়েই তেওঁ-লোকে দেখা পায় আঁচ দিয়া পোচাক পৰিহিত ১০।১২ জন মানুহ ইটাৰ পকি দেৱালৰ মুখ কৰি নিমাত নিতাল ভাবে থিয় হৈ থকা। তেওঁলোকৰ সোফালে দেখে বহু চিমনিযুক্ত এটা বেৰেক। নকৈ অহা এইসকলে পিছত তেওঁ-লোকৰ লগৰ পুৰণা 'কয়দিৰ পৰা জানিব পাৰে যে প্ৰথমে দেখা আঁচ দিয়া কাপোৰ পৰিহিত লোক কেইজন হৈছে জীয়াই থকাৰ ক্ষমতা হেৰুৱা কয়দি—গধুলীৰ গন্তিৰ পিছত গুলি বিদ্ধ হৈ মৰিবলৈ বাট চাই আছে। আৰু সোঁহাতৰ চিমনিযুক্ত বেৰেকটো কেম্পৰ ৰান্ধনি শাল।

কেম্পত আদৰণিঃ—নতুন 'কয়দী'ৰ কেম্পত প্ৰৱেশৰ পিছতেই প্ৰকাণ্ড লোহাৰ গেইট জাপ খোৱাৰ লগে লগে সকলোকে শাৰি পাতি থিয় হবলৈ কোৱা হয় আৰু ঘোষনা কৰা হয় যে তেওঁলোক ইয়াত কনচেনট্ৰেচন কেম্পলৈ আহিছে; সকলোৱে মনত ৰাখে যেন ইয়াৰ পৰা মুক্তি পাবৰ এটাই মাত্ৰ পথ আৰু সি হৈছে "শ দাহনৰ চিমনিটো" ইয়াৰ পিছত কয়দী সকলক আন এটা ব্লকলৈ লৈ যোৱা হয়। ব্লকৰ সন্মুখত সকলোকে সম্পূৰ্ণ উলঙ্গ হবলৈ কোৱা হয়, আৰু তাৰ পিছত মূৰবিলাক খুৰাই পেলোৱা হয়। মূৰ খুৰুৱাৰ পিচত জোৰেৰে গা ধোৱা ঘৰত পালে পালে সোমোৱা হয়। গাধোৱা ঘৰত অকথ্য গাঁলি গালাজ, চৰ, লথিৰ ওপৰিও জুই নুমুৱা বাহিনীৰ হ'চ পাইপেৰে জাৰ গৰম একো নাচাই কেতিয়াবা হিম চেচা আৰু কেতিয়াবা উতলা পানীৰে সকলোকে গা ধোৱোৱা হয়। তাৰ পিছত উলঙ্গ অৱস্থাৰেই সকলোৱে কয়দীখানালৈ লৰাই নিয়া হয়। তাত দিয়া হয় মলিয়ন আচ আচ কাপোৰৰ কয়দিৰ পোচাক। ইয়াৰ পিচত প্ৰত্যেকৰ বাওঁ হাতৰ আস্তিনত খোদিত কয়দি নম্বৰ খোদিত কৰি দিয়া হয় আৰু কয়দী সকলে নাম হেৰুৱাই নম্বৰ পায়। ইমানতে কেম্পত আদৰণি পৰ্ব্ব শেষ হয়।

ইয়াৰ পিছৰ পৰ্ব্ব আৰম্ভ হয় তেওঁলোকৰ ওপৰত অমানুষিক অত্যাচাৰ। সকলোকে ব্যায়াম শিকোৱা হয়, জাৰ্ম্মানী ভাষাৰ মাৰ্চিং গীত শিকোৱা হয়। ইয়াকে কৰোতে কেনে ব্যৱহাৰ কৰা হয় তাৰ বিৱৰণ—এজন কয়দীৰ ভাষাতেই কোৱা হওক—"সাধাৰণতে আমি কৰা সকলো কামেই ভুল আৰু তাৰ বাবে শাস্তি হল—জপিউৰা, বগুৰা বোৱা দৌৰ মৰা আৰু একে, ঠাইতে পাক ঘুৰণী খাই ঘুৰি থকা। এনে ধৰণৰ অত্যাচাৰৰ পিছত গীত গাই মাৰ্চ কৰোতে কয়দীয়ে নিজৰ ভাগৰ আহাৰ আনক দিলে

ভগা ইটা, চিচা, শিলৰ খুচত ভৰিৰ তলোৱা ঘা লাগে, তেজ বৈ যায়; কিন্তু ৰ'বৰ সময় নাই। তাৰ লগত আমাৰ ৰক্ষী সকলৰ চৰ, লাথি, গোৰ ঘোচা আছেই। ঘণ্টাৰ পিছত ঘণ্টা এনে দৰে আমি শাস্তি ভোগিব লাগে। তেতিয়াই নিসকতীয়া আৰু বুঢ়া কয়দীসকলৰ মৃত্যু হয়। শকতি থকা সকলৰো অৱস্থা কাহিল হয় যেহেতু—এৰেষ্ট হোৱাৰ পিছত খোৱা বোৱা প্ৰকৃততে একোৱেই নাই বুলি কব পাৰি।”

এই অত্যাচাৰ সময়ত মৃত্যুৰ হাৰ খুউব বেছি। যি সকল বাচি থাকে সেইসকলক পঠোৱা হয় কামৰ কাৰণে একোটা একোটা দল কৰি। তেতিয়াহে কয়দী সকলে কেম্পৰ আকাৰ আৰু ধৰণ নিজ চকুৰে দেখিবলৈ পায়।

এইবোৰ লিখিত বিৱৰণ পঢ়িবলৈ পা ছিলো। তেতিয়াৰ কন্‌চেন্‌ট্ৰেচন স্লাগাৰ আৰু এতিয়াৰ মিউজিয়মত নিজ চকুৰে কি দেখিলো তাৰ কেইটিমানৰ মাত্ৰ বিৱৰণ দিবলৈ চেষ্টা কৰা হওক।

১। ৩ নম্বৰ ব্লক :—ইয়াত ৰখা হৈছে চুলি—দীঘল, চুটি, সোনালী, ক'লা, মুগা নানা বৰণৰ। কিছুমান বেনী গুঠা অৱস্থাতেই আছে। ব্লকটোৰ দীঘ পুতল্ প্ৰায় ৬০ ফুঠ আৰু ২০ ফুট হব। সেই কোঠাটোত মজিয়াৰ পৰা প্ৰায় ৪ ফুটমান ওখ হৈ আছে চুলিৰ দ'ম। লগতে আছে মানুহৰ চুলিৰে তৈয়াৰ কৰা ধুনীয়া কাৰ্পেটৰ দুটা ৰিল। ইয়েই সাক্ষী দি আছে মানুহৰ মূৰবোৰ খুৰাই চুলিবোৰ কি কৰিছিল।

২। ৪ নম্বৰ ব্লক—ইয়াত আছে অসংখ্য ফটা জোতা। সেই জোতাবোৰৰ হিচাবৰ পৰাই তাত মৃত্যু হোৱা কয়দীৰ সংখ্যা নিৰ্ণয় কৰা হৈছে ৬ নিযুত বুলি। কিমান জোতা হব পাৰে অনুমান কৰিব পাৰিব নিশ্চয়।

৩। ৫ নম্বৰ ব্লক :—ইয়াত আছে বিকলাঙ্গ লোকসকলে ব্যৱহাৰ কৰা না-না সা-সজুলি যিয়েই প্ৰমাণ কৰে কেম্পলৈ অনা সকল কেৱল সুস্থ মানুহেই নাছিল। যাকে য'তে পাইছিল জাকে জাকে ধৰি আনি ইয়াত নিধন কৰিছিল।

৫ নম্বৰ ব্লক—ইয়াত আছে কয়দীসকলক শুবলৈ দিয়া বিছনা আৰু কাপোৰ কানিৰ নমুনা। বিছনাবোৰ কিতাপথোৱা ৰেকৰ দৰে তিনি খলপিয়া। বহল ৩ ফুট, প্ৰত্যেক খলপতে দুজনকৈ মানুহ শুব লাগে। ই খলপৰ পৰা সিখলপৰ মাজৰ মানুহ এজন পোন হৈ বহিব নোৱাৰি। তলত ধান খেৰৰ আৰু গাত লবৰ কাৰণে এখন ফটা কপাহী কম্বল। লগতে আছে খাবলৈ দিয়া আহাৰৰ নমুনা। এটা ডাঙৰ চাইজৰ আলু, দুই স্লাইচ ৰুটি আৰু এবাটি জোল। এয়েই কয়দীহঁতৰ আহাৰ।

৬ নম্বৰ ব্লক—এইটো হৈছে জেলৰ ভিতৰৰ জেলখানা। কেম্পত দোষ কৰিলে দোষিক শাস্তি দিয়া হয়। তাৰে কেইটামান চেল্ আছে ৩ ফুট বহল ৬ ফুট দীঘল আৰু ৬ ফুট ওখ। তলত হাহঁৰ গবালৰ দৰে মানুহ এটা বগুৱা বাই সোমাব পৰা এখন দুৱাৰ। ওপৰত ১ ইঞ্চি এটা ফুটা। কোনো

বা খেৰা বস্তু চুৰ কৰিলে দিনত কাম কৰাৰ পিছত ৰাতি এই চেলত সোমোৱাই ৰখা হয়। দোষ অনুসৰি এসপ্তাহ, দু সপ্তাহ এই শাস্তি ভোগিব লাগে। আন এটা চেল আছে যাৰ নামেই হৈছে Death Cell—১০ ফুট দীঘল, ৬ ফুট বহল। ইয়াত ১০।১২ জন গুৰুতৰ দোষত দোষী কয়দীক সোমোৱাই দিয়া হয়। কোঠাটোলৈ পোহৰ বতাহ সোমাব নোৱাৰে। দোষী সকলক তাত সোমোৱাই দিয়াৰ তিনি দিনৰ পিছত যেতিয়া তাৰ দুৱাৰ খোলা হয়, এজনো জীৱিত নাথাকে। ভোক পিয়াহত ইজনে সিজনক কামুৰি তেজ মাংস খাই সকলো মৰি থাকে।

৭ নম্বৰ ব্লক :—ইয়াত দেখিলো ৰাইফল ৰেঞ্জৰ দৰে এখন দেৱাল। তলত কোনোৱাই পুৰা দি থোৱা এথোপা ফুল। বুজিবলৈ বাকী নাথাকিল ইয়াত মানুহ গুলি কৰা হৈছিল। গুলি কৰি মৰাৰো পদ্ধতি আছিল হেনো। খুতৰিত বৰশি লগাই মানুহ জনক লক্ষ্য কৰি গুলি কৰি নিচান ঠিক কৰা হয়। ফুল থোপা কোনে দিয়া বুলি সুধি গম পালো—সেইয়া ইয়াত গুলিয়াই মৰা কোনোবা এজনৰ জন্ম দিনত তেওঁৰ আত্মীয়ই দি গৈছে।

সদৌ শেষত আমাকলৈ গল-গেচ চেম্বাৰ আৰু মৰাশ জ্বলোৱা চিমনিলৈ। গেচ চেম্বাৰ বোৰ দহফুট বহল ২০ফুট মান দীঘল বাথৰুমৰ জিঞ্জিৰিৰ দৰে তিনিটা জিন্‌জিৰি। সেই ঘৰত শ দেৰশ মানুহ সোমোৱাই দি দুৱাৰ বন্ধ কৰি জিন্‌জিৰিয়েদি গেচ এৰি দিয়ে আৰু ৩।৪ ঘণ্টাৰ পিছত দুৱাৰ খুলি দিয়াৰ পিছত তাত আৰু এটি প্ৰাণীও বাচি নেথাকে। মৰাশ বিলাক উলিয়াই অনা হয় আৰু কাৰোবাৰ মুখত সোনৰ দাঁত আছে নেকি চাই সেইবোৰ উলিয়াই লৈ চিমনিলৈ থোৱা হয় জলাবলৈ। চিমনিটো আমাৰ পাওৰুটি বনোৱা চিমনিৰ দৰে। তাত দিনে ৰাতিয়ে মৰাশ জ্বলোৱা হয়। ওচৰা ওচৰিকৈ ৩টা চিমনি আছে। একোটা চিমনিত একে বাৰতে প্ৰায় ২৫ টা মান শ জ্বলাব পৰা হয় এঘণ্টাৰ ভিতৰত। সেই তিনিটা চিমনিত দিনে ৰাতিয়ে ৪ বছৰত কিমান শ জ্বলাই-ছিল তাৰ হিচাব উলিয়াবলৈ একেবাৰে সহজ। সেই চিমনিৰ ওচৰতে এটা ফাঁচি কাঠ আৰু এখন ফলক দেখিলো। সেই ফাঁচি-কাঠত ফাঁচি দিয়া হৈছিল সেই কেম্পৰ কমাণ্ডেণ্ট হচক-সেই সিদিনা ১৯৫৪ চনত।

মোটা মুটিকৈ অচিন্-চে কেম্পত ইয়াকে দেখিলো। তাৰ পিছত লিখিত বিবৰণ পঢ়ি আৰু গাইদৰ মুখে শুনি যি জানিলো তাৰ দুটা মান কথাৰে সামৰিব খুজিছোঁ।

প্ৰাপ্ত বয়স্ক সকলক গেচ চেম্বাৰৰ কাৰণে বচা হয় কাম কৰাৰ অনুপযুক্ততা চাই লৰা-ছোৱালী বোৰক বচা হয় এক অভিনৱ পদ্ধতিৰে। দুটা খুটাত এডাল বাৰ বান্ধি দিয়া হয় আৰু সেই বাৰৰ তলেদি লৰা-ছোৱালী বোৰক সৰকি যাবলৈ কোৱা হয়। সেইদৰে সৰকি যাওঁতে যাৰ মূৰে বাৰডাল চুব পাৰে সি বাচি যায় আৰু

বাকীবোৰক ভেৰা পাল খেদা দি খেদি নি গেচ চেম্বাৰত সোমোৱাই দিয়া হয়।

কল্পনা কৰিব নোৱাৰা শাস্তি বিহি তিল্ তিল্কৈ মৰাৰ উপৰিও তাত চলোৱা হয় মানুহৰ ওপৰত না-না ৰকমৰ পৰীক্ষা যেনে— বগা চাল কাটি কলা চাল সিদি মানুহৰ গাৰ ৰং বদলাব পাৰি নেকি, লিঙ্গ পৰিবৰ্ত্তন কৰিব পাৰি নেকি আৰু বন্ধ্যা কৰণৰ নানা ৰকমৰ কৌশলৰ পৰীক্ষা ইত্যাদি।

সন্ধ্যা লাগিল। আমাক ঘুৰাই আনি একো কাপ গৰম কফি খাবলৈ দিলে। ৩৪ ঘণ্টা বৰফৰ মাজত থাকি জাৰত কফি কাপলৈ বৰ আগ্ৰহ হৈছিল যদিও গধুৰ মনটো অলপ পাতল কৰিবলৈ মই কফিৰ বদলি এক পেগ ভদকাকে বাচি ললো আৰু আমাৰ বাচত উঠিলোগৈ।

---

প্ৰত্যেক মানৱ হৃদয়তে সত্য বিৰাজ কৰিছে। মানুহে নিজ অন্তৰত তাৰ অন্বেষণ কৰিব যি কণ পায় সেই মতেই চলিব, কিন্তু নিজৰ ধাৰণাত পোৱা সত্য অনুসাৰে আনক বলেৰে চলাবৰ অধিকাৰ কাৰো নাই।

—মহাত্মাৰ বাণী।

# এটি সাক্ষাৎঃ গান্ধীজী পুত্ৰ ৰামদাসজীৰ লগত

—সোণধৰ বুঢ়াগোহাঁই
প্ৰাক্তন ছাত্ৰ।

খবৰটো পাই মই হতাশ হৈ পৰিছিলোঁ বাৰে বাৰে। মোৰ মনত সঘনে ভুমুকি মাৰিছিলহি সেই গহীন মুখখনে, যিখন মুখত বয়সৰ আঁচোৰ লাগি থাকিলেও আছিল এটি তেজোদ্দীপ্ত প্ৰভা। পাতল ক্ষীণ স্বাস্থ্যৰ। গাত নিজ হাতে কটা সুঁতাৰে বোৱা কপাহৰ 'হাফ' চোলা, আঁঠুৰ ওপৰত পাইজামা। গান্ধী-জীৰ শেষ জীৱিত পুত্ৰ এই ৰামদাসজীক মই লগ পাই আহিছিলোঁ—সৌ সিদিনা সেৱা-গ্ৰামৰ শান্তি কুটীৰত।

প্ৰায় দহমাহৰ পাচত ১৫ এপ্ৰিলৰ দিনা বাতৰিত দেখিলোঁ৷ ৰামদাসজীয়ে চিৰ বিদায় মাগিলে বোম্বাইৰ এখন হাস্পতালত। সেই-দিনা সততে তেখেতৰ সেই চৌ-চৌকে বগা চুলিকোচাৰে-ক্ষীণ অথচ উজ্বল মুখখন মোৰ চকুৰ আগত ভাঁহি উঠিছিলহি। এতিয়াও মই এবাৰ

সেৰাগ্ৰামৰ কথা ভাবিলেই, সেই গহীন মুখখনে মোক আমনি কৰে। কিমান যে গহীন শান্ত সেই মূৰ্ত্তিটি, কেইটামান শব্দই মোৰ কানত টোকৰ মাৰেহি—"গোহাঁইজী আপ্‌লোগোকো ভেট্ কৰ, মে বহুত খুচ হুঁ। অচমীয়া লোগোকা সৰলতা অউৰ দয়া মে কেইছে ভুল চক্‌টা"।

সেৰাগ্ৰামখন চাগে এতিয়া মানে শান্ত হৈ পৰিছে নেকি? মনতে প্ৰশ্ন হয়। ভাঙনমুখী সেৰাগ্ৰামখনৰ একতাৰ এনাজৰিডাল এতিয়ামানে ৰৰ ধিলা হৈ পৰিছেনেকি? এতিয়া বাৰু উষা-কীৰ্ত্তনত কোনে আগ ভাগ লৈছে? মহাত্মাজীয়ে আউজি প্ৰাৰ্থনা কৰা খুটি চাৰিটাৰ ওচৰত বিয়লি কোনে প্ৰাৰ্থনা কৰিছে?—"প্ৰভু মোঝকো লোভসে বছাল,' দীণ-দৰিদ্ৰ ভাৰত বাসীকো দয়াকৰ'।"

মাইজীয়ে চাগে সিদিনা খুব কান্দিছিল। শান্তিকুটীৰত একেলগে থকা মানুহ গৰাকীয়ে চাগে এতিয়াও কান্দি থাকে। কম মৰম কৰিছিলনে বাৰু এইটো পৰিয়ালক! চুনো আৰু ৰামু। সিহঁতে চাগে এতিয়া শান্তি কুটীৰৰ চোতালত থকা বকুলজোপাৰ তলত আৰু নেখেলে। বাবুজীও নাই। এতিয়া সিহঁতক কোনে মিঠাই ৰুটি দিব, আবেলি খাবৰ পৰত? কোনে এতিয়া ভগবানৰ মহত্ব বৰ্ণনা কৰি যঁতৰৰ-চকাত ভগবানক বিচাৰিবলৈ শিকাব! ৰামদাসজী নোহোৱাত সেৰাগ্ৰামখনৰ বহুত ক্ষতি হ'ল। কিন্তু আটাইতকৈ ক্ষতি হ'ল তাত থকা অসমীয়া লৰা-ছোৱালী কেইটাৰ। সিহঁতক এতিয়া আৰু "অচমীয়া লোগ্ বহুত চৰল হ্যায়" বুলি মৰম কৰিবলৈ কোনো নাই। কস্তুৰীবা হস্পিতেলত নাৰ্ছিং-পঢ়ি থকা অসমীয়া গাভৰু কেইজনীক আজৰি দিন দেওবাৰে মাতিনি নানা ৰগৰ কৰি গধূলী প্ৰাৰ্থনা নকৰালৈকে কোনেও ৰাখি নথয়হি। এতিয়া কোনোৱা অসমীয়া মানুহ যদি সেৰাগ্ৰামলৈ ফুৰিবলৈ যায় আন বহুতে হয়তো আপোনালোকক ক'ব – "বহুত দুৰসে আয়েহেঁ-আপলোগ্‌কো মিলকৰ বহুত খুচ্ হুঁ।" কিন্তু ইয়াত কিমান খিনিয়ে বা আন্তৰিকতা মিশ্ৰিত হৈ থাকিব সন্দেহৰ বিষয়।

মই এবাৰ নাগপুৰত থকা National Civil Defence College লৈ অসমক প্ৰতিনিধিত্ব কৰিবলৈ সুবিধা পাইছিলো আৰু তেতিয়াই নাগপুৰ চহৰৰ আশে-পাশে থকা ঠাইবোৰ চাবলৈ সময় পালেই গৈছিলোঁ। অজন্তা ইলোৰালৈ গৈছোঁ—য'ত ঐতিহাসিক সংস্কৃতিৰ জয়-ধ্বজা উৰিছে, ৰামটেকলৈ গৈছোঁ য'ত শ্ৰীৰাম চন্দ্ৰৰ এটা মন্দিৰ আছে এটা পাহাৰৰ ওপৰত। আনকি আম্বলালৈও গৈছোঁ। এই দুটা সৰু হ্ৰদ। এই হ্ৰদ দুটাই মহাৰাষ্ট্ৰীয় মানুহৰ তৃষ্ণাতুৰ প্ৰাণৰ যেন পিয়াহ পলুৱাইছে। ৱাৰ্দ্ধালৈ গৈছিলো য'ত আধুনিক হিন্দী সাহিত্যৰ বিশ্ববিদ্যালয় আছে। সেইদৰে গৈছিলোঁ সেৰাগ্ৰামলৈও। সেৰাগ্ৰামত বিৰাজ কৰিছে স্বৰ্গীয় সুখ আৰু শান্তিয়ে, য'ত মানুহৰ কলা আৰু

বগা বুলি প্ৰভেদ নাই, যত মানুহ নিঃকুলীয়া বুলি পুতৌ নকৰে। যিখন আশ্ৰম মহাত্মা গান্ধীয়ে নিজ হাতে গঢ়া, ঘৰ, গছ-গছনি কস্তুৰীবাঈৰ হাতৰ পৰশ পাই ডাঙৰ দীঘল হৈছিল। এই খনেই সেৱাগ্ৰাম য'ত মহাত্মাজীয়ে ৪০ কোটি ভাৰতবাসীৰ বন্ধন মোচনৰ আহ্বান শুনি দৃঢ় প্ৰতিজ্ঞ হৈছিল সত্যাগ্ৰহ কৰিবলৈ, ভাৰত মাতৃকাৰ মুক্তি বিচাৰি।

সেইদিনা আছিল ২১ জুলাই। দেওবাৰ আমি ৰাতিপুৱা বাটেৰে ৱাৰ্দ্ধা পালোগৈ। তাৰ পাচত টাঙ্গাৰে সেৱাগ্ৰাম। নাগপুৰৰ পৰা সেৱাগ্ৰামলৈ ৫০ মাইল মান হ'ব। এই ফালৰ আলি পদূলিবোৰ বেচি মাইল বহল আৰু চাফ্ চিকুণ। ইয়াৰ অৱশ্যে কাৰণ আছে। মহাৰাষ্ট্ৰ বালিময় ঠাই। এনেবোৰ ঠাইত বোকা পানীৰ প্ৰশ্ন কমেই উঠে। আলিৰ দুয়োপাৰে জুপুহা জুপুহা নিম গছ। মহাৰাষ্ট্ৰৰ এইটো এটা স্বকীয় বৈশিষ্ট্য। ইয়াত অন্য ডাঙৰ ধৰণৰ গছ-গছনি কম। ডাঠ কিচ্ কিচ্ কৰে ক'লা মিহি মহানিমৰ গছবোৰে মহাৰাষ্ট্ৰ খনক এটা নতুন ৰূপ দিছে। নঙঠা শিলৰ পাহাৰ বোৰৰ ৰুক্ষতা এই নিম গছবোৰে বহু খিনি কমাইছে।

সেৱাগ্ৰামত ভৰি দিয়াৰ লগে লগে মোৰ সেৱাগ্ৰামৰ প্ৰতি থকা পুৰণি ধাৰণাবোৰে ৰূপ সলালে। প্ৰায় দুমাইল জোৰা আশ্ৰমখনত বহুত নতুন ধৰণৰ আধুনিক ঘৰ দুৱাৰে ঠাই লৈছেহি। আমি গৈয়ে অসমীয়া ছাত্ৰ বাসটো বিচাৰিলো। দুটা খেলি থকা লৰাই আমাক আগবঢ়াই নিলে ছাত্ৰ বাসটোৰ ফালে। লৰা-দুটাৰ গাত সেৱা গ্ৰামৰ চাব। ইহঁত ৰামু আৰু চুন্নু। গাত দুটা ফটা খদৰৰ চোলা। সোধাত ক'লে— সিহঁত ইয়াতে বাসকৰা দুটা পৰিয়ালৰ লৰা। ইয়াত বাস কৰা সকলো মানুহেই নিজহাতে সূতা কাটি কাপোৰ বৈ পিন্ধে। খানকি হাফ্‌পেণ্টবোৰো নিজেই বোৱা। মই যোৱা সময়ত সেৱাগ্ৰামত ৮জন অসমীয়া লৰা আছিল। ৫জন ছাত্ৰ আৰু ৩ গৰাকী ছাত্ৰী। ছাত্ৰী কেইগৰাকীয়ে 'নাৰচিং' পঢ়ি আছে কস্তুৰীবাৰ হচ্‌পিতেলত। ছাত্ৰ কেই জনে কাৰিকৰী শিক্ষা লৈ আছিল, তাতে থকা কাৰিকৰি বিদ্যালয়ত। তেওঁলোকে আমাক পাই বৰ আনন্দ পালে। সেইদিনা দেওবাৰ কাৰণে ৱাৰ্দ্ধাৰ সিদ্ধি বিশ্ববিদ্যালয়ত পঢ়ি থকা আন দুজন অসমীয়া ছাত্ৰও সেৱা গ্ৰামলৈ আহিছিল। আমি বিক্ষ ম্বৰিৰ পৰাকৈ এজুম অসমীয়া গোট খাইছিলো। আমাৰ ৰং কোনে চায়? সেৱা গ্ৰামত আজিকালি ভালেমান আধুনিক কাৰিকৰী বিভাগ স্থাপন কৰিছে। ইয়াৰ খাদী উদ্যোগ ভাৰতৰ ভিতৰত বিখ্যাত। সেইদিনা অৱশ্যে সকলোবোৰ কলকাৰখানা বন্ধ আছিল দেওবাৰ কাৰণে। এনেয়ে এপাক মৰা বাহিৰে কৰ্মৰত অৱস্থাত আমি উদ্যোগ সমূহ নেদেখিলো।

ৰামদাসজীক লগকৰা কথা ওলালত তেওঁ লোকৰ এজনে কলে "বুঢ়া মানুহ এতিয়া খাই বৈ জিৰাইছে। অলপ পাচত গলেই ভাল

হয়। ছুপৰীয়া ফুৰি লোৱাই ভাল "ইমূৰৰ পৰা সিমূৰলৈ গোটেই সেৱাগ্ৰামখন ফুৰিলো। এজোম অসমীয়া লৰা হুঁহি ধেমালীৰে ইফালৰ পৰা সিফাললৈ গৈছে"। তেওঁলোকে আমাক 'গাইদৰ' কাম কৰিছে।

"........এই সৰু কুটিৰটিৰ পৰাই গান্ধীজীয়ে সত্যাগ্ৰহৰ প্ৰথম মন্ত্ৰ উচ্চাৰণ কৰিছিল। ......এইটো ঘৰেই সেৱাগ্ৰামৰ প্ৰথম ঘৰ যত গান্ধীজীয়ে আশ্ৰমৰ প্ৰথম খুটি পুতিছিলহি। ......এইটো ঘৰত এচিয়ান পিচ কন্‌ফাৰেঞ্চ বহিছিল।........এইটো ঘৰতে গান্ধীজীক তেতিয়া ভাৰতৰ বৃটিচ গৰ্ভণৰে লগ কৰিছিলহি। .. ....এইটো ঘৰত গান্ধীজী আছিল, যেতিয়া সেৱা গ্ৰামে নতুন ৰূপ ললে। ....এইটো কুটিৰতেই......লৰাজন অলপ বৈ গৈছিল। অঁ—এইটো কুটিৰৰ পৰাই গান্ধীজী এদিন কৰ্ত্তব্যৰ আহ্বানত সেৱাগ্ৰামৰ পৰা ওলাই গৈছিল। আৰু গান্ধীজী কোনো দিন ঘূৰি নাহিল সেৱাগ্ৰামলৈ, য'ত গান্ধীজীৰ প্ৰাণৰ এফাল এৰি গৈছিল।

প্ৰায়বোৰ মুখতেই হাঁহিবোৰ হেৰাই গল। পৰিবেশ বেচ গহীন হৈ পৰিল। মই চাৰিও ফালে চালো। ঘৰটোৰ বেৰত উলমি আছে এখন ছবি। এখন শিশু সুলভ হাঁহি থকা মুখৰ ছবি মহাত্মাজীৰ। এই হাঁহিটোৱে যেন আমাৰ এই গহীন পৰিবেশটো কিছু পাতল কৰিবলৈ যত্ন কৰিছে। এই কুটিৰটিত গান্ধী জীৰ ভালেমান বস্তুৱেই থাকি গ'ল। তেখেতৰ খৰম জোৰ, কাঠৰ দীঘল লাখুটি ডাল ব্যৱহাৰ কৰা কাগজকলম আৰু গান্ধীজীক সত্যৰ পথত আগবাঢ়িবলৈ অনুপ্ৰাণিত কৰা সেই বান্দৰ তিনিটা......বুঢ়া মৎকহ, বুঢ়া মৎ দেখ, বুঢ়া মত শুন।

এই পৱিত্ৰ ধামত ঠিয় হৈ সেইদিনা বহুত কিবাকিবি ভাৱি পেলাইছিলো। চকুৰ আগত ভাঁহি উঠিছিল বাপুজীয়ে কল্পনা কৰা ভাৰতখন আৰু বৰ্ত্তমান ভাৰতখনৰ পাৰ্থক্য কিমান? বাপুজীৰ ভাৰধাৰা আৰু তেওঁৰ অনুগামী বৰ্তমানৰ এই ভুৱা নেতাসকলৰ ভাবধাৰাৰ পাৰ্থক্য কিমান? ভাব হৈছিল এইখন সেৱা গ্ৰামেই আৰু বাপুজীৰ জন্ম দিব; বিপথগামী ভাৰতবৰ্ষক ৰক্ষা কৰিবলৈ আমাক অনুপ্ৰানিত কৰিব। সেয়েহে মই ৰামদাসজীক প্ৰথমে ভাৰতীয় জাতীয় কংগ্ৰেছৰ বিষয়ে দুই এটা প্ৰশ্ন কৰিছিলো।

আবেলি আমি ৰামদাসজীক লগ কৰিলো। সৰু ঘৰ চকী মেজ বেচি নাছিল। ভালেমান আলহী হোৱাত তেখেতে নিজে জিৰণি লোৱা খাট খনতে আমাক বহিবলৈ কলে। বহিবলৈ প্ৰথমে বেয়াই লাগিছিল। মাইজী আহি আমাক টানি নি বহুৱাই দি কলে—মেহেৰমান আঁয়েহে আপলোক খাৰা ৰহেঙ্গে কিয়োঁ? অসমৰ পৰা অহা বুলি জানি ৰামদাসজীয়ে খাৰা হৈ বহি আমাৰ লগত আত্মীয়তাৰে কথা পাতিলে। বেচ ঘৰুৱা পৰিবেশেৰে মাইজীয়ে আমাক ব্যৱহাৰ কৰিছিল। ৰামদাস-

জীয়ে কথা খুব কম ভাল পাই হেনো। শুনিছো পিচে সেইদিনা আমাৰ লগত লানি নিচিগা কথা পাতিলে। ৰামদাসজীৰ অসমৰ চাহ গছৰ কথা, অসমৰ খেতি পথাৰৰ কথা অসমৰ বানপানীৰ কথা, নগাৰ সমস্যা, অসমীয়া মানুহৰ সৰলতাৰ কথা ৰামদাসজীয়ে একাগ্ৰতাৰে সুধিছিল আৰু আমি যথাযথ উত্তৰ দিছিলো। কথাৰ লাহতে ৰামদাসজীয়ে মোক কলে,—"গোঁহাইজী আপলোগোকে মিলকৰ মে বহুত খুচ হুঁ। অচমীয়া লোক কা সৰলতা ঔৰ দয়া মে কেইছে ভূল চকতা? অস্পৃশ্যতাৰ প্ৰসঙ্গও আমাৰ মাজত ওলাইছিল। অসমত যে অস্পৃশ্যতা বৰ্জ্জন কৰিছে তাকো কলো অসমত মহাৰাষ্ট্ৰ, বিহাৰ, মাদ্ৰাজ আদিৰ দৰে নীচ বৰ্ণ আৰু উচ্চ বৰ্ণৰ কোনো প্ৰভেদ নাই। অন্ততঃ সমজুৱা ক্ষেত্ৰত। অসমত নাদ পুখুৰী আদি সমজুৱা বস্তুৰ ওপৰত কোনো জাতি-বৰ্ণৰ ভেদ নাই—সকলোৰে সমান অধিকাৰ।

ৰামদাসজীক এটা প্ৰশ্ন কৰিছিলো। "আপুনি ভাৰতত ৰাষ্ট্ৰভাষা কি হোৱাতো বাঞ্ছা কৰে। কলে "মই হিন্দিতোকে ৰাষ্ট্ৰভাষা হোৱাতো কামনা কৰোঁ। সেই বুলি অন্যৰ ওপৰত জোৰদি হিন্দিটো জাপি দিয়া মই নিবিচাৰো। আৰু মই এইটোও নিবিচাৰো যে দক্ষিন ভাৰতৰ মানুহে হিন্দি ভাষাটো নিশিকক আৰু এই ভাষাটোক শ্ৰদ্ধা নকৰক। দেশখনৰ তিনিভাগ মানুহে যেতিয়া হিন্দি জানেই বাকী এভাগে হিন্দি শিকিবলৈ নিবিচাৰে কিয়? আকৌ সুধিছিলো বৰ্ত্তমান ভাৰতীয় জাতীয় কংগ্ৰেছৰ—বিষয়ে আপোনাৰ অভিমত কি? তেওঁলোকক আপুনি গান্ধীবাদী বুলি ভাবেনে—উত্তৰত কলে—গান্ধীবাদৰ ভিত্তিত সৃষ্টি হোৱা ভাৰতীয় জাতীয় কংগ্ৰেছ বৰ্ত্তমান গান্ধীবাদৰ পৰা বিচলিত্ত হোৱা যেন অনুমান হয়। সেইবুলি কংগ্ৰেছ গোটেই সম্ভাটোৱেই নহয়। ইয়াৰ দুই এজন মুষ্টিমেয়—নায়কেহে গান্ধীবাদৰ ওপৰত ভিত্তি কৰি চলিব নিবিচাৰে। পিচে আশাকৰো সময়ে তেখেতলোকক নিজ পথ সোঁৱৰাই দিব। কংগ্ৰেছৰ বাদে বাকী কোনো এটা ৰাজনৈতিক দলৰে দেশখন চলাব পৰাকৈ ক্ষমতা নাই। সেয়েহে কংগ্ৰেছে তেওঁলোকৰ ভুলখিনি শুদ্ধৰাই দেশখনক আগবঢ়াই নিয়াতো মই বিচাৰো।

বেঙ্গলৰ নক্সালিষ্ট বোৰৰ Bloody call for a revolution ৰ বিষয়ে আপোনাৰ অভিমত কি? কলে—"মই গণ গণতন্ত্ৰত বিশ্বাসী। যদি কোনোবাই এই চৰকাৰ বা চৰকাৰৰ নীতি সালসলনি বিচাৰে তেতিয়া হলে তেওঁলোকে নিজ হাতত থকা মহাশক্তি (গণভোট) খিনিকে সেই চৰকাৰৰ বিৰুদ্ধে ব্যৱহাৰ কৰিব পাৰে। নক্সালিষ্ট বোৰক মই সুবিধা বাদী বুলি ভাবো। এজুম অ-শিক্ষিত মানুহক আবেগেৰে পৰিচালিত কৰি Bloody revolution কৰাতো অমানুষিক কথা সেইটো মহাত্মাজীয়েও বিচৰা নাছিল।

বৰ্ত্তমান ছাত্ৰৰ উশৃঙ্খলতা পৃথিবীৰ এটা প্ৰবাহমান গতি—আপুনি সেইবুলি ভাবেনে ? ইয়াৰ কাৰণ সমূহ কি কি—কলে বৰ্ত্তমান ছাত্ৰৰ উশৃঙ্খলতা পৃথিবীৰ প্ৰায়বোৰ দেশতে বাঢ়িছে ছাত্ৰ শক্তিক মই গভীৰ ভাৱে বিশ্বাস কৰো— । স্বাধীন ভাৱে সমাজৰ সেৱা কৰাতো ছাত্ৰৰ কৰ্ত্তব্য । স্বাধীনতা আৰু স্বেচ্ছাচাৰিত দুইটা একে কথা নহয় । ছাত্ৰৰ উশৃঙ্খলতাৰ কাৰণ সমূহ একেআষাৰতে কোৱা টান । বৰ্ত্তমান কিছু ছাত্ৰৰ যে মানসিক পৰিসৰ ঠেক গণ্ডিৰ ভিতৰত সীমাবদ্ধ আৰু স্বাৰ্থন্বেষী ৰাজনৈতিক নেতাৰ প্ৰৰোচনাত পৰোচিত সেইতু খুব সঁচা । বৰ্ত্তমান সমাজৰ নৈতিকতাৰ অধঃপতনো ইয়াৰ এটা প্ৰধান কাৰণ । অৱশ্যে সকলো কথাতে এইবোৰ প্ৰজোৰ্য্য নহয় । আমাৰ নিচিনা কিছুমান দুখীয়া দেশৰ মেধাবী ছাত্ৰয়ো অভাৱ অভিযোগত পৰি মুৰ দাঙি উঠিছে এটা পৰিবৰ্ত্তন বিচাৰি । লাগেই অৰ্থ নৈতিক পৰিবৰ্ত্তনেই হওক বা ৰাজনৈতিক পৰিবৰ্ত্তনেই হওক ।

মহাৰাষ্ট্ৰত সৰ্বোদয়ৰ প্ৰচেষ্টা কিমানখিনি সফল হৈছে তাক ৰামদাসজীক সুধিছিলো—উত্তৰত তেখেতে কলে—মই ভাবো সৰ্বোদয়ে মহাৰাষ্ট্ৰত এখন ডাঙৰ আসন লৈ আছে । মহাৰাষ্ট্ৰই হল সমবায় প্ৰথাৰে শস্য উৎপাদন কৰা ভাৰতৰ প্ৰথম দেশ । এইটো একেবাৰে শেষতীয়া আলেক্ষ । আৰু সদৌ ভাৰততে সৰ্বোদয় সন্থাই কম-বেছি পৰিমানে কাম কৰিব পাৰিছে । মই এজন সৰ্বোদয়ৰ কৰ্ম্মী । সৰ্বোদয়ৰ উন্নতিয়েই মোৰ জীৱনৰ সাফল্য ।

আৰু আমি বহুত কথাই পাতিছিলো সকলোবোৰ কথা আলোচনা কৰা সম্ভৱ নহয় । কথাৰ শেষত তেখেতৰ আৰু মাইজীৰ এখন ফটো লোৱাৰ কথাও উলিয়ালো । মাইজীয়ে প্ৰথমে প্ৰতিবাদ কৰিলে । কলে এইয়া গান্ধীৰ পুত্ৰ তেখেতৰ ফটো লওক আমিনো সমাজৰ কাৰণে কি কৰিছো যে আমাৰ ফটো লব লাগে । সকলোবোৰ প্ৰতিবাদ আমি উৰোৱাই দিলো । সেইদিনা আমি সিমানতে বিদায় ললো । কেতিয়াবা আকৌ আহিলে লগ কৰিবলৈ কৈ ৰামদাসজীয়ে আমাক আগ বঢ়াই দিলে ।

সেইদিনাই ৰামদাসজীৰ লগত মোৰ প্ৰথম আৰু শেষ দেখা বুলি ভাবিবই পৰা নাছিলো । ৰামদাসজীক আৰু লগ কৰা নহল । ৭৩ বছৰ বয়সত সৌ সিদিনা তেখেতে চিৰবিদায় ললে । ৰামদাসজীৰ সেই গৰ্হীন মুখখন মোৰ চকুৰ আগত এতিয়াও ভাঁহি উঠে । গাত খদ্দৰৰ সাধাৰণ পোছাক, আঠুৰ ওপৰত থকা এটা পয়জমা—থীনকায় দীপ্ত চেহেৰা । তেখেতে হাঁহিলে মহাত্মাজী যেনেই লাগে । চেহেৰাৰ অপূৰ্ব্ব সাদৃশ্য । দেউতাকৰ লগত । পাৰ্থক্য মাঠোন মহাত্মাজীয়ে হাঁহিলে দাঁতহীন মুখখন এটা সৰল কেঁচুৱাৰ দৰে দেখি আৰু ৰামদাসজীয়ে হাহিলে চক-চক কৰে বগা দুপাৰি দাতে তিৰবিৰায় ।

ৰামদাসজী স্বৰ্গগামী হল । লগে লগে মহাত্মাজীয়ে এৰিযোৱা ৰক্ত প্ৰবাহৰ ওৰ পৰিল—পৃথিবীত । এটা যুগে বিদায় মাগিলে—এটা নতুন যুগৰ সূচনা—বিচাৰি ।

—*—

# সুন্দৰৰ বৰচ'ৰা

এই চ'ৰাত আছে——

* আমি শ্ৰদ্ধা জনাওঁ।
* দুটি গীত।
* এটি 'সাক্ষাৎ প্ৰসঙ্গ'।
* সুন্দৰৰ বৰচ'ৰাত কানৈয়ান

পৰিচালনাত—
শ্ৰীতৰুণ কুমাৰ গগৈ

* আমি শ্ৰদ্ধা জনাওঁ॥

সংস্কৃতিৰ সোণালী পোহৰত সূৰ্য্যমুখী শিল্পী প্ৰাণে নপাহি নেথাকে। নতুন ৰূপ-মাধুৰীমাৰ সৃষ্টি হয়। মনৰ গভীৰতাত সৌন্দৰ্য্যৰ বিদ্যুত চমকনিত জিলিকি উঠে। তাৰ ৰূপ বন্দিত হয় ছন্দত, সুৰত, তুলিকাত আৰু নুপুৰৰ ৰুণ ঝুণ তালত। বৈচিত্ৰময় জীৱন সাগৰৰ গভীৰতাত সাতুৰি নাদুৰি বুতলি অনা মানিক মুকুতাক সহস্ৰজনৰ কল্যানাৰ্থে বিলাই দিয়ে—সুন্দৰ সেৱীয়ে। শিল্পীৰ পৃথিৱীলৈ পোহৰ আনিবৰ বাবে দুস্কৃতিৰ অন্ধকাৰ অসুৰৰ বিৰুদ্ধে শিল্পীৰ অবিৰাম যুদ্ধ চলে, যত সংঘাতৰ প্ৰাচীৰে পথ ৰুদ্ধ কৰে। এই সংঘাতে আনে হেতু জীৱনৰ নতুন তৰঙ্গ, এই সংঘাতৰ

বিৰুদ্ধে কৰা সংগ্ৰামেই শিল্পীৰ জীৱন। এই সংগ্ৰাম হব পাৰে অভাৱৰ বিৰুদ্ধে, অসুন্দৰৰ বিৰুদ্ধে, অন্যায়ৰ বিৰুদ্ধে, দুস্কৃতিৰ অসুৰৰ বিৰুদ্ধে।

সেয়ে অসমৰ সুন্দৰ জগতৰ ভোটাতৰা স্বৰূপ—পঙ্গু সমাজ জীৱনলৈ নতুন গতি প্ৰবাহ আনিবলৈ সংগ্ৰাম কৰা, জীৱন-যুজাৰু ক'লাগুৰু বিষ্ণুপ্ৰসাদ ৰাভা সমাজৰ ফুলনিত ন-ফুল ফুলাবলৈ অহোৰাত্ৰী পোহৰ বিচাৰি ফুৰা শিল্পী পদ্মধৰ চলিহা গীতেৰে সুৰ ছন্দিত কৰা আনন্দিৰাম দাস নিজৰ অভাৱৰ কান্দোন-খিনি লুকাই থাকিল, কেৱল হাঁহিকে বিলাই ফুৰা সুৰকাৰ দোস্ত বিবুৰ ৰহমান এই আটাইকেইজনা জীৱন-সংগ্ৰামী সাধকলৈ, এই চ'ৰাৰ তৰফৰ পৰা আমি গভীৰ শ্ৰদ্ধা জনাওঁ। —লগতে কামনা কৰিছো এই সকল জীৱন শিল্পীৰ প্ৰেৰণাৰে অসমৰ সুন্দৰ জগত জ্যোতি-স্মান হওঁক। অসমৰ সোনালী ধাননী, সেউজী চাহ, শুকুলা কহুৱা, আৰু বিৰিনি বিৰিণাৰ দৰে বিচিত্ৰময় হওক, লুইতৰ উদ্যম গতিৰ দৰে গতিশীল হৈ অসমীয়া শিল্পী সংস্কৃতিয়ে বিশ্ব সংস্কৃতিৰ বিশাল সমুদ্ৰৰ দৰে প্ৰবাহিত হওক—নৱ প্ৰভাতৰ সুচনা হওক অসমীৰ বুকুত।

"মহামনীষাৰ
মহা প্ৰতিভাৰ
জন জীৱনৰ, সোণৰ সপোনৰ
এই দেশতেই সোণ ভৰিয়াৰ সোণৰ জ্যোতি জ্বলক,
এই দেশতেই শিল্পী মনৰ
মহা সপোনৰ
এই পৃথিবীৰ সোণ দিঠকৰ
সোণ চানেকী
সোণ-ছবিৰে তোলক
বোধন কৰি বিশ্ব শিল্প মনক
এই দেশতেই জন জীৱনক
সোণ-মনটি সোণ পাহিৰে
সোণ হাঁহিৰে ফুলক।"

* 'সুন্দৰৰ বৰচ'ৰাই অসমৰ থলুৱা সংস্কৃতিৰ বাবে বৰণীয়া বৈচিত্ৰময় ৰূপটিৰ বিকাশৰ বাবে যি সকল সুন্দৰ সেৱীয়ে আত্মনিয়োগ কৰিছে সেই সকললৈ জ্যোতিপ্ৰসাদৰ 'সোণৰ সপোনৰ, সোণ ভৰিয়াৰ, সোণৰ জ্যোতি জ্বলক'—এই শুভেচ্ছা যাচিলো।

* সুন্দৰৰ বৰচ'ৰা এইবাৰ পাঠকসমাজলৈ শ্ৰদ্ধাৰে নিবেদন কৰিছে—অসমৰ সংস্কৃতি জগতৰ বহুতো বাৰ্তাৰে সুন্দৰ সেৱী অধ্যাপক তফজ্জুল আলী চাৰৰ সতে সাক্ষাৎ হোৱা 'সাক্ষাৎ প্ৰসঙ্গটিত অসমৰ সুন্দৰ জগতৰ সতে জড়িত চাৰৰ অভিজ্ঞ মিঠা বাৰ্তা।

* এইবাৰ কলেজ আলোচনীৰ সম্পাদক শ্ৰীভীমকান্ত বৰগোহাঁঞিৰ মৰমৰ দাবিত এই চ'ৰাটি পৰিচালনাৰ ভাৰ মোৰ সামান্য অভি-জ্ঞতাৰেই ললো। নাজানো সুন্দৰৰ বৰচ'ৰা ভাইটি ভীমে কামনা কৰাৰ দৰে আকৰ্ষণীয় শিতান হৈছেনে নাই! পিছে আন্তৰিকতাখিনি পুৰা মাত্ৰাই আছে দেই।

(শেষত সুন্দৰৰ বৰচ'ৰাই কানৈ কলেজ আলোচনীৰ বুকুত পূৰ্ণ বিকশিত হওক—এই শুভ কামনাৰে— তৰুণ কুমাৰ গগৈ।

# ।। দুটি গীত ।।

পুণ্যধৰ ৰাজখোৱা

* অসম সঙ্গীত *

অ' অসমৰে ডেকা দল
ব'ল আগুৱাই ব'ল ।
এখোজ দুখোজ খোজে খোজ ধৰি
আগবাঢ়ি ব'ল—আগবাঢ়ি ব'ল ।
শান্ত জুৰ সুমধুৰ
সোণৰ অসম আমিয়ে গঢ়িম
কঁপাই ধৰণি তল ।
আমাৰ মনত উঠে নামে
সাগৰৰে ঢৌ,
আমাৰ মনৰে নেদেখা সাগৰ,
এই পৃথিৱী অতি মৰমৰ;
আমাৰ অতি মৰমৰ অতি মৰমৰ
কোনে ভাল পালে ।
অগ্নিশিখা ঘৰে ঘৰে
কোনেনো জ্বলালে
হে কোনেনো জ্বলালে,
আমাৰ শিশুৰ মুখৰ হাঁহিত
বিজুলী খোল গ'ল ॥
দূৰহৈ গল অন্ধকাৰ—
কেউদিশে আজি পোহৰৰ ঢল
মন্দিৰে মন্দিৰে জ্বলে ধূপ, দীপ
গন্ধে তাৰে ধৰা ওপচালে;
ডবা শঙ্খ ঘণ্টা বাজে
উৰুলি জোকাৰে, —
এৰি হিংসা - দ্বেষ আমাৰ
মাটিৰ অসম সোণৰ অসম গঢ়ো,
অসমৰে ডেকা দল ॥

* আধুনিক গীত *

॥ ৰিম ঝিম ৰৰষাৰে ॥

ৰিম ঝিম - ৰিম ঝিম
বৰষাৰে
ছন্দে ছন্দে স্বপ্ন জাগে
অনুৰাধা আজি—
তোমালৈ মনত পৰে ॥
নিজম নিশাৰ আৰে আৰে
মধু মিলনৰ গীতি ভাহে
সোণালি মনৰ সপোন ৰচি
আমি উৰি যাওঁ দূৰে দূৰে ।
অনুৰাধা আজি—
তোমালৈ মনত পৰে ॥
মন-ময়ুৰীৰ নাচোন দেখি
নিশাৰ তৰালি নাচে
নতুন সুৰৰ ছন্দ ৰচি
জাক জাক জোনাকি উৰে ॥
অনুৰাধা আজি

* * *

# ॥ সাক্ষাৎ প্ৰসঙ্গ ॥

## গীতিকাৰ অধ্যাপক তফজ্জুল আলিচাৰৰ সতে

[ যিসকল সুৰকাৰৰ মিঠা গীতৰ সুৰে আকাশৱাণী গুৱাহাটী অনাতাৰ কেন্দ্ৰৰ আৰম্ভণী কালছোৱাত ন-ন সুৰৰ গীত পৰিৱেশন কৰি অসমৰ শ্ৰোতামোদী ৰাইজক তৃপ্তি প্ৰদান কৰিছিল—সেই সকলৰ ভিতৰত বৰ্ত্তমান আমাৰ কলেজৰ অধ্যাপক তফজ্জুল আলিচাৰৰ স্থান নিঃ সন্দেহে শ্ৰেষ্ঠ। শৈশৱৰে পৰা সংস্কৃতি জগতৰ সতে পৰিচিত চাৰ্ কেৱল গীতিকাৰ আৰু সুৰকাৰেই নহয়—তেখেত এজন সফল নাট্যকাৰো। অসম নাট্য-সন্মিলনৰ প্ৰতিষ্ঠাতা, 'সঙ্গম' ডাইজেষ্ট পত্ৰিকাৰ সম্পাদক আৰু বহুতো সাংস্কৃতিক অনুষ্ঠানৰ সতে জড়িত হোৱা চাৰৰ অভিজ্ঞতাৰ পৰা অসমৰ সুন্দৰ জগতৰ বহুতো তথ্য এই 'সাক্ষাৎ প্ৰসঙ্গটিত' প্ৰকাশ হৈছে। ]

—সাক্ষাৎ গ্ৰহন কৰিছে 'আলোচনী সম্পাদক'ৰ সহযোগত—
শ্ৰীতৰুণ কুমাৰ গগৈয়ে।

প্ৰশ্ন : (১) সংস্কৃতি জগতৰ সতে আপোনাৰ সম্পৰ্ক কাহানিৰ পৰা ? অসমৰ সংস্কৃতি জগতৰ বিষয়ে, আপোনাৰ অভিজ্ঞতাৰ পৰা কিছু কবনে ?

উত্তৰ * নিচেই লৰাকালৰে পৰা অৰ্থাৎ ছয়, সাত বছৰ বয়সৰ পৰা মোৰ 'সঙ্গীত আৰু 'অভিনয় কলাৰ লগত পৰিচয় ঘটে। মোৰ দেউতা বৃত্তিত চিকিৎসক আছিল যদিও এজন গুণী সঙ্গীতজ্ঞও আছিল। তেখেতৰ অধীনতে আৰু তেখেতৰ প্ৰেৰণাতে মই সঙ্গীতৰ প্ৰাথমিক শিক্ষা লাভ কৰো। পিছলৈ হৰেন চৌধুৰী, বিষ্ণু প্ৰসাদ ৰাভা, সঙ্গীত বিশাৰদ খগেন্দ্ৰ নাথ দাস, বৰগীতৰ ওজা দয়ায় সূত্ৰধাৰ, নৰহৰি বুঢ়া ভকত আৰু পিছলৈ পুৰুষোত্তম দাস, ডক্টৰ ভুপেন হাজৰিকা, ব্ৰজেন বৰুৱা প্ৰমুখ্যে বহুতো গুণী সঙ্গীত শিল্পীৰ সংস্পৰ্শলৈ আহোঁ। আৰু তেখেতসকলৰ প্ৰত্যেকৰ পৰা অলপ নহয় অলপ দান মই

কৃতজ্ঞতাৰে গ্ৰহণ কৰিছো। অৱশ্যে প্ৰথমতে মোৰ বাদ্য সঙ্গীতৰ প্ৰতিহে অধিক ৰাপ আছিল; কিন্তু ঘটনাৰ আকস্মিক সংযোগত পিছলৈ মই কণ্ঠসঙ্গীতৰ পিনে মনোযোগ দিওঁ। ঘটনাৰ আকস্মিক সংযোগ মানে ১৯৪৮ চনত (তেতিয়া মই দশম মান শ্ৰেণীৰ ছাত্ৰ) গুৱাহাটী অনাতাৰ কেন্দ্ৰ মুকলি হোৱাৰ আগে আগে তাৰ বাবে শিল্পী বিচাৰি শ্ৰীবীৰেন ফুকন শ্ৰীপুৰুষোত্তম দাস আৰু শ্ৰীউবেতুল লটিফ বৰুৱা মঙ্গলদৈলৈ যায়। তাৰ স্থানীয় কণ্ঠশিল্পীসকলৰ কণ্ঠস্বৰ পৰীক্ষাৰ বাবে। তাতে মই কেইবাগৰাকীও শিল্পীৰ লগত বাদ্য সঙ্গীত কৰিছিলো। শেষলৈ আনশিল্পীসকলক বিদায় দি শ্ৰীফুকন আৰু শ্ৰীদাস ডাঙৰীয়াই মই সুৰ কৰা দুটামান গান মোৰ নিজৰ কণ্ঠত শুনিবলৈ বিচাৰিলে। কিয়নো ইতিমধ্যে গীত গাই যোৱা শিল্পীসকলৰ কেবাজনেও মই সুৰ সংযোগ কৰা গীত গাইছিলে। তেতিয়া মই গীত গোৱা নাছিলো যদিও মাজে সময়ে কিছুমান আনৰ আৰু নিজৰো গীত ৰচনাত সুৰ সংযোগ কৰিছিলো। গতিকে তেখেত সকলৰ অনুৰোধ পেলাব নোৱাৰি মই মোৰ দুটিমান গীত তেখেতসকলক শুনাওঁ। মোৰ গীত শুনাৰ পিছত তেখেতসকল তিনিওজন ভিতৰৰ কোঠা এটালৈ সোমাই গল আৰু প্ৰায় দহ মিনিটমানৰ পিছত ওলাই আহি মোক আচৰিত কৰি কলে যে কণ্ঠস্বৰ পৰীক্ষাত মই পাছ কৰিছো আৰু গুৱাহাটী অনাতাৰ কেন্দ্ৰ মুকলি হলেই মই তাৰ পৰা গীত পৰিবেশন কৰিব লাগিব। ১৯৪৮ চনৰ জুলাই মাহত গুৱাহাটী অনাতাৰ কেন্দ্ৰ আনুষ্ঠানিকভাবে মুকলি হয় আৰু সেই বছৰৰ আগষ্ট মাহৰ পৰা ১৯৫৬ চনৰ জুন মাহলৈকে এই আঠ বছৰকাল মই সেই কেন্দ্ৰৰ পৰা আধুনীক গীত আৰু বনগীত পৰিবেশন কৰিছিলো। ১৯৫৬ চনৰ জুলাই মাহত আমাৰ কলেজলৈ চাকৰি কৰিবলৈ অহাৰ পিছৰে পৰা নানা অসুবিধাৰ বাবে গুৱাহাটী অনাতাৰ কেন্দ্ৰৰ পৰা গীত গোৱা বন্ধ হয়।

অসমৰ সংস্কৃতিৰ আচলতে বৰ বিচিত্ৰ সমলৰে গঠিত। পাহাৰৰ কথা বাদ দিও সদিয়াৰে পৰা ধুবুৰীলৈ অসমীয়া সংস্কৃতিৰ নানা ৰূপ আৰু ৰং দেখিবলৈ পোৱা যায়। মোৰ ঘৰ দৰং জিলাৰ মঙ্গলদৈ মহকুমাত হোৱাৰ কাৰণেই মই এটা সুবিধা পাইছো যে নামনি আৰু উজনি অসমৰ সাংস্কৃতিক বৈশিষ্ট সৈতে সমানে পৰিচিত হব পাৰিছো 'সংস্কৃতি' শব্দটোৰ অৰ্থ বৰ ব্যাপক যদিও আমাৰ নাট, গীত, চিত্ৰকলা আদিৰ মাজেদি আমাৰ সংস্কৃতিৰ স্বকীয় বৈশিষ্ট বহুখিনি অনুভৱ কৰিব পাৰি। উজনিৰ বিহুগীত আৰু বনগীতৰ দৰেই নামনি অসমৰ ওজাপালি, কামৰূপী আৰু গোৱালপৰীয়া লোকগীত আদিৰো একোটা নিজস্ব ৰূপ আছে। এই ভিন্ন ৰূপৰ সমাবেশত হে অসমীয়া সংস্কৃতিৰ বৰঘৰ সৃষ্টি হৈছে। তাতে বড়োকছাৰী প্ৰমুখ্যে জনজাতীয় অৱদান নিচেই কম

নহয়। অৱশ্যে এনেবোৰ সনম্বয়ৰ যথাযথ গৱেষণা আৰু মূল্যায়ন এতিয়ালৈকে ভালদৰে হোৱা বুলি কব নোৱাৰি। মই নিজে জনাৰ ভিতৰত স্বৰ্গীয় জ্যোতিপ্ৰসাদ আগৰৱালাই নিভাজ অসমীয়া সঙ্গীতৰ ক্ষেত্ৰত নানা পৰীক্ষা-নিৰীক্ষা চলাই চাইছিল। তেখেতৰ পিচতে স্বৰ্গীয় বিষ্ণুৰাভাদেৱে অসমীয়া সংস্কৃতিলৈ জনজাতীয় অৱসান সম্পৰ্কে ভালেখিনি তথ্য সংগ্ৰহ কৰিছিল যদিও সেই বিষয়ে ভালদৰে গৱেষণা কৰাৰ সময় আৰু সুবিধা তেখেতে নাপালে। শ্ৰীপুৰুযোত্তম দাসেও আমাৰ ধ্ৰপদী শঙ্কৰী সঙ্গীত আৰু কামৰূপী লোকগীতৰ বিষয়ে যথেষ্ট চৰ্চা কৰিছে। বৰ্ত্তমান সময়ত ডক্টৰ ভূপেন হাজৰীকাই তেখেতৰ অতুলনীয় সৃজনি প্ৰতিভাৰে আমাৰ লোকসঙ্গীতৰ সৈতে আধুনিক গীতৰ অপূৰ্ব্ব সমন্বয় ঘটাইছে। সুশিল্পী অধ্যাপক বীৰেন্দ্ৰ নাথ দত্তয়ো গোৱী-পুৰৰ লোক সঙ্গীত তথা লোক-সংস্কৃতিৰ বিষয়ে গৱেষণা চলাই থকা বুলি গম পাইছো। এইবোৰ হ'ল ব্যক্তিগত প্ৰচেষ্টাৰ কথা। আনহাতে আনুষ্ঠানিক ভাবেও অধুনালুপ্ত অসম সঙ্গীত সন্মিলন, সঙ্গীত নাটক একাডেমী, অসম নাট্য-সন্মিলন আৰু অন্যান্য স্থানীয় অনুষ্ঠানবোৰেও কিছু প্ৰচেষ্টা চলাই আছে। কিন্তু প্ৰায়বোৰ ৰাজহুৱা অনুষ্ঠানৰে আয়ুস চুটি হোৱাৰ বাবে আৰু এই অনুষ্ঠানবোৰেও আশানুৰূপভাৱে সক্ৰিয় নোহোৱাৰ বাবেই এইবোৰে আমাৰ সংস্কৃতিলৈ উল্লেখযোগ্য বৰঙনি যোগাব পাৰিছে বুলি কব নোৱাৰি। অৱশ্যে অপ্ৰিয় হলেও এটা সত্য কথা কবই লাগিব যে সংস্কৃতি সাধনাত ব্যক্তিগত আৰু ৰাজহুৱা উভয় ক্ষেত্ৰতে যি একাগ্ৰতা আৰু অধ্যৱসায়ৰ প্ৰয়োজন তাৰ তীব্ৰ অভাৱ আমাৰ জাতীয় জীৱনত দেখা গৈছে আৰু তদুপৰি এই স্থিৰ প্ৰজ্ঞাৰে নেতৃত্ব দিব পৰা লোকো বৰ্ত্তমান-লৈকে ওলোৱা নাই।

(২) আমাৰ প্ৰশ্ন—গীতিকাৰ, সুৰকাৰ আৰু বহুতো একাঙ্ক নাটৰ সফল লিখক হিচাবে সফলতাৰে আত্মনিয়োগ কৰাৰ প্ৰেৰণা আপুনি ক'ৰ পৰা পালে?

* ছাৱৰ উত্তৰ—সুৰকাৰস্বৰূপে মোৰ অভি-জ্ঞতাৰ কথা আগতে উল্লেখ কৰিছো। গীত ৰচনাৰ ক্ষেত্ৰত মই প্ৰথম প্ৰেৰণা পাওঁ মোৰ ভিনিহিদেউ খ্যাতনামা সাহিত্যিক এম, ইব্ৰাহিম আলিদেৱৰ পৰা। মোৰ কৈশোৰ কালতে ৺মাধৱ বেজবৰুৱা সম্পাদিত বাঁহী আলোচনীৰ যোগেদি সেই সময়ত আলিদেৱে কবি হিচাবে যথেষ্ট সুখ্যাতি লাভ কৰিছিল। কবিতা ৰচনাৰ প্ৰতি বোধ হয় মোৰ স্বাভাৱিক প্ৰৱণতা নাছিল; কিন্তু ভিনিহীদেউৰ কবিতা বোৰেই মোক গীত ৰচনা কৰিবলৈ অনুপ্ৰেৰণা যোগাইছিল। যিমানদূৰ মনত পৰে মই ষষ্ঠ-মান শ্ৰেণীত পঢ়ি থাকোঁতে বঙলা গীত এটাৰ সুৰ অনুকৰণ কৰি 'শক্তিময়ী অসমা জননী' এই শিতানত মোৰ প্ৰথম গীতটো লিখিছিলো, তেতিয়াৰে পৰা ভিনিহীদেউ আৰু দেউতাই

সততে মোক গীত ৰচিবলৈ আৰু তাৰ সুৰাৰোপ কৰিবলৈ উদগনি দিছিল।

নাটকৰ ক্ষেত্ৰত মই সৰুৰে পৰা ডাঙৰ সকলে কৰা অভিনয়ত অংশ গ্ৰহন কৰাৰ সুযোগ পাইছিলো। আৰু এতিয়া কবলৈ অলপ লাজ লাগে আৰু হাঁহিও উঠে যদিও সেই সময়ত মই বেছিভাগ স্ত্ৰী ভূমিকাত' অভিনয় কৰিছিলো। হাইস্কুলীয়া জীৱনত নৱম দশম শ্ৰেণীত প্ৰথমতে মই দুই এটা চমু নাটকীয় দৃশ্য লিখি মোৰ বন্ধুসকলৰ সহযোগত অভিনয় কৰিছিলো। তাৰ ভিতৰত মোৰ মনত পৰে 'বিহু', 'শেষ ৰণ', 'পতন', আদি চমু নাটকীয় দৃশ্যবোৰ। অৱশ্যে এইবোৰৰ কাহিনী মই আন ঠাইৰ পৰা ধাৰ কৰিছিলো। কলেজীয়া জীৱনৰ মাজে সময়ে সৰু-সুৰা ভূমিকাত নিজৰ ঠাইত অভিনয় কৰিছিলো যদিও সঙ্গীতৰ প্ৰতি অধিক মনোযোগ দিয়াৰ কাৰণে এই সময়ত নাটকৰ লগত মোৰ সম্পৰ্ক ক্ষীণ হৈ আহে। আকৌ স্নাতকোত্তৰ মহলাত পঢ়ি থাকোতে গুৱাহাটী বিশ্ববিদ্যালয়ৰ সাংস্কৃতিক বিভাগৰ সম্পাদক হিচাবে দিল্লীত হোৱা প্ৰথম যুৱ মহোৎসৱলৈ (১৯৫৪ চনত বিশ্ববিদ্যালয়ৰ দলটো সংগঠনৰ ভাৰ মোৰ ওপৰত পৰে। আৰু তেতিয়াই আমাৰ দলটিয়ে নিয়া মঞ্চনাটখনৰ পৰিচালনাৰ দায়িত্বও মই লবলগীয়া হয়। অনাতাঁৰ নাটখন (এৰাবাটৰ সুৰ) পৰিচালনা কৰিছিল সেই সময়ত বিশ্ববিদ্যালয়ৰ অধ্যাপক ডক্টৰ ভূপেন হাজৰীকাদেৱে। তেতিয়াৰে পৰা নাটকৰ লগত সম্পৰ্ক আকৌ অলপ ঘনিষ্ঠ হয়। অৱশ্যে পিছলৈ আমাৰ কলেজত যোগ দিয়াৰ পিছত নিতান্ত প্ৰয়োজনৰ অগিদত অৰ্থাৎ ছাত্ৰ-ছাত্ৰীসকলৰ মৰম সনা দাবীত মই দুই এখন একাঙ্ক নাট লিখিবলৈ ধৰো। যদি প্ৰেৰণাৰ কথা সোধা হয় তেনেহলে মই নিশ্চয় কব লাগিব যে সেই সকল (১৯৭৬-৫৭) কানৈ কলেজৰ ছাত্ৰ-ছাত্ৰীসকলেই মোৰ নাট ৰচনাৰ মুল প্ৰেৰণা নাটৰ আঙ্গিক বা বিষয় বস্তুৰ ক্ষেত্ৰত অসমীয়া, খ্যাতিমান নাট্যকাৰ সকল বিশেষকৈ স্বৰ্গীয় জ্যোতি প্ৰসাদ আগৰৱালা আৰু বিভিন্ন বিশ্ব-বিখ্যাত নাটাকাৰ সকলৰ ৰচনাৱলীৰ অধ্যয়ণত মোৰ ওপৰত প্ৰভাৱ পেলাইছে, আৰু মোক প্ৰেৰণা যোগাইছে। বিদেশী নাট্যকাৰসকলৰ ভিতৰত ইবছেনৰ আঙ্গিক আৰু ছেকফৰ উপস্থাপন ৰীতি সেই সময়ত মোৰ বৰ ভাল লাগিছিল। অৱশ্যে নাটৰচনাৰ ক্ষেত্ৰত মোৰ প্ৰচেষ্টা নিচেই নগন্য বুলি কলে বিনয় কৰা নহয়।

আমাৰ প্ৰশ্ন (৩)—আপোনাৰ সুন্দৰ সম্পাদনাত প্ৰকাশিত হোৱা 'সঙ্গম' ডাইজেষ্ট পত্ৰিকা এসময়ত অসমৰ জনসাধাৰণে সাদৰে আদৰি লৈছিল—পত্ৰিকা খনৰ অসাধাৰণ বুদ্ধিদীপ্ত দিশটোৰ আকৰ্ষণতে। এনে এখন আলোচনী বন্ধ হৈ যোৱাত অসমৰ বাবে 'দুৰ্ভাগ্য' স্বৰূপ। কাকতখনী পুণৰ প্ৰকাশ কৰিব নোৱাৰিনে ?

* ছাৰৰ উত্তৰঃ—'সঙ্গম' ডাইজেষ্ট পত্ৰিকা-

খন আমি সীমান্তিক প্ৰকাশন নামৰ অনুষ্ঠান এটিৰ যোগেদি সমূহীয়া প্ৰচেষ্টাৰে প্ৰকাশ কৰি চাৰিবছৰ কাল চলায় প্ৰকাশ বন্ধ কৰিবলগীয়া হৈছে।—কিছুমান প্ৰতিকুল অৱস্থাৰ কাৰণে। তাৰ প্ৰথম অসুবিধা হ'ল আলোচনীখনৰ ব্যৱসায়ীক দিশটো চাবলৈ আমাৰ মাজত মানুহৰ অভাৱ। দ্বিতীয় কথা কাকত বিক্ৰেতা এজেণ্ট সকলৰ সৎসহযোগীতাৰ অভাৱ। এতিয়াও এজেণ্টসকলৰ পৰা আমাৰ পাবলগীয়া কেইবা হাজাৰো টকা উদ্ধাৰ কৰিব পৰা নাই। তৃতীয়তে এটা নিজস্ব প্ৰেছ নথকাত মাজে সময়ে আমি যথেষ্ট আহুকাল পাইছো আৰু আলোচনীখনো আমাৰ মনোমতকৈ প্ৰকাশ কৰিব পৰা নাই। কাকতখনি পুনৰ প্ৰকাশৰ বিষয়ে আমি চিন্তা আলোচনা কৰি আছো। তোমালোকে এনে আগ্ৰহ দেখুৱা বাবে আমাৰ আন্তৰিক কৃতজ্ঞতা আৰু ধন্যবাদ জনাইছো।

আমাৰ প্ৰশ্ন (৪) এতিয়ালৈকে আপোনাৰ প্ৰকাশিত হোৱা ৰচনাৰাজি কি কি? আপোনাৰ মতে আপোনাৰ লেখা সমূহৰ ভিতৰত আটাইতকৈ উৎকৃষ্ট কোনটো? নকৈ আপুনি কিবা প্ৰকাশ কৰাৰ আঁচনি কৰিছে নেকি?

* ছাৰৰ উত্তৰ :— এতিয়ালৈকে মোৰ তিনিখন গীতৰ পুথি আৰু দুখন একাঙ্ক নাট প্ৰকাশ হৈছে। গীতৰ পুথি কেইখন হ'ল, "মন্দাক্ৰান্তা", "অঘৰী ককাইদেউৰ গীত" আৰু "অনুষ্টুপ" একাঙ্কিকা দুখন হ'ল,—"বেড নম্বৰ ফাইভ", আৰু "নেপাতি কেনেকৈ থাকো"। প্ৰবন্ধ জাতীয় ৰচনা মই বৰ কম লিখিছো আৰু তেনে ৰচনা সমূহ কলেজ আৰু বিশ্ববিদ্যালয়ৰ আলোচনীতে আবদ্ধ হৈ আছে।

এতিয়ালৈকে মোৰ গীতবোৰৰ ভিতৰত গীত মোৰ নিজৰ ভাল লাগে,—তাৰ প্ৰথম কেইটা (ৰচনা কাল অনুযায়ী) (১) 'মন্দাক্ৰান্তা মোৰ কবিতাৰ/কোন তুমি "মধুছন্দা' (২) মোৰ সতে মোৰ জীৱনৰ হৃয়/নিভৃত আলাপন; (৩) 'অ' জীৱন, তোক ক'ত ৰূপত দেখিলো'। প্ৰকাশিত নাট দুখনৰ ভিতৰত নাটকীয় গুণৰ ফালৰ পৰা "নেপাতি কেনেকৈ থাকো" খন মোৰ অধিক ভাল লাগে।

এতিয়া মই "অন্তৰাগ" নামেৰে গীতৰ সঙ্কলন এটি আৰু পাঁচখনমান একাঙ্কিকাৰ এটি সঙ্কলন প্ৰকাশ কৰাৰ কথা ভাবি আছোঁ। গীতৰ কাম শেষ হৈছে। তিনিখন একাঙ্কিকাও হাত ফুৰাই প্ৰেছৰ কাৰণে সাজু কৰিছো। ইয়াৰে এখন (বাসন্তীৰ বিয়া) ৰেডিঅ' নাট হিচাবে গুৱাহাটী অনাতাঁৰ কেন্দ্ৰৰ পৰা প্ৰচাৰ হৈছিল। চতুৰ্থ আৰু পঞ্চম নাট দুখনৰ পাণ্ডুলিপি হৈছে যদিও ক'তো মঞ্চস্থ কৰা হোৱা নাই। সেয়েহে ততালিকে ছপাই উলিয়াবলৈ সঙ্কোচ বোধ কৰিছো,—কিয়নো দুয়োখন নাটেই কিছু পৰিমানে পৰীক্ষামূলক নাট হ'ব। ইয়াৰ উপৰিও অসম সাহিত্য সভাই আধুনিক যুগৰ আৰম্ভনীৰে পৰা সাম্প্ৰতিক কাললৈকে উল্লেখযোগ্য একাঙ্ক নাটৰ সঙ্কলন

এটি প্ৰকাশ কৰিবলৈ সঙ্কল্প কৰি তাৰ সম্পাদনাৰ ভাৰ মোৰ ওপৰত দিছে। তাৰ কামতো মই যথেষ্ট সময় নিয়োগ কৰিবলগীয়া হৈছো।

আমাৰ প্ৰশ্ন (৫):— অসমৰ আধুনিক গীতৰ বৰ্ত্তমান ধাৰাৰ বিষয়ে আৰু একাঙ্ক নাট্য আন্দোলনৰ জন্মদাতা হিচাবে ইয়াৰ বিষয়ে কিছু কবনে ?

* ছাৰৰ উত্তৰ ঃ—অসমীয়া আধুনিক গীতৰ বৰ্ত্তমান ধাৰা অতি আশাপ্ৰদ। এই ক্ষেত্ৰত আচলতে আমি দুটা ধাৰা দেখিবলৈ পাওঁ,—এটাত নতুন নতুন সুৰ সৃষ্টিৰ পিনে অধিক মনোযোগ দিয়া হৈছে আৰু আনটিত গীতৰ ৰচনা সৌষ্ঠৱ অৰ্থাৎ কাব্যিক গুণৰ পিনে অধিক লক্ষ্য ৰাখিছে। দুয়োটা ধাৰাতে উল্লেখযোগ্য সৃষ্টি নোহোৱা নহয়। মোৰ বোধেৰে কেৱল শ্ৰুতি মধুৰ সুৰ অথবা কেৱল কাব্যিক গুণত চহকী-ৰচনাই সাৰ্থক আধুনিক গীতৰ সৃষ্টি কৰিব পাৰে। এনে সংযোগ বিভিন্ন শিল্পীৰ দুই চাৰিটা গীতত সংঘটিত হলেও বোধহয় একমাত্ৰ ডঃ ভূপেন হাজৰীকাৰ গীতত হে ধাৰাবাহিক ৰূপে প্ৰকাশিত হৈ আহিছে। সেই কাৰণেই তেখেতক অসমীয়া আধুনিক গীতৰ ক্ষেত্ৰত অপ্ৰতিদ্বন্দি শিল্পী বুলি স্বীকৃতি দিয়াত মোৰ মনত কোনো দ্বিধা নাই। ডক্টৰ হাজৰীকা নিজেই অত্য সাধাৰণ প্ৰতিভাশালী গীতিকাৰ, সুৰকাৰ আৰু সুগায়ক হোৱাৰ বাবেই বোধহয় এনে সমন্বয় সম্ভৱ হৈছে। অন্যান্য শিল্পীৰ ক্ষেত্ৰত এনে মনি কাঞ্চন সংযোগ নঘটিলেও বহুতেই যথেষ্ট সফলতাৰে আধুনিক গীতৰ পৰীক্ষা নিৰীক্ষা চলাই আছে।

এই সকলোৰে প্ৰচেষ্টাই অসমীয়া আধুনিক গীতক অদূৰ ভবিষ্যতে এহাতে শিল্পী সৌষ্ঠৱেৰে আৰু আনহাতে ব্যৱসায়িক মান দানেৰে সৰ্ব্বভাৰতীয় ক্ষেত্ৰতে আগ শাৰীত ঠাই দিব বুলি মোৰ দৃঢ় বিশ্বাস। অৱশ্যে আধুনিক গীতৰ চৰ্চ্চাত এনে গহীন প্ৰচেষ্টাৰ সমান্তৰাল ভাবে এটি সস্তীয়া তৰল ধাৰাও চলি আছে, মানে ভাল দৰেই চলি আছে। তাৰ বাবে শঙ্কিত হোৱাৰ কাৰণ নাই। সময়ৰ সোঁতত ভালবোৰ ৰৈ যাব আৰু আৱৰ্জ্জনাবোৰ লোপ পাব। এইটো সকলো কালতে হয়।

আগৰ 'সদৌ অসম একাঙ্ক নাট্য সন্মিলন' আজি কেইবছৰমানৰ পৰা অসম নাট্য সন্মিলন নামেৰে জনাজাত হৈছে। ১৯৫৯ চনত 'ডিব্ৰুগড়ত শ্ৰীহাচান চৰিফ আহমদ আৰু শ্ৰীঅনিল শৰ্ম্মাৰ নেতৃত্বৰ এদল উৎসাহী ডেকাৰ প্ৰচেষ্টাত হোৱা এখনি সদৌ অসম পৰ্য্যায়ৰ একাঙ্ক নাট প্ৰতিযোগিতা এই অনুষ্ঠানৰ অঙ্কুৰ স্বৰূপ। এই অনুষ্ঠানৰ আৰম্ভনীৰে পৰা তাৰ সাধাৰণ সম্পাদক স্বৰূপে পাঁচ বছৰ কাল মই ইয়াৰ লগত জড়িত আছিলো। মোৰ বোধেৰে আমি সংগঠন কৰা কালছোৱাত এই অনুষ্ঠানটিয়ে অসমৰ নাট্যকাৰ

নাট্যশিল্পী আৰু নাট্যানুৰাগী লোকসকলৰ মাজত এক নতুন উদ্দীপনাৰ সহাৰি জগাব পাৰিছে, এতিয়াও ই সদিয়াৰে পৰা ধুবুৰীলৈ সকলোৰে আগ্ৰহ আৰু কৌতুহলৰ স্থল হৈ আছে। মই অনুভৱ কৰো যে অসমীয়া নাট্য সাহিত্য আৰু ৰঙ্গমঞ্চৰ উন্নতিৰ বাবে এনে এটি অনুষ্ঠানৰ অতীৱ প্ৰয়োজন। কিন্তু দুখৰ বিষয় যে এহাতে অসমত এচাম প্ৰতিষ্ঠামান নাট্যশিল্পী আৰু আনহাতে অসম চৰকাৰৰ উপযুক্ত সহযোগীতাৰ অভাৱত অসম নাট্য-সম্মিলনেও আশানুৰূপ ভাবে কাম কৰিব পৰা নাই। এনে অৱসাদ আৰু নিষ্ক্ৰিয়তা আমাৰ সকলোবোৰ ৰাজহুৱা অনুষ্ঠানতে দেখা যায়, কিন্তু কিয় এনে হয়, মই ভালদৰে বুজিব পৰা নাই। এইটো আমাৰ জাতীয় চৰিত্ৰৰ এটা দুখ-লগা দুৰ্ব্বলতা নহয় তো? গুৱাহাটীত মহা আড়ম্বৰেৰে উদযাপন কৰা জাতীয় নাট্যশালাও দেখোন ফুটোকাৰ ফেন হে হল? সেইহে মই বিশ্বাস কৰো যে অসমৰ উদীয়মান শিল্পীসকলে স্বপ্নমোদিত হৈ গঠন কৰা অসম নাট্য সম্মিলনৰ হৈ এটি সম্ভাৱনাময় ভবিষ্যত আছে—যদিহে ই অহেতুক ক্লান্তিত জুপুকা মাৰি বহি নাথাকে।

আমাৰ প্ৰশ্ন: (৬)— আপোনাৰ জীৱন দৰ্শন কি?

* ছাৰৰ উত্তৰ:—এইটো বৰ টান প্ৰশ্ন। যদি সোধা মোৰ জীৱনৰ উদ্দেশ্য কি? তেনেহলে মই কাম সৎভাবে কম কৰি সৎভাবে জীৱন যাপন কৰা, আৰু পাৰিলে লগতে নিজৰ সামৰ্থ্য অনুযায়ী যি পাৰো সৃষ্টি কৰি সকলোৰে কল্যান সাধন কৰা। মই ভাবো যে প্ৰত্যেক জন মানুহে নিজৰ প্ৰতি আৰু সমাজৰ প্ৰতি সৎ হবলৈ চেষ্টা কৰা উচিত, চেষ্টা কৰা উচিত বুলি মই এই কাৰনেই কৈছো যে বৰ্ত্তমান যুগত আৰু বোধ হয় সকলো যুগতেই সৎ হোৱাটো বৰ সহজ কাম নহয়। সেইটো মই নিজৰ জীৱনতে প্ৰমান পাইছো, বহুবাৰ পিছলো খাইছো—আৰু বহুবাৰ উঠিছো। এতিয়াও মোৰ সেই প্ৰচেষ্টা অবিৰত ভাবে চলি আছে। যদি জীৱন দৰ্শন বুলিব পাৰি তেনেহলে সৎ হোৱাৰ সংগ্ৰামেই।

আমাৰ প্ৰশ্ন (৭)—আপোনাৰ 'হবি' কি?

* ছাৰৰ উত্তৰ:—শিক্ষকতাকেই জীৱিকাৰ বৃত্তি হিচাবে লোৱাৰ কাৰণে এক প্ৰকাৰে সাহিত্য সঙ্গীতৰ চৰ্চ্চাও মোৰ বাবে 'হবি'য়েই হৈ পৰিছে। ইয়াৰ উপৰিও মোৰ এটা ডাঙৰ চখ্ হল বাগিছাৰ কাম কৰা। শাক-পাচলিৰে পৰা ফুললৈকে সকলোৰে যত্নলৈ মই বৰ আনন্দ পাওঁ। এটা অঙ্কুৰৰ পৰা এজোপা পৰিণত গছ হোৱাৰ মাজত যি ৰহস্য আছে সি সদায় মোক মুগ্ধ কৰি আহিছে।

আমাৰ প্ৰশ্ন (৮)—বৰ্ত্তমান ভাৰতীয় সমাজ আকাশলৈ প্ৰবেশ কৰা পাশ্চাত্য সঙ্গীতৰ প্ৰভাৱ সম্পৰ্কে আপোনাৰ মতামত কি?

* ছাৰৰ উত্তৰ:—সচাঁ কথা কবলৈ হলে ভাৰতীয় তথা অসমীয়া আধুনিক সঙ্গীতৰ

ওপৰত পাশ্চাত্য সঙ্গীতৰ কোনো গভীৰ বা ব্যাপক প্ৰভাৱ বৰ্ত্তমানলৈকে পৰা বুলি মই স্বীকাৰ নকৰো। মই নিজেও তিনিবছৰ মান পাশ্চাত্য সঙ্গীতৰ প্ৰশিক্ষণ লৈছিলো। তাৰ সামান্য অভিজ্ঞতাৰ পৰা এই খিনিকেই কব পাৰো যে ভাৰতীয় সঙ্গীতৰ দৰে পশ্চিমীয়া সঙ্গীতৰো এক গভীৰ বিশাল আৰু স্বকীয়ৰূপ আছে। সেই ৰূপৰ সৰ্ব্বাঙ্গীন আমদানি ভাৰতীয় সঙ্গীতত সম্ভৱ নহয়, যদিও তাৰ কিছু অলঙ্কাৰ আমিও ব্যৱহাৰ নকৰিব পাৰো। বৰ্ত্তমানে আমাৰ সঙ্গীতত পাশ্চাত্য সঙ্গীতৰ কিছু উপ-ৰুৰা আৰু সস্তীয়া অনুকৰণ চলিছে। এইবোৰ সাময়িক ঢৌ বুলি মই ভাবো। এক শ্ৰেণীৰ লোকৰ পাশ্চাত্য সঙ্গীত প্ৰীতিও কেতিয়াবা দেখা যায়। কিন্তু ইয়াৰ কিমানখিনি খাঁটি আৰু কিমানখিনি নিজকে কিবা এক প্ৰকাৰৰ Cultured বা সংস্কৃতিমান বুলি চিনাকী দিয়াৰ হাবিয়াস বুজিবলৈ টান। কিয়নো যি সকলে নিজৰ সঙ্গীতৰ বিষয়েই প্ৰাথমিক জ্ঞান লাভ কৰিব পৰা নাই, – তেওঁলোকেই আকৌ কোনো প্ৰশিক্ষণ নোহোৱাকৈ পাশ্চাত্য সঙ্গীতৰ ৰস গ্ৰহণ কৰে কেনেকৈ ?

আমাৰ প্ৰশ্ন (৯)—আপুনি আমাৰ কলে-জলৈ পোনতে আহোঁতে কলেজখনত এটি উৎকৃষ্ট সাংস্কৃতিক বাতাবৰণৰ ( Cultural Atmos-phere ) সৃষ্টি হৈছিল আৰু আপোনাৰ অনু-প্ৰেৰণাতে এই ক্ষেত্ৰত কলেজৰ বুৰঞ্জীত এটা নতুন অধ্যায়ৰ সৃষ্টি হৈছিল কিন্তু আমি কলে-জলৈ নবাগত হিচাপে অহাৰ পিছৰে পৰা এই ক্ষেত্ৰত আপোনাৰ নিৰবতা দেখি আমাৰ প্ৰত্যেকৰে মনত কৌতুহলৰ সৃষ্টি হৈছে। আপোনাক আকৌ কেতিয়াৰ পৰা এই ক্ষেত্ৰত সক্ৰিয় হৈ পৰা দেখিবলৈ পাম ?

* ছাৰৰ উত্তৰ :—এইটো মোৰ কাৰণে বৰ অস্বস্তিকৰ প্ৰশ্ন হৈছে আৰু তোমালোকৰ শিক্ষক কাৰণেই বোধহয় মোক তোমালোকে বেছিকৈ তুলি ধৰিছা। আচলতে মই প্ৰথমে কলেজৰ কামত যোগ দিওঁতে এদল বৰ উৎসাহী আৰু প্ৰতিভাশালী ছাত্ৰ-ছাত্ৰী পাইছিলো। ময়ো তেতিয়া এতিয়াতকৈ ডেকা আছিলো আৰু উৎসাহ উদ্দীপনা আছিল প্ৰচুৰ। তাৰ পিচতে মোৰ ব্যক্তিগত জীৱনত অপ্ৰত্যাশিত-ভাবে কিছুমান আঘাত আৰু আহুকাল আহিল যি বিলাকৰ কথা মই ইয়াত কবলৈ ইচ্ছা নকৰো। আনহাতে ক্ষন্তেকীয়া উলাহেৰে কৰা আনন্দ-উৎসৱবোৰৰ সৰ্ব্বকালীন সাৰ্থকতা সম্প-ৰ্কেও মোৰ মনত সন্দেহ উপজিল। শিক্ষক হিচাবে আমাৰ কলেজত শিক্ষা আৰু কলা সাধনাৰ মাজত সকলো ফালৰে পৰা সমন্বয় সাধনৰ চেষ্টাৰ তীব্ৰ অভাৱ মই অনুভৱ কৰিলো। লগতে কলেজৰ সকলো স্বৰতে অনুশাসন আৰু নিয়মানুবৰ্ত্তিতাৰ অভাবে মোক হতাশ কৰিলে। এনে অৱস্থাত কেৱল শিক্ষা-দানৰ বাহিৰে কলেজৰ আন কোনো কাৰ্য্যৰ প্ৰতি মোৰ আগ্ৰহ আৰু উৎসাহ ক্ৰমে টুটি আহিল। সেয়েই বোধ হয় মোৰ নিৰৱতাই

তোমালোকৰ মনত কৌতুহলৰ সৃষ্টি কৰিছে। কিন্তু এতিয়াও, যেতিয়াই ছাত্র-ছাত্রীসকলে আন্তৰিকভাৱে আৰু সদিচ্ছাৰে মোক বিচাৰিব তেতিয়াই তেওঁলোকৰ সকলো সাংস্কৃতিক কাৰ্য্যতে মই সক্ৰীয় সহযোগ কৰিম। —মৰম কৰি মোৰ এইখিনি খবৰ লোৱাৰ বাবে তোমালোক দুয়োজনকে মোৰ অন্তৰৰ মৰম আৰু ধন্যবাদ জনাইছো আৰু আশা কৰিছো যে অসমৰ সাহিত্য সংস্কৃতিৰ ক্ষেত্ৰলৈ ভবিষ্যতে তোমালোক দুজনেও আপুৰুগীয়া বৰঙণী আগবঢ়াব পাৰিবা।

* সুন্দৰৰ বৰচ'ৰাত কানৈয়ান ॥

*পাঠক বন্ধু-বান্ধৱীসকললৈ এটি খবৰ আনন্দেৰে আৰু গৌৰৱেৰে দিবলৈ ওলাইছো। যোৱাবাৰ আমাৰ এই চ'ৰাৰ পৰিচালক হেমন্তদাই (হেমন্ত কুমাৰ দত্ত) কানৈ কলেজৰ ৰঙ্গমঞ্চৰ পৰা অসমীয়া বোলছবি জগততো কৃতিত্বৰ সতে পদক্ষেপ কৰিছে। ব্ৰজেন বৰুৱাৰ পৰিচালিত প্ৰথম অসমীয়া ৰহস্য ছবি 'ড: বেজবৰুৱাৰ' তেখেতে 'ক'লা নিৰ্দ্দেশক (Art Director) হিচাবে সাফল্যৰ স্বাক্ষৰ বহন কৰিছে। তেখেতৰ এই সাফল্যত আমাৰ চ'ৰাৰ হিয়াভৰা অভিনন্দন আৰু আন্তৰিক শুভেচ্ছা যাচিলো।

* * * *

যোৱা বছৰৰ 'কলেজ সপ্তাহ'ৰ [২৪তম বাৰ্ষিক]
বিজয়ী সুন্দৰসেৰী সকল।

শ্ৰেষ্ঠ গায়ক— মুনিন দত্ত।

শ্ৰেষ্ঠ অভিনেতা – দিক্ষাব্ৰত বিশ্বাস।

শ্ৰেষ্ঠা অভিনেত্ৰী – অঞ্জলি সোনোৱাল।

শ্ৰেষ্ঠ একাঙ্ক নাট—

এইবাৰ কলেজ সপ্তাহৰ (২৫তম বাৰ্ষিক]
বিজয়ী সুন্দৰ সেৰীসকল ॥

শ্ৰেষ্ঠ গায়ক— পূৰবী চলিহা। } যুটীয়া
অঞ্জলী বৰুৱা } সন্মান

শ্ৰেষ্ঠ অভিনেতা—চেহিব আহমেদ।

শ্ৰেষ্ঠ অভিনেত্ৰী – অঞ্জলী সোনোৱাল।

শ্ৰেষ্ঠ একাঙ্ক নাট—'তেজে ৰোৱা ধান ॥

# নিৰুপায়

শ্ৰীভুবন বৰপাত্ৰগোহাঁই
চেকেণ্ড ইয়েৰ বি, এ ।

( চৰিত্ৰ )

(১) মাক
(২) দিব্যজ্যোতি শইকীয়া— ( এজন ডেকা গ্ৰেজুৱেট )
(৩) পুলিচ ইন্সপেক্টৰ ।
(৪) কনিষ্টবল দুজন ।

( শোৱাকোঠা, এখন বিচনাৰ ওপৰত মাকে শুই থাকিব। বিচনাৰ কাষত ঘূৰণীয়া টেবুল ; টেবুলৰ ওপৰত পানী এঘটি, এটা গিলাচ, চামুচ এখন আৰু দৰবৰ বটল দুটামান, বিচনাৰ তলত মূৰ শিতানৰ ফালে এটা চৰিয়া। বেৰত কেইখনমান ফটো অৰা থাকিব । বিচনাত মাকে কেকায় কেকায় থাকিব আৰু মাজে মাজে ভ্ৰম বকিব— দীপ ··· .... দিব্যজ্যোতি নিৰাশ ভাবেৰে সোমাই আহি মাকৰ কাষত বহিবহি। )

মাক— ( কেকায় কেকায় ) তোৰ কিবা এটা ঠিক হলনে দীপ তই যে ইমান শুকাই আহিছ কিবাখালিনে নাই। উহ্ দীপ ।

দিব্যজ্যোতি— মই খাম মা তই চিন্তা নকৰিবিচোন ( মূৰত মালিচ কৰি দিয়ে ) মোৰ এতিয়াও একো হোৱাগৈ নাই মা । বহুতেই অৱশ্যে আশা দিছে। প্ৰয়োজন হলে পাচত জনাম বুলিও কৈছে ( অলপ ভাবি ) তোৰ দৰব খোৱা হলনে মা ? ( দৰবৰ বটলতো দাঙি ধৰে গিলাচত ঢালিবলৈ লৈ ৰৈ যায় , খালি বটলতো চকুৰ আগলৈ দাঙি ধৰে। বটলতো লৈ বহুত সময় কিবা ভাবি থাকে, দিব্যজ্যোতিৰ দিনটোৰ ঘটনাবোৰ মনত পৰিব )

কথাখিনি মাইকেৰে কব লাগিব ।

Back ground......"মিষ্টাৰ দিব্যজ্যোতি শইকীয়া আমি আপোনাক দুখেৰে জনাওঁ যে, এতিয়াতো আমাৰ অফিচত তেনে বিধৰ কোনো কাম খালি নাই। যদি ইতিমধ্যে কাম ওলায়

তেতিয়া বাৰু খবৰ দিয়া হব। এতিয়া আপুনি যাব পাৰে।”

………“মিষ্টাৰ শইকীয়া আমাৰ অফিচত মানুহ এজন লাগে। কিন্তু অফিচাৰ জন এতিয়া ছুটিত আছে, গতিকে অফিচাৰ আহিলে আপুনি এবাৰ খবৰ কৰিব পাৰে। যদি মানুহ লয় তেতিয়া হলে আমি বাৰু আপোনাক দিবলৈ চেষ্টা কৰিম— অফিচাৰ তেখেতে ডেৰমাহৰ ছুটিত গৈছে কোনোবা খুলখালীয়েকৰ বিয়া বোলে· ……..”

“……চাওঁক দিব্যজ্যোতি শইকীয়া ইয়াত তো আমাৰ তেনে কোনো হাতেই নাই, ইন্টাৰ ভিউত এজন লৰা কোৱালিফাইড্ বুলি চিলেক্ট কৰিছে। তাৰোপৰি তেওঁ অফিচাৰৰ ঘৈণীয়েকৰ ফালৰ কিবা সম্বন্ধও, গতিকে আমাৰ আৰু উপায় নাই। আপুনি বেয়া নাপাব, ইয়াৰ পিচত যদি আৰু প্ৰয়োজন হয় আপোনাক খবৰ দিয়া হব আৰু আপোনাক First preference দিয়া হব।

“ৰাৰু শইকীয়া আপোনাৰ combination কি কি আছিল। History আৰু political Sciencece এহ্ আমাৰ অফিচাৰে আক' Economics graduate এজনহে লাগে বুলি কৈছে। তাকো গান গাবও জানিব লাগিব, কাৰণ অফিচাৰৰ ছোৱালীজনীক গান শিকাবও পাৰিব লাগিব। আপোনাৰ টাইপৰ Deploma আছে নহয়, হব দিয়ক………।”

“আচ্ছা, দিব্যজ্যোতি বাবু, আমাৰ গোলাততো বহুত কাম আছে। আমাৰতো মানুহ একজন লাগেই। আগৰ জনক আমি খেদি দিছো। অলপ মৎলবি আছিল। তবে আমাকে Experience থকা একজন পালে অলপ ভাল হয়, কাৰণ আমালোকৰ কামতো আপুনি জানেই বহুত accounce কৰিব লাগে। Handwriting ও ভাল হব লাগে। বাৰু আমি আগেয়ে experience থকা থকা মানুহ এজন বিচাৰো যদি নাপাওঁ তেতিয়া আপোনাক মাতিম। বেয়া নাপাব দিব্যজ্যোতি বাবু।

“……… মি্ শইকীয়া candidate কেইবাজনো হৈছে। তাৰোপৰি বি, টি দুজনমান আহিছে। সেইকাৰণে আমি ডি, আইক আনি interview লম বুলি ভাবিছো। আপোনাৰ application থন থৈ যাওক বাৰু অহা মাহৰ middle তে interview কে পাতিম।”

…. ..আৰে দিব্যজ্যোতি বাবু আপনিতো আজকাল খুব ঘুৰিছে। আপনাকে লগ পাবলৈ জি টান আছে। মইতো আপনাৰ ঘৰলৈ গৈয়েই আছো। টাকাতো বহুত দিন হৈ গল। নকৰি মিলিছে নেকি? অভি তক নাই? আপনিতো লিখা পঢ়া আছে কিউ নাহি হোঁগা, হোগা জৰুল হোগা। আচ্ছা দিব্যজ্যোতি বাবু একটা কথা আছে, মই ভাবিছো আপনাৰ ঘৰটো মোৰ জিম্মাত থাকক। আপোনাকে দৰকাৰ হলে টকা আৰু লৈ যাব কি আছে, আপনি পুৰণা মানুহ। চিনা জনা ভি আছে আপনি Sign কৰি দিলেই হব হেঃ হেঃ।

"সেইটো দীপ বোপা নহয়নে ? কলৈ যোৱানো ইমান লৰালৰিকৈ। ভাল বোপা ··· । মাৰাৰ অসুখ ভাল হৈছেনে ? ঔষধ পাতি নিয়মীয়াকৈ খুৱাইছা। ভালদৰে চোৱা তুমি এইহেন ডেকা লৰাটো থাকোতে মাৰাক আও মৰণে মৰিবলৈ নিদিবা বোপা·········।"

······ তুমি ডেকা লৰাটো ······ মাৰাক আওমৰণে মৰিবলৈ নিদিবা ··· ··· বোপা তুমি ডেকাটো ··· ··· মাৰাক মৰিবলৈ নিদিবা ······ চোৱা তুমি ··· ·· মৰিবলৈ নিদিবা মৰিবলৈ নোৱাৰা — — নিদিবা – ।

দিব্যজ্যোতি— ( চিঞৰি ) নিদিওঁ .... ···নিদিওঁ।

মাক— ( অস্পষ্ট ভাষাৰে ) কোন আহিছে দীপ উহঁ দীপ কোন।

দিব্যজ্যোতি— মা, মা কোনো অহা নাই। তই শুই থাক দেই মা। মই এখন Pharmacyৰ পৰা দৰব এটা আনি আহোঁগৈ।

( দিব্যজ্যোতি উঠি গৈ একাষত ওপৰা ওপৰিকৈ থকা Trank কেইটা খোলে )

মাক— তোৰ তাত জানো পইচা আছে দীপ

দিব্যজ্যোতি। আছে মা তই পইছাৰ চিন্তা নকৰিবিচোন মা। মই আছো নহয়। মই দৰব আনিম নহয়! তই ভাল হবিয়েই আৰু মোৰ চাকৰি হৈ গলেতো চিন্তাই নাই।

মাক— কালি কাবুলিটোও আহিছিল। তাক টকাখিনি সোনকালে ঘুৰাই দিব লাগে। নহলে সি বোলে কাছাৰিত কেচ লগাব। সুতে মূলে এতিয়াও বহুতখিনি বোলে।

উহ্ দীপ।

দিব্যজ্যোতি— কাবুলি ! ( ট্ৰাঙ্কতো আধাখোলা কৈ বৈ যায়, অলপ সময় কিবা ভাবে ) অ' সেই কাবুলিতো তাৰ টকাবোৰ মই আজি দি আহিছো আৰু অলপহে বাকী আছে ( ট্ৰাঙ্কতো খুলি এটা ফাইলৰ পৰা বহুতো কাগজ পত্ৰ উলিয়াই টেবুলত থয় ট্ৰাঙ্কতো খুলি থকা সময়ত কাবুলিটোৰ কথা মনলৈ আহিব। Back grouudত কথাখিলাক কব।

"...··· দিব্যজ্যোতি বাবু আপনিতো আজকাল ঘৰত নেথাকেই।" "আপনাক লগ পাবলৈ কি টান আছে। টাকাতো বহুত দিন হৈ গ'ল। নকৰি মিলিছে নেকি ? অভিতক নাই ? আপনি লিখা পঢ়া আছে কিওঁ নাহি হোগা, হোগা হোগা জৰুৰ হোগা। আচ্ছা দিব্যজ্যোতি বাবু এটা কথা আছে। মই ভাবিছো আপনাৰ ঘৰটো আমাৰ জিমাত থাকক। আপনাক দৰকাৰ হলে টকা আৰু লৈ যাব কি আছে। আপনি চিনা-জনা পুৰণা মানুহ আছে। আপনি Sign কৰি দিলেই হল।

দিব্যজ্যোতি— ( চিঞৰি ) Oh, — No—Ne—ver ( ফেঁাপাই ) I killed you—I kiled — you.

মাক— কি হ'ল দীপ ( মাকে উঠিবলৈ চেষ্টা কৰিব। দিব্যজ্যোতিয়ে ওচৰলৈ গৈ

আকৌ শুৱায় দিব। গাৰ কাপোৰখন ভালকৈ মেলি দিব।)

দিব্যজ্যোতি— তই কিয় উঠিছ মা, একো হোৱা নাই। ট্ৰাঙ্কত টকা কেইটামান আছিল তাকে উলিয়াইছো।

মাক— টকা কৰ পালি?

দিব্যজ্যোতি— টকা কেইটামান কেতিয়াবাই সোমাই থৈছিলো। পাহৰিছিলোৱেই মা, বাৰু মা তই অলপ শুই থাক। মই ফাৰ্ম্মাচীৰ পৰা বাৰ্লি আৰু ঔষধ লৈ আহিম। এই টেবুল খনতে পানী থৈ গৈছো দেই মা। (টেবুল খন একেবাৰে বিচনাৰ কাষলৈ চপাই আনে।)

মাক— বিৰ্ বিৰাই থাকে) দীপ, দীপ, পানী পানী (নিজে হেৰৈ উঠি পানী ঘটি তুলিবলৈ লওঁতেই বাগৰি পৰিব। পানী ঘটি বাগৰাই মাক আকৌ শুই পৰিব। অলপ পিচতে সপোন দেখি সাৰ পাব)

(একেবাৰে বিচনাত বহিব, চিঞৰি চাৰিওফালে চাব) দীপ দীপ ভাগৰত কান্ত ভাবে হাতখনত মূৰ থৈ কিছু সময় ভাবিব। তাৰ পাচত আকৌ শুই পৰিব। টোপনিতে বিৰ্ বিৰকৈ কিবা কৈ থাকিব। আকৌ কিছু সময় নীৰৱ।)

(পদুলিৰ পৰা চিঞৰি চিঞৰি লৰি লৰি আহিব দিব্যজ্যোতি। হাতত কাষলতিত বহুতো ধৰণৰ বটল, বাৰ্লিৰ টেমা, হৰলিকচ্ থাকিব। গাৰ চোলাটোত হাতত তেজৰ দাগ থাকিব।)

দিব্যজ্যোতি— (সোমায়েই) মা, চা তোৰ বাবে বাৰ্লি দৰব সকলো লৈ আহিলো। (অলপ হাঁহিব) মা, উঠ আৰু কোনো চিন্তা নাই। মা তই এতিয়া এইবোৰ দৰব খাই ভাল হৈ যাবি।

(দৰব আৰু বাৰ্লিৰ টেমাবোৰ বিচনাৰ ওচৰৰ টেবুলৰ ওপৰত থয় আৰু বিচনাত শুই থকা মাকক খুব তীক্ষ্ণ ভাবে নিৰীক্ষণ কৰিব।)

দিব্যজ্যোতি— মা, চাচোন মই তোৰ বাবে কি কি আনিছো। এইবাৰ তই আৰোগ্য হবি মা। সোনকালে ভালহৈ যাবি মা; মা (অলপ হাঁহি) এতিয়া আৰু টকাৰ চিন্তাও নহব মা। তই আৰু মইয়ে এতিয়া বহুত দিন নিচিন্ত মনে খাব পাৰিম, উঠ না মা।

মাক—(কোনোমতে সেহায় সেহায়) দীপ...... পানী।

দিব্যজ্যোতি— পানী খাবি মা, ৰবি আনি দিও। বাৰ্লি অলপ খাবি দেই মা।

(পানী আনিবলৈ দিব্যজ্যোতি ভিতৰলৈ যায় আৰু অলপ পাচত পানী লৈ ঘূৰি আহে।)

"ঘৰত কোন আছে— ঘৰত কোন আছে" (বাহিৰত কাৰোবাৰ মাত) কোনো মাত নাপাই ইন্সপেক্টৰ আৰু কনিষ্টবল দুজন ভিতৰলৈ সোমাই আহে। দিব্যজ্যোতি ঘপকৈ থিয় হয় নিজৰ

গাৰ তেজলগা কাপোৰলৈ চায়"।

ইন্সপেক্টৰ— মিঃ শইকীয়া, আপোনাৰ নামত এখন Warrent আছে। আপুনি পয় গম্বৰ খঁানক চুৰিৰে হত্যা কৰি টকা লুতি লৈ অহা ·· ···।

"মাকে কেকায় কেকায় পানী বুলি, দিব্য-জ্যোতিয়ে ইন্সপেক্টৰৰ কথালৈ কান নিদি বিচনাত বহি বহি মাকৰ মুখত পানী দিয়ে।")

দিব্যজ্যোতি— মা, তই যে আজি মোলৈ চোৱা নাই মা। মোক এবাৰ চা মা। মই যে কি হলো, চা-না-মা (আচৰিত হৈ মাকৰ মুখলৈ চাব) মা, মা, মা, খুউব জোৰেৰ চিঞৰি) মা...........।

(মাকৰ গাত পৰি জোৰেৰে কান্দিব)

ইন্সপেক্টৰ— আমাৰ সময় মুঠেই তাকৰ মিঃ দিব্যজ্যোতি শইকীয়া সোনকালে ওলাওক।

(দিব্যজ্যোতিয়ে মাকৰ মুখখন শেষবাৰৰ বাবে এবাৰ গভীৰ ভাবে চাই লব। তাৰ পাচত কাপোৰেৰে গোটেই মানুহজনীক ঢাকি দি ভৰিৰ ফালে সেৱা কৰি ইন্সপেক্টৰৰ লগত গুচি যাবগৈ।)

(আৰ কাপোৰ পৰিব)







Mr. Tarun Sen,
Best debator of
the year 68-69.



Miss A. Sonowal
Best actress of the
year 68-69.



Mr. N. dey,
Best actor of the
year 68-69.



'সেৱাগ্ৰাম' আশ্ৰমত
৺গান্ধীজীৰ পুত্ৰ,
ৰামদাস জী আৰু
তেওঁৰ পৰিবাৰ।



Mr. A. Chiring,
'Best thrower'
of our college
Session 68-69.




'ABHINAY' Best DRAMA of the year 68-69 of our College.

Part played by ;
Sitting ( L to R )
Mr. Ashok Lahiri, Mr. Dikshabrata Biswas, Mr. Ashit Das.
Standing ( L to R )
Mr. Ranjit Kr. Deb. Mr. Swapan Kr. Deb, Mr. Ashutosh Roy ( Director and Manager ), Dilip Chakravorty.




Mr. S. N. Tiwari,
8th position in
P.U. Sc. Exam.
D.U. 1969.



'সেৱাগ্ৰাম' আশ্ৰমত
ৰামদাসজীৰ সৈতে আমাৰ কলেজৰ
কেইজনমান ছাত্ৰৰ সাক্ষাৎ
( গ্ৰহণ কৰিছে সোণধৰ বুঢ়াগোহাইয়ে )



Mr. D. Konwar,
Best Athlate of
this year 68-69.



চেনাই ঐ

আজি পৃথিবীৰ সাধাৰণ মানুহৰ বিভিন্ন স্বপ্নত
আশ্চৰ্য্য উন্মাদনা বাস্তৱ বিস্তৃতিৰ
বাস্তৱ সত্তাৰ সূৰ্য্য অস্তমিত—
সাগৰো বিক্ষুব্ধ—মোহ অস্থিৰ জিজ্ঞাসু
গজদন্ত মিনাৰৰ স্বপ্নত—
বিচিত্ৰ আস্বাদ মুক্ত কপাল ধৰিত্ৰীৰ হিয়া

কবিতা

প্ৰাক্তন ছাত্ৰ।

পৃথিবী নতুন হব?
"সজাল ধৰা সেউজীয়া বোন্না
কিমান তৃপ্তি ....

# চেনাই ঐ টোপনি নধৰে শুই

আজি পৃথিৱীৰ সাধাৰণ মানুহৰ বিভিন্ন স্বপ্নত
আশ্চৰ্য্য উন্মাদনা বাস্তৱ বিস্তৃতিৰ
বাস্তৱ সত্তাৰ সূৰ্য্য অস্তমিত—
সাগৰো বিক্ষুব্ধ—মোহ অস্থিৰ জিজ্ঞাসু
গজদন্ত মিনাৰৰ স্বপ্নত—
বিচিত্ৰ আস্বাদ মুক্ত কপাল ধৰিত্ৰীৰ হিয়া
আজি সভ্যতাৰ মৰম সত্তাৰ বাটত
জাবৰ পেলোৱা খাঙ।
ধনীয়েই ধনী হল। পৰীৰ নাচোন ৰঙা নীলা
ৰাজ অট্টালিকাত।
কত ৰূপহী
সেউতী মালতীৰ
ৰূপৰ যৌৱনৰ অভাৱৰ পৰশ!
সন্ধকণৰ গৰুহাল
চৰকাত মৰিল
ভাদত বান পানী আহিল······চৰকাৰৰ টোপনি?
জামগুৰি গাঁৱৰ চকুপানী!!
বিদ্ৰোহী স্বপ্নবোৰ ধোৱাৰে ধুৰলি
অচিন সুৰৰ মন্দাক্ৰান্তাৰে
সংস্থানকামী যাত্ৰা চকুৰে নিৰীক্ষণ কৰে
সময়ৰ মূৰলীত
সাহস আৰু উদ্দীপনা বন্ধ্যা বেদনা!
নিষ্ঠুৰ কটাক্ষত অৱসান সৰস সজল
কোনে কয় বিজয় যাত্ৰাৰে
পৃথিৱী নতুন হব?
"সজাল ধৰা সেউজীয়া বোৱা
কিমান তৃপ্তি ····

পদ্ম বৰ গোহাঁই,
প্ৰাক্তন ছাত্ৰ।

সৃষ্টিৰ মিলন শকুন্তলা
সৃষ্টিৰ সম্ভবা।"
সাধাৰণ মানুহৰ বিপুল প্ৰচেষ্টা
জীয়াই থকাৰ সঞ্চিত
প্ৰতিক্ৰিয়া -- আৰু প্ৰগতিৰ
অনাগত ভবিষ্যৰ সূৰ্য্যস্নাত ৰেঙনিত
অৱসাদ ক্লিষ্ট!
স্বপ্নৰ কুহক!
যৌৱনে ৰিঙিয়াই
বাজেটৰ মোহনা মুখত
নিবনুৱা সমস্যা—খাদ্য সমস্যা—জীয়াই থকা স্বপ্নত
নিমিলা অঙ্ক……বিষাদ বেদনা……।
কেচা গাভৰুৰ প্ৰেমে
হিয়া উঠলায়—গীতৰ কাকলি
কঙাল উলাহ ...
কথা ৰাখিব নোৱাৰি……
খোপাৰ ডালিম ফুল
মৰহি যায়;—
যৌৱনৰ উপকণ্ঠ
সৰ্পিল. মূৰ্চ্ছনা
পৃথিৱীৰ মাথো কেচা উম।
চেনাই ঐ টোপনি নধৰে
টোপনি নধৰে শুই……
আওপকীয়া দৃষ্টিপাত
পনিপাত্ত আৱৰ্ত্ত—জটিল সাঁথৰ
সময়ৰ সমস্যা—
কঙালে কান্দে……
চেনাই ঐ টোপনি নধৰে
টোপনি নধৰে শুই……।

# এটি নিশাৰ অন্তৰায়ত

টপ্‌....টুপ্‌...টুপুৰ.........।
শেষ নিশাৰ এটি নিয়ৰ টোপাল ;
ঘন নিস্তব্ধতা ভাঙি
চেঁচা বতাহ এজাক বলিছিল
শীতৰ কৃষ্ণা পঞ্চমীৰ জোনটো ভেতিয়া উঠিছে।

মৃত্যুমুখী জোনায়ে
থমকি বৈ পশ্চিমৰ আকাশৰ গাতে
কি বাক্ ভাৱে—
সত্য কি ? মানুহ নে পৃথিবী ?

চিন্তা নায়ক জিন্সৰ থিয়ৰি,
অৱহেলা কৰা নাই লেপ্‌লাচৰ মতবাদক।
সেয়া একেটা ডাইনেষ্টি।
দি প্লেনেট্‌চ্‌ ফেমিলি,
দি চ'লাৰ চিচ্‌টেম্‌।

জোন বিজয়ৰ সঁচা কাহিনীক লৈ
ওৰে নিশা চকুলো টোকা,
তৰা ফনিস্ক'ৰ
মৰমৰ সনা
ভাষা ;

"পৃথিবীৰ নতুন বসন্তৰ নাটিকাত
অম্লান তোমাৰ নায়কত্ব
চিৰ পৰিচিত মৰমী পৃথিবীক
হাজাৰ ৰঙেৰে—হেঙুলিয়া কৰিবা
জোন— (?)"

শ্ৰীইন্দ্ৰ গগৈ,
দ্বিতীয় বাৰ্ষিক কলা

ৰুদ্ধ কণ্ঠেৰে জোনে
প্ৰত্যুত্তৰ যাচে
"পৃথিবীৰ মানুহৰ অতিপাত মৰমেৰে
সাৰটিৰ খোজে মোক—
শংকা হয়।"

পৃথিবীৰ দৰেই যদি মোৰ বুকুতো
সৃষ্টি হয়—মানুহৰ যুদ্ধ,
মানুহৰ দুৰ্ভিক্ষ,
মানুহৰ হাহাকাৰ—!

পাৰাপাৰ হীন মানুহৰ চিন্তা,
অনুভূতি হীন ব্ৰহ্মাণ্ডৰ আচনিয়েদি,
হাজাৰ পুৰুষৰ ধাৰণাৰ সীপাৰে
এইয়া মানুহ! এইখন পৃথিবী!
এইটো অৱসানৰ বেলিকা
শত্তিকা 'কুৰি'ৰ

টপ্ টুপ্ টুপুৰ………।
নিয়ৰ সৰিছে—,
কোনোবা এজনী পখীয়ে
প্ৰভাতি স্বৰত স্তুতি গীত জুৰিলে
সেয়া স্তুতি-গীত, পৰম ব্ৰহ্ম-নিয়ন্তা জনৰ।
যাৰ সৃষ্টি এয়া দি মিষ্টেৰিয়াচ্ (হনিয়া) ওৱৰ্ল্ড'।

# ॥ সৃষ্টি ঃ সপ্তম দিনৰ পাচত ॥

শ্ৰীলক্ষেণ শইকীয়া
৩য় বাৰ্ষিক ক'লা ।

স্বৰগ আৰু পৃথিবী—
শূন্যলৈ আহি ভগৱানে চিঞৰি কলে,
গভীৰ এন্ধাৰত এক জলাশয়, ভগৱানৰ দৃষ্টে বিচৰণ কৰে
পৃথিবী তেতিয়া চেতনাহীন, গভীৰ নিদ্ৰাত।

'Let there be light'— ভাত পোহৰ হ'ল,
ভগবানে দুই হাত মূৰৰ ওপৰলৈ তুলি ভোৰভোৰালে
অসহ্য জোনাকত ভগবানৰ চেতনা হল
পৃথিবীক এন্ধাৰো প্ৰয়োজন
জোনাক হ'ল দিন আৰু এন্ধাৰ হ'ল ৰাতি
—এক মধুৰ সম্ভাষণ সৃষ্টিৰ প্ৰথম দিন ঃ পুৱা আৰু গধুলি।

আকাশ ভগবানৰ অপূৰ্ব্ব সৃষ্টিত স্বৰগ হল
পানী আৰু আকাশ স্থিৰ হৈ ৰ'ল গধুলি আৰু পুৱা
ভগবানে সন্তুষ্টিৰে হাঁহিলে—এয়া দ্বিতীয় দিন!

ভগবানৰ উদাৰ হাতেৰে একঠাই কৰিলে
সিচৰিত হৈ থকা সীমাহীন জলাশয়
কৰবাত পৃথিবী মৰুভূ হল শুকান বালি আৰু বালি
সেয়া পৃথিবী আনখন সাগৰ;
পৃথিবীত অসংখ্য খাঁহৰ সৃষ্টি হল গছ-গছনি
—এয়া তৃতীয় দিন আহাৰৰ ফুল ফুলিল।

অকো ভগবানৰ দৃষ্টিত আকাশ পোহৰ হ'ল, স্বৰগ হ'ল
স্বৰগৰ পোহৰেৰে পৃথিবী প্ৰতিভাত হল ছুটি ৰশ্মি ঃ

শক্তিশালী ৰশ্মিৰে দিনক পৰিচালনা কৰিলে
আনটো নিঃকিন পোহৰে এন্ধাৰকে সাৰটি ধৰিলে,
ঋতুৰ পাৰ্থক্যেৰে দিন ৰাতিৰ বিভেদ আনিলে
কৰবাত ছিত্তিকি পৰা পোহৰৰ ৰশ্মি কণাই
ভগবানৰ অনন্ত অক্ষয় দ্বীপ্তি তৰা
চতুৰ্থ দিনত ভগবান পৰম বিশ্বাসত বুৰ গ'ল।

ভগবানৰ মূৰত অদ্ভুত চিন্তাই বাহ ললে...
এতিয়া সকলো হ'ল তথাপিও কিবা যেন নাই নাই
পঞ্চম দিনা জীৱৰ সৃষ্টি হ'ল, কুকুৰা চৰাই উৰিলে
ভগবানৰ পৰম আশীৰ্ব্বাদ—'তহঁতৰ বংশ বৃদ্ধি হওক'।

ভগবানৰ মগজুত নিগনি দাতেৰে কিলবিলাইছে
—আৰু যদি বংশ বৃদ্ধি কৰা যায়!
জন্তু, সৰীসৃপ সৃষ্টি হ'ল!
ওহোঁ—নৰৰ সৃষ্টিত সৰ্ব্বাধ
নৰক অগ্ৰাধিকাৰ, কুকুৰা চৰাই জন্তু, সৰীসৃপ, পানী-বায়ু।

উচ্চ ভাবজাত নৰ মানুহ,
ষষ্ঠ দিনত নৰ পৃথিৱীৰ সৃষ্টিৰ গৰাকী
মই সৃষ্টিকৰ্ত্তা : ভগবানৰ নিজকে উপলব্ধি হ'ল।

সৃষ্টিৰ সৃষ্টিত ভগবান বিমোহিত হ'ল
সকলো সৃষ্টি তেওঁৰ আজ্ঞাৱত
সপ্তম দিনা ভগবানে জিৰণি ললে।......

নাৰী তুমি কায়াহীণ ছায়াহীন ভগবানৰ জীয়াৰী
গুৰুৰ দেহৰ, নৰৰ বুকুৰ এডালি কামি হাড়ৰ।
এদিন মই পৃথিৱীৰ গৰ্ভত শুই আছো
তুমি ছায়াহীন কায়াহীন
ভগবান অদূৰত ছায়াত উপবিষ্ট
মোৰ বুকুত বিষ হ'ল, মই চেতনাহীন বিষলক্ষ
মোৰ বুকুৰ ওপৰত কামিহাড় এডালি

তেজেৰে লুতুৰি-পুতুৰি হৈ থিয় হৈ আছে
মোৰ যেতিয়া চেতনা আহে তুমি 'ইভ'।

মোৰ বুকুত জন্ম লোৱা
তুমি-মই অভিন্ন একক, একেখন দেহাৰ
এডালি কামি হাড়ৰ......।

....... Thou shalt not eat of it : for in the day that thou eatest thereof thou shalt surely die ......

পূৱ আকাশত উলমি থকা তুটুকুৰা শুকুলা ডাৱৰ
এতিয়া তেজগোৰা হ'ল—
ঠিক যেন প্ৰেয়সীৰ চুমাৰ ৰাগিত
ডাৱৰবোৰ তেজ হ'ল
জীয়া গাভৰুৰ তুখনি তেজোৱলা ৰঙা-গাল
ফাগুন দেহাৰ।

---

য'ত সত্য আছে তাতেই শুদ্ধ জ্ঞানো বৰ্ত্তমান। সত্যৰ অভাৱ হলে যথাৰ্থ জ্ঞান থাকিব নোৱাৰে। সেই কাৰণেই ঈশ্বৰৰ লগত চিৎ জ্ঞানৰ সম্পৰ্ক আছে।

শ্ৰীনাৰায়ণ শৰ্ম্মা।
২য় বাৰ্ষিক ( বিজ্ঞান )

# ৰূপান্তৰ

দিগন্ত বিয়পা এজাক পোহৰ
উৰি আহি মোক কলে
এইখন "মোৰ দেশ।
কোন সেইয়া—??
তন্দ্ৰামগ্ন চকু ছুটা জোৰ কৰি
মেলি দিলো, দেখিলো—
এজাক পোহৰ ॥
মনত পৰিল কৰ্ত্তব্য মোৰ
কৰি গলো ॥
কিন্তু—এইয়া কি ??
পোহৰ কেনি গল ??
দেখিলো, দিগন্ত বিয়পা
এজাক এন্ধাৰ—
মোৰ ফালে লৰৰি আহিছে।
ভয়তে মই চকু ছুটা মুদি দিলো ॥
তাৰ পিছত— — ??

# এটি গীত

কল্যাণ কুমাৰ দত্ত।
৩য় বাৰ্ষিক বিজ্ঞান শাখা

অ মোৰ পৰাণ পখিলা
বিষাদৰ মাজত তুমি
কিয়নো আহিলা।

ৰঙাহত পাখি মেলি
আকাশত উৰি উৰি
সোণালী সপোন মনত
কিয়নো নোলালা ॥

অ মোৰ পৰাণ পখিলা
বিষাদৰ মাজত তুমি
কিয়নো আহিলা।

বাহু যে তোমাৰ সেউজী বনত
কণ্ঠে যি গান মধুৰ মাতত
আনক দিব শান্তি;
বিষাদ গধুৰ ছন্দহীনত
যিথন গানেই বীনাৰ তাৰত
আনিল আজি ক্লান্তি ॥

বন্দীযেন ধৰা পৰি
পিঁজৰাত থাকি থাকি
শুকোৱা উদাস সুৰত
গাওঁতে ধৰিলা ॥

'অ মোৰ পৰাণ পখিলা
বিষাদৰ মাজত তুমি
কিয়নো আহিলা।
অ মোৰ পৰাণ পখিলা—,

# দুটি গান
## বহাগৰ

শ্ৰীলম্বেশ্বৰ চেতিয়া।
১মবাৰ্ষিক ক'লা।

মোৰ সৰীসৃপ গতিৰ অন্তৰালত
তোমাৰ সাক্ষাৎ যদিওবা এটি প্ৰহেলিকা মাথো
তথাপি,—
সুবিন্যস্ত মোৰ পথ এতিয়া।
জীৱনৰ তলসৰা মৰম বুটলিবলৈ
তোমাৰ প্ৰয়োজন অনুভৱ কৰিছো মই
অনাহূত বহাগৰ এই দুপৰ বেলাত। নহলে যে মৰম
জীৱনৰ কোনো মানে নাই।
এই একেই বহাগৰ দুপৰ বেলা
মৌনতাই কথা কৈছিল গাভৰু লাজুক ভাষা।
বং আক হঁাহিবে বোলোৱা
মুহূৰ্ত্তবোৰ হেৰাই গৈছিল
অলপ পাছতে।
মৰ্ত্তাহত এটি ম্লান আহি আহিছিল সুদূৰৰ
এজাক কান্দোন, অনাহাৰী অৰ্দ্ধহাৰী
কেতবোৰ অনাথ শিশুৰ।

## ইতিহাস

## আজিৰ যুগৰ

শ্ৰীপ্ৰাতস্ বৰ গোহাঁই।
প্ৰথম বাৰ্ষিক কলা

আমাকো চাকৰী লাগেঃ
স্ফূৰ্টিৰ বজাৰত
কৰ্ম্মৰ ভাও ধৰি জীয়াই থকাৰ বাবেঃ
পথাৰত কাম কৰি আমনি লগাৰ বাবেঃ
পাহাৰৰ শিলবোৰ টানহৈ যোৱা বাবে,
ক্লান্তিৰ মাজেদিয়ে, শান্তি পাবৰ বাবে,
আমাকো চাকৰী লাগে, জীয়াই থকাৰ ॥
নাঙলৰ ফালবোৰ ইমান নকলি হ'ল !
চনপৰা মাটিচোন বাবকে নোৱাৰি !
হাতবোৰ ইমান কোমল, টোচোন বহুত কুটিল !
বুঢ়া গৰুহাল ব'ক কিমান খুচিম !
বিদ্যালয়ৰ প্ৰমাণ পত্ৰই,
আমাকো নিৰ্দ্দেশ দিয়ক জীয়াই থকাৰ ।

একলব্য যুগৰ যুৱক,
আৰণ্যক মাথো উপদেশঃ
আজিৰ যুগটো মাথো জীয়াই থকাৰ—
থৈয়ামৰ সাকৰা কথাৰে ।
সেইবাবেইটো বাচিয়াৰ উপাধিয়ে
ভাৰতীয় যুৱকক পথৰ নিৰ্দ্দেশ দিয়ে জীয়াই থকাৰ ॥
পাৰিবনে কোনোবাই মূৰ্ত্তিক পূজা কৰি জীৱন গঢ়িব ?
আজি আৰু সেই যুগ নাই ।
দ্ৰোণক পূজা কৰি মানুহ হোৱাৰ ॥

—x—

# ॥ অৰুণজ্যোতি ঃ তোমাৰ বাবে ॥

[ সহপাঠিনী বান্ধৱী স্বৰ্গীয়া স্বপ্ৰভা ফুকনৰ অকাল মৃত্যুৰ কৰুণ স্মৃতিত। ]

...."পঞ্চত্তৰ লীন গল তৰুণী সুন্দৰী।
মধুৰ হাঁহিটি মাথো থাকি ৰল পৰি...॥"— বেজবৰুৱা।

শ্ৰীগুণেশ্বৰ সোনোৱাল।
তৃতীয় বাৰ্ষিক কলা।

অনুকম্পা তোমাৰ বাবে
অৰুণজ্যোতি....
অসহায় আমি ঃ
আকাশৰ প্ৰতিচ্যুত
অস্তগামী সূৰুযৰ
হেঙুলীয়া শোভাবোৰ
আমি কিয় নোৱাৰোঁ ৰুধিব ?
আমি মাথোন সীমাৰ ইপাৰে
সীপাৰৰ অনন্ত ৰহস্য স্বৰ
কানপাতি ক্ষান্ত হওঁ—
বুজা কিম্বা নুবুজাৰ প্ৰশ্ন
.....আমি মাথোন ক্ষয়িষ্ণু শৰীৰী

দেহৰ অবসান....
হব পাৰে।
পঞ্চভূত বিনাশত
কাৰুণ্যৰ কিয়বা কাৰণ ?
মধুময়, প্ৰভাময় আত্মাযে অমৰ
মৃত্যুয়ে জয় কৰে কাক ?
পিঞ্জিতৰ জয়মাল্য ?...
অসত্য অসত্য
সত্য মাথোন মৰণৰ
ব্যৰ্থ প্ৰয়াসৰ।
অৰুণজ্যোতি ! তুমি ধ্ৰুব
তুমি সত্য অক্ষয় অব্যয়।

জন্ম আৰু মৰণৰ এই ইন্দ্ৰজাল
সৰগ আৰু মৰতৰ
মহাশূণ্য জুৰি
প্ৰতিধ্বনি তাৰ।
সহযাত্ৰী ?
অসত্য নহয়;
ভ্ৰাতৃত্ব- ভগ্নীত্ব ?
সত্ত্য সত্য মহাসত্য
মানবীয়তাৰ।
ভাৰতীয় দৰ্শনৰ সুৰ ঃ
তুমি ব্যাপ্ত আছা
জলধিৰ অক্ষয় কণাত
সূৰুযৰ আৰক্ত শিখাত
মলয়াৰ মৃদুল গতিত
আকাশৰ দূৰ-নীলিমাত
আৰু আছা—
শূণ্যতাৰ ওম্‌কাৰ ধ্বনিত।
অকৃত্ৰিম প্ৰীতিৰ অঞ্জলি
অৰুণজোতি ! যাচিলো তোমাক
আমি মাথোন সীমাবদ্ধ
ক্ষয়িষ্ণু শৰীৰী।
....তুমি ব্ৰহ্মব্যাপ্ত
সীমা আৰু অসীমত
তুমি আছা—
...তুমি থাকিবা।

-ঃ×ঃ-

# দুটা নিশা আৰু উপলব্ধি
## দুজনী গাভৰুৰ

শ্ৰীযতীন্দ্ৰ নাথ গগৈ

(১)

॥ নববধুৰ প্ৰথম নিশাৰ উপলব্ধিৰে ॥

বহু প্ৰতীক্ষাৰ, কামনাৰ, পৰম প্ৰত্যয়ৰ
এইয়া এক মধুৰ আশ্ৰয়,
দুখন সৰল পুৰুষ হাতৰ আবেষ্টনীত
এটা ৰোমাঞ্চিত দেহ ।
দুৰু দুৰু কঁপা এখন হৃদয় ।
মিঠা মিঠা পৰশৰ উম বিচাৰি কন্দা
এযোৰ কামনাৰঞ্জিত ওঠ
এজুৰি অৰ্দ্ধনিমিলিত চকুৰ পাহিত
গোটেই পৃথিবীৰ প্ৰশান্তিৰে আবদ্ধা এইক্ষণ
এই মধুচন্দ্ৰিকাৰ নিশা ।
এই নিশা প্ৰাপ্তিৰ মধুৰতাৰে স্বীকৃতি ঘোষণা কৰিলে
এজনী গাভৰুৱে । সাৰ্থকতাৰে পূৰ্ণ এই জীৱন ।
যুগ্ম জীৱনৰ স্বাক্ষৰ অংকিত হ'ল ।
জন্মদাত্ৰী নববধুৰ গৰ্ভৰ নিৰব কক্ষত আলফুলকৈ ।
গোটেই জীৱনৰ বহু আকাংক্ষিত
'মাছ' হোৱাৰ পথত প্ৰথম খোজ আগবঢ়োৱা ।
উপলব্ধিৰ ইঙ্গিতেৰে পূৰ্ণ
এজনী গাভৰু মনে প্ৰাণে নাৰী হ'ল
এই উপলব্ধিৰ আৰম্ভণিৰ অন্তত ।

# অন্য এটা নিশা ঃ
# এজনী অন্য গাভৰুৰ

(২)

অন্য এটা নিশা।
এটা নিষ্ঠুৰ নিশা।
এজনী গাভৰুৰ জীৱনৰ সাধনাৰ মহাধন
কৌমার্য্যৰ মৃত্যু হল।
পাই হেৰুৱাৰ বেদনাত এজনী গাভৰুৰ
অপমৃত্যু হল। সলিল সমাধি হল
যৌৱন জীৱনৰ।
অবাঞ্চিত, অনবিকাঙ্খিত এটা নগ্ন নিশাত
এটা দৈত্যৰ অশ্লীল কামনাৰ প্ৰস্তাৱনাৰে
মুকলি হল।
অনাগত হাজাৰ অশ্লীল নিশাৰ
সন্ধ্যা হৈ গ'ল সব স্বপ্ন
এজনী গাভৰুৱে তিল তিলকৈ গঢ়া।
এই সন্ধ্যা, এই আন্ধাৰত হেৰাই গ'ল
এখন কুসুম কোমল হিয়া
এজনী গাভৰুৰ জীয়া তেজৰ মায়া।
শেষ হৈ গ'ল গোটেই জীৱনৰ পৰা—
এটা সদ্য স্নাতা মৰম কোমল দেহ
এজুৰি সুউচ্চ বুকুৰ মৰম,
কৃষ্ণাঙ্গী এজুৰি আয়ত চকুত
দুটি পলাশ কোমল ওঠত লুকাই থকা
হাজাৰ চুমাৰে সেই এটা নিশা
বহু প্ৰতিক্ষাত মাথো এজনৰ বাবে
সাঁচি সাঁচি ৰখা।
জীৱন লালসাত এই যৌৱনক
ধুপকাঠিৰ দৰে জ্বলাই জ্বলাই
এটা অনাহুত অনিন্দ সুন্দৰ জীৱন
এটা সোণালী ৰঙৰ দেহ মাধুৰী
এজনী বীৰাঙ্গনা হবৰ বাবেই নেকি
এই পৃথিৱীত? এই মানুহৰ অসহ্য ভিৰৰ
কোলাহলত?
সত্য কোন?
ভগবানক লগ পালে এই গাভৰুৱে সুধিব
কোন সত্য?
তাই? সিহঁত?? নে ভগবানৰ সৃষ্টি???

শ্ৰীযজ্ঞেশ্বৰ গগৈ।
২য় বাৰ্ষিক (ক'লা)

# এটি অনুৰোধ

সোণপাহী লৈ

আজি মোৰ কবিতাত ছন্দ পতন হল
তথাপি কবিতা লিখোঁ ঃ
ৰজনী নিবিড় হল কল্পনা পটত মোৰ
কেতিয়াবা পশ্চিমত কাচি জোন ওলালে
মোৰ হৃদয়ত চিনাকি ছন্দেৰে
বাসন্তী ৰজনীৰ পৰঁতি পৰত
এধাৰী মালা গাঁঠিবলৈ
তুমি আহিবা, দেই সোণ-পাহী।
ফাগুনৰ ঝাউবনে পঁজা এটি সাজি থম
পাৰি থম পাপৰিয়ে আমোল-মোলাই ;
সিদিনা থমকি ৰই
চন্দ্ৰই চোৱ যাব, তোমাৰ মোৰ মিলনৰ
সন্ধিয়াটিৰ কথা।
কিন্তু, হঠাতে যদি
ফাগুণৰ পচুঁৱাই
ভাঙি যায় পজাঁটি সন্ধিয়াপৰত,
পৰি ৰলে তুমি আহি
প্ৰতীক্ষাৰে ৰিং মাৰি
মোক লৈ গায় যাবা
মলয়াই চুমি যোৱা কোকিল কণ্ঠেৰে
এটি সপ্পালো নিশাৰ
বাসন্তীৰ গান।
সেই গানৰ সেই সুৰ
কোনেও নুশুনে আৰু
সাঁচি থম কবিতাৰে
মাথোঁ হৃদয় উপচায়।

আকৌ :—

কেতিয়াবা সেই ফাগুনৰ পচুৱাই

বেৰ ভাঙি সোমাই আহি

খেলি মেলি কৰে।

সেই দিনাই বতাহতে

বিঙিয়াই কৈ যাম

মুচুৰা মুচুৰা মোৰ

কবিতাৰ বোল।

তেতিয়াই কৈ যাম

বাউলী বতাহে যদি

যৌৱনৰ প্ৰান্তৰত অভিসাৰ আনে ;

সেয়ে এটি অনুৰোধ-'ফাগুনত' নাহিবা, —সোণপাহী।

ৰজনী নিবিড় হ'ল কল্পনা পটত মোৰ

কেতিয়াবা পশ্চিমত কাচি জোন ওলালে

মোৰ হৃদয়ত চিনাকি ছন্দেৰে

বাসন্তী ৰজনীৰ পুঁৱতী পৰত

এধাৰী মালা গাঁঠিবলৈ

তুমি আহিবা, তেতিয়া-তেতিয়া সোণপাহী !

—০×০—

# সূৰ্য্যমুখীৰ অলস হাঁহি

উপমা দত্ত,
২য় বাৰ্ষিক বিজ্ঞান।

.........মনে বিচৰা বস্তুটো যদি সকলোৱে পালেহেঁতেন, তেনে হলে পৃথিবীত ব্যৰ্থ বেদনা বোলা কোনো বস্তু নাথাকিলহেঁতেন। কিন্তু নোপোৱাটোৱেই যে স্বাভাবিক। সেইবাবে মিনাক্ষীয়ে

...।

গল্প

# সূৰ্য্যমুখীৰ অলস হাঁহি

উপমা দত্ত,
২য় বাৰ্ষিক বিজ্ঞান।

.........মনে বিচৰা বস্তুটো যদি সকলোৱে পালেহেঁতেন, তেনে হলে পৃথিৱীত ব্যৰ্থ বেদনা বোলা কোনো বস্তু নাথাকিলহেঁতেন। কিন্তু নোপোৱাটোৱেই যে স্বাভাবিক। সেইবাবে মিনাক্ষীয়ে নাপালে...... নাপালে চন্দনেও......। ......।

দুৱাৰখন খুলি চন্দন বাৰান্দালৈ ওলাই আহিল। অৰ্থহীন ভাবে এবাৰ বুকুত হাতখন ৰাখিলে চন্দনে। অনুভৱ হ'ল শূন্যতাৰে যেন ভৰি পৰিছে বুকখন। কি যেন হেৰাই থাকিল। চকু দুটা ইমান পুৰিছে! বুজাব নোৱাৰা কিবা এক গভীৰ বেদনাই যেন ক্ৰমে গ্ৰাস কৰিব খুজিছে চন্দনৰ ৰিক্ত হৃদয়তলিক। আৰু সেই খিনি বেদনাকে নিজৰ উকা জীৱনটোৰ মাজলৈ' অৱলম্বন হিচাবে সুমুৱাই ৰাখিব খুজি চন্দনে এবাৰ সহজভাবে বাহিৰলৈ চালে।

পুৱাৰ পোহৰখিনি হেলনীয়াকৈ আহি বাৰান্দাত পৰিছেহি। বাৰান্দাৰ পৰা আৰম্ভ কৰি গেটৰ কাষলৈকে দিয়া বিৰাট পেণ্ডেলৰ তলখন তামোল-পান, ছিগাৰেটৰ টুকুৰাৰে সিচৰতি হৈ আছে। গেটৰ দুকাষত কলপুলি দুটাত দিয়া আমডালিডাল এফালে ছিঙি ওলমি আছে। যোৱা নিশা সেইডাল আমডালিৰ তলেদিয়ে এজাক উৰুলিধ্বনিৰ মাজত বেদনা, চকুপানী আৰু এটা জীৱনৰ অসম্পূৰ্ণতা চন্দনৰ বাবে ৰাখি থৈ মীনাক্ষী গুচি গৈছে।

মীনাক্ষীক আপোন কৰি ল'ব নোৱাৰাৰ অক্ষমতাৰ বেদনাখিনিয়ে এই মুহূৰ্ত্তত চন্দনক বৰ বেয়াকৈ চুই গ'ল। উদাস শূন্য চাৱনিৰে চন্দনে হোমৰ সিচৰতি হৈ থকা, খৰি কেইডাল ছাইখিনিলৈ চাই থাকিল বহুসময়। সেইবোৰ চাই চাই সময়ত চন্দনে বাৰে বাৰে ভাবিলে তেওঁৰ মনৰ মাজত ক্ৰমে ঠাই কৰি লোৱা এই বিশাল শূন্যতাখিনিয়ে, এই গভীৰ বেদনাখিনিয়ে যেন কোনোদিন মীনাক্ষীৰ জীৱনৰ পৰিধি চুই যোৱাৰ অপচেষ্টা নকৰে। মীনাক্ষী আঁতৰি যোৱাৰ, চন্দনৰ জীৱনৰ পৰা মীনাক্ষী হেৰাই যোৱাৰ এইখিনি বেদনা চন্দনৰ সম্পূৰ্ণ নিজৰ ইয়াৰ মাজতে চন্দনে তেওঁৰ অতীতটোক বিচাৰি চাব, কিন্তু মীদাক্ষীৰ জীৱনত তাৰ ছাঁ যেন কোনোদিন নপৰে।

পুৰাৰ কোমল ৰ'দখিনিৰ মাজত থাকি নিঃসঙ্গতাৰ সুৰুঙাৰে চন্দনে ভাবিছিল। এটা দীঘল ছাঁই সৰু বাৰান্দাখনৰ বহুতখিনি ঠাই অধিকাৰ কৰি আছিল। নিজৰ সেই ছাঁ চাই চাই চন্দনে অসংযত চুলিখিনিৰ মাজত আঙুলিবোৰ লাহে লাহে সুমুৱাই দিলে। নিজকে বৰ অৱশ যেন লাগিল চন্দনৰ।

* * * *

ঃ অনু!

ঃ কি মিনুবা?

ঃ এটা কাম কৰি দিবি?

ঃ কোৱা মিনুবা।

ঃ এবাৰ চন্দনদাক মাতি দেচোন। কবি মই মাতিছো।

অনু দৌৰি ওলাই গ'ল কমৰ পৰা। মীনাক্ষী বিছনাৰ পৰা উঠি আহি খিৰিকীৰ কাষত থিয় হ'ল। বুকুখন ইমান বিষাইছে! সেই বিষ, সেই বেদনাই যেন মীনাক্ষীৰ সৰু বুকুখন টুকুৰা-টুকুৰ কৰি ভাঙি পেলাব।

আবেলিৰ পাতল ৰ'দখিনি আহি মীনাক্ষীৰ পিঠিত পৰিছেহি। বিবাট, ডাঙৰীয়া ঘৰটোৰ ওপৰৰ একেবাৰে কাষৰ এই কমটোত মীনাক্ষী এতিয়া সম্পূৰ্ণ অকলশৰীয়া। কন্যা নোওঁৱাৰ প্ৰস্তুতিত আটাইবোৰ ব্যস্ত হৈ পৰিছে। আৰু এই তিনিটা দিন মীনাক্ষীৰ কাষে-কাষে থকা প্ৰতিমাজনীও অলপ আগতে ওলাই গৈছে দুটামান গোলাপৰ কলি আনিবলৈ—মীনাক্ষীৰ নতুন খোঁপা-টোত পিন্ধাবৰ বাবে। ভলৰ গুলঞ্চ লৰেবোৰে মাজে-মাজে আমনি কৰিছে মীনাক্ষীক, মাজে-মাজে আনমনা কৰি পেলাইছে। অথচ কৰিবলৈ মীনাক্ষীৰ একোৱে নাই। মীনাক্ষী যেন এইমাত্ৰ পৃথিবীত ভৰি দিয়া এটা অবোধ শিশু—যি প্ৰতিবাদ কৰিব নাজানে, যাৰ চকুপানীখিনিয়েই একমাত্ৰ সম্বল। বহুদিনৰ অন্তৰ্দ্বন্দখিনি এই সম্বলেৰে উটুৱাই দিব খুজিছে মীনাক্ষীয়ে।—পৰা নাই। চেষ্টা কৰি বাৰে বাৰে বিফল হৈ চকু-মুখত ক্লান্তিৰ ছাঁ সানি অল্পসময়ৰ বাবে শান্ত হৈ পৰিছে, নিৰুপায় হৈ উচুপি উঠিছে। অথচ পৰা নাই। সেইবাবেই মীনাক্ষীয়ে এই মুহূৰ্ত্তত মনে প্ৰাণে কামনা কৰিলে অকনমান নিৰিবিলি, অকনমান নিৰ্জনতাৰ।

......দুৱাৰৰ বহল পৰ্দাখন সামান্য ফাঁক কৰি চন্দন সোমাই আহিল কমলৈ। মীনাক্ষীয়ে মুখ তুলি চালে, একো নামাতিলে।

চন্দন আগবাঢ়ি আহি বিচনাৰ কাষত চকিখনত বহিল। এবাৰ খিৰিকীৰ কাষত থিয় হৈ থকা মীনাক্ষীলৈ চালে। কিবা এটা কব খুজিও একো নকৈ মনে-মনে থাকিল। নীৰৱতায়ে যদি এইখিনি মুহূৰ্তক চন্দনৰ মনত আঁকি দিব পাৰে তাতকৈ একো ক্ষতি নাই। মনে-মনে ভাবিলে চন্দনে। আচলতে চন্দনৰ ভাল লাগিছিল। এইখিনি নিৰ্জনতাকে হয়তো এই তিনিটা দিনৰ গুলঞ্চ লৰবোৰৰ মাজত বিচাৰি ফুৰিছিল। সেয়ে চন্দনৰ অকনমান ভাবিবৰ মন গ'ল, মন গ'ল নিৰ্জনতাখিনিক প্ৰাণভৰি উপলব্ধি কৰিবৰ।

পশ্চিম ফালৰ খিৰিকীৰ পৰ্দাখন বহুতকৈ মেলা আছিল পাতল বতাহ এজাকে তাত সৰু সৰু কঁপনি তুলি আছিল। এটা সময়ত সেই কঁপনি লাহে লাহে বন্ধ হৈ গ'ল। কিবা এটা ফুলৰ মিঠা সুবাস চন্দনৰ নাকত লাগিল

হয়তো টেবুলৰ ওপৰৰ প্লেটখনত ধৰা খৰিকা-জাঁই ফুলৰ। সেই সুবাসে যেন বিশৃঙ্খলতাৰ মাজতো ৰুমটো মায়াময় কৰি তুলিছে। ভাল লাগি গ'ল চন্দনৰ। ভাল লাগিল ৰুমৰ ক'ত ত'ত সিঁচৰিত হৈ পৰি থকা আবেলিৰ শেতা ৰ'দকন। চন্দনৰ দৃষ্টি এবাৰ ৰুমটোৰ খেলিমেলি হৈ থকা প্ৰতিটো বস্তুৰ ওপৰেদি বাগৰি গ'ল। কিমান দিন চন্দন এই ৰুমটোত আহিছে, বহিছে, মীনাক্ষীৰ স'তে কথা পাতিছে—সৰু সৰু দুই-এটা কথা। কিমান চিনাকি আবেলিৰ এইকন ৰ'দ। অথচ আজিৰ এই মুহূৰ্ত্তত বৰ অচিনাকি যেন লাগিল। চন্দনৰ এই ৰুম, এই পৰিবেশ আৰু এই খেলিমেলি পৰিবেশৰ মাজত কইনাৰ মাজত খিৰিকীৰ কাষত থিয় হৈ থকা এই মীনাক্ষী, এই মিনুক। যেন কোনোবা অচিন বন্দৰত আহি চন্দন উপস্থিত হৈছে—য'ত আকাশ-বতাহ একোৰে স'তে চন্দনৰ চিনাকী নাই।

বহু সময় থিয় হৈ থাকি মীনাক্ষীৰ হয়তো অকনমান অস্বস্তি লাগিছিল।

চন্দন সজাগ হ'ল। নীৰৱতাখিনিক মৃদু ভাবে আঘাত কৰি কথা ক'লে চন্দনে—

: মোক মাতিছিলা মিনু ?

একো নামাতিলে মীনাক্ষীয়ে। এবাৰ মুৰ তুলি চন্দনলৈ খুব শান্তভাৱে, খুব নিবিড়ভাৱে।

: কিবা ক'বা মিনু ?

মীনাক্ষী খিৰিকীৰ কাষৰ পৰা চন্দনৰ ওচৰলৈ' আহিল। চন্দনৰ চকুলৈ' চাই হাউলি ভৰি চুলে চন্দনৰ।

: তুমিতো মোক ইমানদিনে কেৱল শুভেচ্ছা আৰু মৰমকে দিলা। আজি মোক অকন আশীষ দিয়া।

মীনাক্ষীক তুলি ধৰিলে চন্দনে॥ আৰু চন্দনৰ আঠুত মূৰ গুঁজি দি নিঃশব্দে কান্দোনত মীনাক্ষী ভাঙি পৰিল।

* * *

জীৱনলৈ' কেতিয়াবা কিছুমান ধুমুহা আহে। —কিবাকিবি দি যায়, কিবাকিবি লৈ যায়। তেনে এজাক ধুমুহাই এদিন মীনাক্ষীক, মীনাক্ষী বৰুৱা নামৰ এজনী ছোৱালীক দি থৈ গ'ল এটা সৰু কবিতা : জীৱনক বুজাৰ, জীৱনৰ উপলব্ধি কৰাৰ। মীনাক্ষী সচেতন হ'ল। আৰু সেই সচেতনতাই মীনাক্ষীৰ জীৱনটোক মীনাক্ষীৰ সৰু, শান্ত জীৱনটোক এটা পৰিবৰ্ত্তন দি গ'ল। সেই একেজাক ধুমুহাই একেটা সময়তে চন্দনক, চন্দন চলিহা নামৰ ইংৰাজী সাহিত্যত এম-এ পাচ কৰি নতুনকৈ কলেজত সোমোৱা শান্ত মানুহজনকো চুই গ'ল। কিন্তুাপৰ পৰা মূৰ তুলি চালে চন্দনে।

মীনাক্ষীৰ স'তে চিনাকীৰ পাছত ইংৰাজী কৱিতা বুজোৱাৰ প্ৰতিশ্ৰুতিত চন্দন বহুদিন আহিল মীনাক্ষীহঁতৰ ঘৰলৈ। মীনাক্ষীৰ দেউতাক-মাকক আপোন সম্বোধনেৰে আপোন কৰি ললে, অমুক কাষলৈ' মাতি আনি মৰম কৰিলে আৰু মীনাক্ষীক, মিনুক এটা এটা কৰি বুজাই দিলে বহুত কৱিতা।

তাৰ পাছতো বহুবাৰ ফাগুন আহিল সবাপাত গছকি-গছকি। কল ভাঙি সৰি সৰি পৰা শিমলুৰ তুলাবোৰ উৰি আহি ক'ৰবাত থুপ খালে। কাৰোবাৰ মনৰ কথা ক'ৰবাত প্ৰতিধ্বনি হ'ল। জনা-নজনা, বুজা-নুবুজা কথাবোৰ ক'ৰবাত সৰু সৰু ছবি আঁকিলে। বতাহজাক তুৰন্ত হ'ল মনৰ মাজতো কঁপনি তুলিব পৰাকৈ। হালধীয়া ফুলেৰে উপচি পৰিল অমৰাৰ শুকান ডালবোৰ। চজিনাৰ ফুলবোৰ ফুলি ফুলি সৰা, পলাশ আৰু মদাৰৰ তেনে এটা ফাগুন-ফাগুন দিনতে এদিন এটা কবিতাৰ তৃশাৰীমান সৰু কথাই মীনাক্ষীৰ অন্তৰৰ সৰু সৰু কঁপনি তুলিলে। যেন ফাগুনৰ এজাক চঞ্চল বতাহত শুকান বননিৰ কম্পন।

চন্দন ৰৈ গ'ল অলপ সময়। সন্মুখত বহি গভীৰ মনোযোগেৰে শুনি থকা মীনাক্ষীৰ চকুলৈ চালে এবাৰ। মীনাক্ষীৰ অন্তৰৰ সেই কঁপনিয়ে যেন চন্দনৰ অন্তৰৰো এটা চন্দনৰ অজ্ঞাতে অধিকাৰ কৰি পেলালে।

চন্দন থিয় হ'ল।

ঃ আজি আৰু থাকক।

ঃ ওঁ। সৰুকৈ ক'লে মীনাক্ষীয়ে।

ইয়াৰ পাছতো বহুদিনৰ বহু অহা যোৱাৰে চন্দনে মীনাক্ষীহঁতৰ আৰু আপোন হ'ল। মীনাক্ষীৰ মনৰ চোতালখনত চন্দনৰ খোজৰ দাগবোৰ ক্ৰমান্বয়ে স্পষ্টৰ পৰা স্পষ্টতৰ হৈ উঠিল! সেই দাগবোৰ লেখি লেখি মীনাক্ষীয়ে জীৱনক উপলব্ধি কৰিলে। আত্মোপলব্ধিৰ মাজত মীনাক্ষী হেৰাই গ'ল।

চন্দনে ভাবিলে— বিচাৰি পোৱাৰ তৃপ্তিৰে জীৱনটো যদি পূৰ্ণ হৈ যায়—যাওক। তথাপিও অনিশ্চয়তাৰ, পোৱা-নোপোৱাৰ বেদনাত চন্দন ডুবি থাকিল।

* * *

ঃ জীৱনক বুজি পাইছো বুলি ক'লে ভুল জানো কোৱা নহ'ব মিনু ?

ঃ মই যদি কওঁ ভুলবোৰো, জীৱনক বুজি পোৱাৰ ভুলবোৰো কেতিয়াবা ফুল হব পাৰে ?

ঃ হয়তো পাৰে। ভুলবোৰো কেতিয়াবা ফুল হ'ব পাৰে। মনৰ মাজত লুকাই লুকাই ফুলা সৰু-সৰু ফুল। যাৰ কোনো নাম নাই। যাৰ বাবে কেতিয়াবা গোপনে কান্দিব লগা হয় আনন্দত, কেতিয়াবা বেদনাত। যাৰ বাবে কেতিয়াবা নিঃশেষ কৰি দিব লগা হয় এটা এটা কৰি জীৱনৰ প্ৰতিটো ক্ষণ। তেনেকুৱা অনামী ফুল হয় ভুলবোৰ কেতিয়াবা। যাৰ পাহিবোৰত হাঁহি আৰু চকুপানীৰ দাগ থাকে আৰু সুবাশত থাকে অনিশ্চয়তা।---লাহে লাহে ক'লে চন্দনে। কথাখিনি বহু দূৰৰ পৰা কোৱা যেন লাগিল মীনাক্ষীৰ।

কবলৈ মীনাক্ষীৰ একো নাথাকিল। এবাৰ চন্দনৰ চকুলৈ চালে শান্ত আৰু স্থিৰভাবে। সেই দুচকুৰ মাজত এবাৰ বিচাৰি চালে প্ৰতিশ্ৰুতি, বিচাৰি চালে নিশ্চয়তা আৰু জীৱনৰ স্থিৰতা।

কবলৈ চন্দনৰো আৰু একো নাথাকিল।

এটা দুটা কৰি আঙুলিৰ ফাঁকে দি সৰকি গ'ল বহুতদিন। মীনাক্ষীৰ জীৱনৰ উকা তুলা-পাতখনত বহুতো সৰু সৰু দাগ বহিল চন্দনৰ মনৰ সৰু সৰু কথাবোৰৰ। বৰ আলফুলে সেইবোৰ দাগ সাঁচি মীনাক্ষী আত্মহাৰা হ'ল ঃ বিচাৰি পোৱাৰ তৃপ্তিত। আৰু মীনাক্ষীৰ মনৰ ভুলবোৰ ফুল হোৱাৰ কৰিতাটো এদিন চন্দনে আবিষ্কাৰ কৰিলে নিজৰ মনৰ মাজত।

তথাপিতো জীৱনক বুজাৰ সক্ষমতাখিনিৰ যতি পেলাই এদিন মীনাক্ষীহঁতৰ ঘৰখনত এটা সৰু গুণগুণনি উঠিল। সেই গুণগুণনিৰ মাজত মীনাক্ষীয়ে অমিতাভ বৰুৱা নামৰ এজন মানুহৰ প্ৰতিশ্ৰুতিক হাতৰ আঙুলিত পিন্ধি ল'লে।

প্ৰতিবাদ কৰিবলৈ একোৱে নাথাকিল কাৰো।

অন্য এদিন বহুতো মানুহক সাক্ষী কৰি মীনাক্ষীয়ে কইনাৰ সাজ পিন্ধিলে।

*    *    *

মীনাক্ষীৰ ইমান সময়ৰ নিঃশব্দ কান্দোন এইবাৰ উচুপনি হ'ল।

ঃ চাওঁ, মিনু নাপায়।

এই তিনিটা দিনৰ চন্দনৰ সংযমতাখিনি যেন মীনাক্ষীৰ চকুপানীখিনিয়ে নিঃশেষ কৰি পেলাব।

চন্দন ওলাই আহিল ৰুমৰ পৰা।

এটা সময়ত আবেলিৰ শেঁতা পোহৰকন ক্ৰমাৎ ধুসৰতৰ হৈ সন্ধিয়াৰ স'তে মিলি গ'ল। সবাক মুখৰতাৰে ভৰি পৰিল ঘৰখনৰ প্ৰতিটো কোণ। মীনাক্ষী কন্যা হৈ বহি থাকিল সময় অপেক্ষা কৰি। চন্দন ব্যস্ত থাকিল চিনাকী-অচিনাকী মানুহবোৰৰ মাজত।

হোমৰ জুইৰ পোহৰে পেণ্ডেলৰ বহুখিনি ঠাই পোহৰাই তোলাৰ পাছত চন্দন এবাৰ আহি দূৰত, বাৰান্দাৰ এটা কোণত থিয় দি থাকিল। হোমৰ জুইশিখাত উজ্জ্বল হৈ উঠা মীনাক্ষীৰ মুখখন দূৰৰ পৰা এবাৰ চাবৰ মন গ'ল চন্দনৰ। আৰু সেই জুইক সাক্ষী কৰি অমিতাভৰ হাতত হাত ৰাখি মীনাক্ষীয়ে প্ৰতিশ্ৰুতি দিলে এটা জীৱনৰ বাবে। মন্ত্ৰ পাঠৰ সুৰ শুনি-শুনি চন্দনে এবাৰ মনে-মনে ভাবিলে ঃ মীনাক্ষী সুখী হ'ব। আৰু বেছি ভাবিবলৈ চন্দনৰ সংকোচবোধ হ'ল।

নিশাৰ প্ৰহৰ গণি-গণি মীনাক্ষী যাবলৈ ওলাল। চন্দন আঁতৰি থাকিল কন্যাৰ লগত যোৱাৰ প্ৰস্তুতিৰ পৰা। অকনমান জিৰণি বিচাৰিছিল চন্দনে। বিচাৰিছিল অকনমান নীৰৱতা।

*    *    *

বহুসময় নিঃসঙ্গতাৰ মাজত থাকি চন্দন বাৰান্দাৰ তললৈ নামি আহিল। মীনাক্ষীৰ নিঃশব্দ কান্দোনখিনিয়ে চন্দনৰ বুকুখন আকৌ এবাৰ চুই গ'ল। আকাশখন উজ্জ্বল পোহৰেৰে উপচি পৰিল। নিজৰ মনক প্ৰবোধ দিবলৈ তেতিয়াও চন্দনৰ একোৱে নাথাকিল।

বিশ্ববিদ্যালয়ৰ পৰীক্ষাৰ দ্বাৰা মানুহৰ প্ৰকৃত ৰূপটো কেতিয়াও বাচি উলিয়াব নোৱাৰি। যতিনেই তাৰ সুন্দৰ প্ৰমাণ......।

পিতৃ মাতৃৰ স্নেহক কোনেও অস্বীকাৰ কৰিব নোৱাৰে; যতিনেও নোৱাৰিলে কিন্তু শেষত তাৰ দুৰন্ত মনৰ পশুবৃত্তিটোৰেই জয়ী হ'ল।—সঃ

# —ঃ আচল কথা ঃ—

—ঃ×•×ঃ—

শ্ৰীদুৰ্গেশ্বৰ বৰা,
১ম বাৰ্ষিক কলা।

আন দিনাৰ দৰে আজিও ফুৰিবলৈ বুলি ওলাই আহিছো মুকলি হাৱা খাবলৈ। এনেয়ে অকলেই। কেতিয়াবা লগ হওঁ দুটা এটা লৰা নাইবা ছোৱালীৰ লগত। আজি কিন্তু অকলেই আহিছো। মোৰ এটা বৰ বেয়া অভ্যাস আছে—; অকলে অকলে ব্ৰহ্মপুত্ৰৰ মাথাউৰিৰ ওপৰত খোজ কাঢ়ি ফুৰোতে বাদাম-ওৱালাৰ পৰা ভজা বাদাম কিনি লৈ বাটে বাটে চুবাই ফুৰো। অচিনাকী বা চিনাকী মুখবোৰে তেতিয়া মোৰ মুখলৈ চায়। তেতিয়া যাক যেনেকৈ ব্যৱহাৰ কৰিব লাগে—ময়ো তেনেকৈ কৰো—। অৰ্থাৎ খুউব ধুনীয়া ছোৱালীবোৰে মোৰ মুখলৈ চালে লাজ মিহলি হাঁহি এটা মাৰি তললূৰ কৰো। অলপ নিমকতিয়া বোৰে চালে বেছিকৈ অকত্তিয়াই পকতিয়াই চুবাই দেখোৱাঁও। ধুনীয়া ডেকাবোৰে দেখিলে মুখৰ বাদাম মুখতে টিপা মাৰি ধৰো আৰু লেৰেলা চেপেতা লৰাই দেখিলে মুখ বেঁকা কৰি দেখোৱাঁও। অৰ্থাৎ সেইবোৰ লৰাই মোৰ তেনে ব্যৱহাৰত কাজিয়া কৰিলে মই জিকিব নোৱাৰিলেও অন্ততঃ পলাই হাৰিব পাৰিম। পলাই হাৰিব পাৰিলেই পিছত মই বিজয় ঘোষনা কৰিব পাৰিম—। কাৰণ পিছত্তটো কোনেও বিচাৰ নকৰে যে - তাৰ ভয়তে মই পলালোনে? মোৰ ভয়তে সি পলালে?

মই আচল কথাৰ পৰা এখুজমান আঁতৰিলো কিজানি। আকাশৰ মনটো আজি বৰ আনন্দমুখৰ নহয়। কাৰণ বেজাৰৰ চিন স্বৰূপে মাজে মাজে দুই এটুপ চকুপানী আহি ফুৰনীয়া ভদ্ৰ পুৰুষ-মহিলা সকলৰ গাত পৰিছিল। সেই কাৰণে বাইজসকলে ঘৰৰ

ফালেহে বেছিকৈ ঢাল লৈছে। মই কিন্তু সেই-বোৰলৈ অকনো কান কৰা নাই। আনদিনাৰ দৰে কেৱল ব্ৰহ্মপুত্ৰৰ বুকুত উঠা-নমা কৰা ঢৌবোৰ চাই চাই এখুজকে দুখুজ কৰি কেৱল আগবাঢ়ি গৈ আছো। কাৰণ আজি মোৰ মগজটো অকনমান গৰম হৈছে; গতিকে মই তাক ঠাণ্ডা কৰাতহে ব্যস্ত। কোনোবা এটা বছৰতেই মই মেট্ৰিক পাছ কৰিলো। কোন চন বা তাৰিখত পাছ কৰিলো বিশেষ মনত নাই। মুঠতে এইটোকে মনত ৰাখিছো পিছৰ পৰীক্ষা দিয়া চনটোতে পাছ কৰিলো। অৰ্থাৎ মই মেট্ৰিক দ্বিতীয় বাৰ্ষিকৰ (অৰ্থাৎ Second year Matric) পৰা পৰীক্ষা দিছিলো। কাৰণ প্ৰথমবাৰ পৰীক্ষা দিলো; সময়ত ৰিজাল্ট দিলে। কিন্তু দেখিলো বাতৰি কাকতত আনৰ ৰোল নম্বৰবোৰ দিওঁতে মোৰটো দিবলৈ অকনো ঠাই নেথাকিল। যি হ'ল হ'ল আৰু অহা বছৰলৈ ঠায়ে জুৰিব বুলি আশা কৰি আকৌ কিতাপৰ লগত মিত্ৰিৰালি পাতিলো। মোৰ এতিয়াও মনত আছে; পঢ়োতে পঢ়োতে কিতাপৰ ওপৰৰ পাতবোৰ ফাটি ফাটি গৈ শেষত কেইখিলা মানহে থাকেগৈ। অৱশ্যে সেইবোৰ অকল মই পঢ়ি শেষ কৰা নাছিলো। কেতিয়াবা আমাৰ ককাদেউতাৰ চুনত খাবলৈ নহলে মই নথকাত তাৰেই এখিলা ফালি লৈ চুনত বাতি খায়। তেনেকৈয়ে দিনবোৰ মাহৰ বুকুত হেৰাই গৈ লাহে লাহে পৰীক্ষাৰ ওচৰ পালেহি। দেখিলো পঢ়াৰ ক্ষেত্ৰত একেবাৰেই নহ'ল। এনেয়ে কিতাপৰ পাতবোৰ ফালি নাইকিয়া কৰিলো। যি কি নহওঁক পৰীক্ষা দিবলৈ মৰসাহ কৰি ওলালো।

পৰীক্ষা ঘৰত দেখিলো—প্ৰশ্নবোৰ চুবই নোৱাৰি। প্ৰথমদিনাৰ পৰীক্ষা ঠেলি হেচুকি যেনে-তেনে খেদালো। পিচ দিনাৰ পৰা লাগি গলো—সৰু-সৰুকৈ কাগজবোৰ ইমপৰটেণ্ট প্ৰশ্ন লিখাত। ধৰা পৰিলেহে নকল কৰা বুলি পৰীক্ষা ঘৰৰ পৰা বাহিৰ কৰি দিব। ধৰা নপৰিলে ভাল লৰা হৈয়ে থাকিম। কোৱা বাহুল্য যে শেষলৈকে শনিৰ কোপ দৃষ্টি মোৰ ওপৰত নপৰিল। দুই এজন মাষ্টৰে মোৰ নকলত চকু দিছিল যদিও, মোৰ জপৰা চুলি দেখি ধৰিবলৈ সাহসেই নকৰিলে। যি কি নহওক স-সন্মানে তৃতীয় বিভাগত কানে কান মাৰি পাছ কৰিলো। বাতৰি কাগজৰ কেই বিন্দুমান ঠাই মোৰ কাৰণে ৰিজাৰ্ভ হ'ল। এয়ে হ'ল মোৰ মেট্ৰিক পাছ কৰাৰ বুৰঞ্জী।

তাৰ পিছত ভাবিলো বোলো ঘৰৰ ভাত খাইনো কিমান পঢ়িম। দুদিনমান আঁতৰৰ সোৱাদ লওঁ, দেউতাৰ পইচাৰ শৰাধ কৰো। এদিন দিন খেন চাই ডিব্ৰুগড় পালোহি, কানৈ মহা-বিদ্যালয়ত পঢ়াৰ মানসে। আহিবৰ সময়ত দেউতাই কৈছিল "যিমান তই ভালকৈ পঢ়া-শুনা কৰিবি, তই জানই মই চৰকাৰী চাকৰিয়াল নহয়; অকল খেতি কৰিয়েনো তহঁতক কিমান পঢ়াম, তাৰোপৰি অকল তোক পঢ়ালেই নহয়, ভায়েৰ ভনীয়েৰহঁতকো পঢ়াব লাগে। তোকনো আৰু মই কি বুজাম, তই নিজেই

সকলো বুজা হৈছে।” মায়ে মাত্র চকুপানী মচি মচি কৈছিল—“সোণ, তই পঢ়ি-শুনি ডাঙৰ মানুহ হবলৈ চেষ্টা কৰিবি, খোৱা-বোৱাত দুখ পালে ঘৰলৈ চিঠি লিখিবি, বন্ধ পালে ঘৰলৈ আহিবি সোণ।” বৈ অহা চকুপানী দুধাৰীক মায়ে ৰোধ কৰিব নোৱাৰিছিল। তাৰ পিচত মোৰ গোটেই গাত হাত ফুৰাই দিছিল, আশীৰ্ব্বাদ দিছিল। তেতিয়া মোৰো মনটো অলপ সেমেকি উঠিছিল। ভাবিছিলো দেউতাৰ ডাঙৰ পুত্ৰ হিচাবে মই সমাজত চিনাকী দিম; পঢ়ি-শুনি ডাঙৰ মানুহ হম—; দেউতাৰ কেচা ঘাম মাটিত পেলাই ঘটা ধন মই এনেয়ে খৰচ নকৰো —। দেউতাই মোক ষ্টেচনলৈকে আগবঢ়াই থলেহি।

ডিব্ৰুগড় ব্যস্ততাপূৰ্ণ নগৰত প্ৰথমতে মই পেপুৱা লাগিছিলো। ভাবিছিলো কানৈ কলেজ ক'ত? পিছে বিচাৰি উলিয়াওঁতে বেছি সময় নেলাগিল। ঘৰটো দেখিবলৈ বৰ ধুনীয়া। ফেংচিঙৰ কিনাৰে কিনাৰে থকা ওখ ওখ পোলোঙা গছবোৰে সৌন্দৰ্য্যতা বৃদ্ধি কৰিছে। সেয়েহে ভাবিলো ইয়াত মোৰ নিচিনা গাধাবোৰে পঢ়িলেও চোকা হৈ যাম। প্ৰথম দিনা মই কলেজত নামেই লগাব নোৱাৰিলো। পিছদিনা কোনো ৰকমে একাজলি ধন দি নামটো লিখালো। তাৰ পিছত যেনে-তেনে হোষ্টেলৰো চিট এটা মঞ্জুৰ কৰালো। গতিকে পিচদিনাই হোষ্টেলত ভৰ্ত্তি হলো। হোষ্টেলত আহি অবাক হলো—শৰণ লব লাগে হেনো মানে মোক হেনো ৰেগিং কৰিব। মই খুউব চিন্তা কৰিলো, ৰেগিং নামৰ সেইটো কি বস্তু হব পাৰে—?? যদি জন্তু হব তাৰ ঠেং কেইখন, নাক কেইটা, আৰু চকু কেইটা। ভাবিলো; ইয়াত নতুন লৰাক ৰেগিং কৰিবলৈ মায়াঙৰ বেজো আছে কিজানি। হায় প্ৰভু! মই পঢ়িবলৈহে আহিছো, মোক ৰেগিং বনাই থলে “মোৰ কিযে গতি হব?” পিছতহে বুজিলো, সেইটো শৰনীয়া প্ৰথাহে, অৰ্থাৎ “তাধিন ধিনা ধিন্দাওঁ দাওঁ” বুলি নবাগতে নিজে মুখতে ঢোল বজাই সকলোকে নাচি দেখুৱাব লাগে। সেইটো একো টান কথা নহয়; যেনেকুৱা কৰিবলৈ কলে তাকে কৰি দেখুৱালো। হেৰৌ মোৰ ককালটো এনেয়ে বেকা, গতিকে নাচিবলৈনো কি ডাঙৰ কথা। তাৰোপৰি অহা বছৰলৈ ময়ো আনক নচোৱাবলৈ পামেই।

নতুনকৈ ক্লাচ বহিছে। পিছে হাজিৰা বহীত মোৰ নামেই নাই। সুধি পুচি জানিলো মোৰ এডমিচন ৰিচিপ্টত দিয়া ৰোল নম্বৰটো হেনো ভুলকৈ দিলে। হব লাগিছিল আন এটাহে। বাৰু, সেইটোৱেই হওক; পিছে কথা কথা হ'ল সেইটো ৰোল নম্বৰ মতেও ভূগোলৰ হাজিৰা বহীত মোৰ নাম নাই। এড্‌মিচন ফৰমত মই স্পষ্টকৈ লিখি দিছিলো—Geography, Political Science, Assamese, as M. I. L. আৰু English বুলি। হাজিৰা বহীত নাম নথকাটো হেনো আমাৰ কলেজৰ

অফিচৰ কৰ্ম্মকৰ্ত্তা সকলৰ কৰ্ম্মতৎপৰতাৰ উদাহৰণ—। এমাহ মানৰ পিছতহে এই খাম-খেয়ালিবোৰ মৰিল।

এতিয়া মই সম্পূৰ্ণ কলেজীয়া লৰা। গাঁৱৰ কথা মনলৈ আহিবলৈ নিদিওঁ। ঘৰৰ পৰা অনা লংপেণ্টটো অলপ বহল হ'ল—, গতিকে চাৰে এঘাৰ ইঞ্চি কৰি এটা নতুন পেণ্ট ললো। ঘড়ী এটাও কিনিলো। কলেজৰ দিন কেইটাহে ফুৰ্ত্তিৰ দিন—তাতে যৌৱনৰ উতুলি-মুতুলি। দেউতাৰ সেই কথা কেইটা মানি চলিবলৈ দেউতালৈ লিখিলো—। "এই মাহত ৪০টকা বেছিকৈ পঠাব। হোষ্টেলৰ চাৰ্জ বেছি হৈছে আৰু মই এটা কাপোৰ কিনিব লাগে।" দেউতাই পইচা নপঠোৱাকৈ নেথাকে; গতিকে মই তাক সদ্ব্যৱহাৰ কৰো। আনৰ দৰে বেছি নহলেও মাহত চাৰিদিন চিনেমা চাওঁ। বৰকৈ ফুৰা চকাও নকৰো। মাজে মাজে ক্লাচ ক্ষতি কৰি ফুৰিবলৈ যোৱা অভ্যাসটোও নকৰাকৈ নেথাকো। সদায় আবেলি তিনি বজাত ওলাই গৈ সাত বজাত ঘূৰি অহাটো নিত্য কৰ্ম্মৰে ভিতৰ কৰি লৈছো। আৰু ফুৰি চাকি আহি গধুলি ভাগৰত "কাইলৈৰ পৰা পঢ়িম" বুলি সদায় প্ৰতিজ্ঞা কৰিবলৈও নেপাহৰো। গধুলি ভাত খাই উঠি কেতিয়াবা কেতিয়াবা চাৰি পাঁচ জন লৰা লগ হৈ চিনেমাৰ সমালোচনা চলাওঁ। চায়ৰাবানুয়ে ডেন্স দিওঁতে বুকুখন কেনেকৈ জোকাৰ খাইছিল। সেইটো বাকী কেইজনক দেখোওয়াৰ ভাৰ মোৰ ওপৰতহে পৰে। কেতিয়াবা কেতিয়াবা আমাৰ চিটপখিলীহঁতৰ কথাও আলোচনাৰ ভিতৰত পৰে। উদাহৰণ স্বৰূপে—কোনজনী ছোৱালীয়ে কেনেকুৱা কাপোৰ পিন্ধে, কাৰ ব্লাউজটো একেবাৰে চুটি ইত্যাদি…। অৱশ্যে এইটো সঁচা যে আজি কালি মাক-বাপেকবোৰে লৰা-ছোৱালীৰ লগত বেচি পইচা খৰচ কৰিব নেলাগে। কাৰণ লৰা বা ছোৱালী কোনেই বেছি পইচা খৰচ কৰিবলৈ নিবিচাৰে।' লৰাবোৰে ইমান কম কাপোৰেৰে পেণ্ট চিলায় যে হাতেৰে ধৰিলেহে পিন্ধিব পাৰি। মোৰ আকৌ এটা পেণ্ট আছে সেইটো মই অকলে পিন্ধিব নোৱাৰো। কোনোবা এটাই ধৰি মেলি দিলেহে পিন্ধিব পাৰো। অৰ্থাৎ বৰ টেপা মৰা। আৰু ছোৱালীবোৰে ইমান কম কাপোৰেৰে ব্লাউজ চিলাই যে পেটটো গোটেইটো ওলাই থাকে। এইটো দেশৰ উন্নতিৰ পূৰ্ব্ব লক্ষণ। অৰ্থাত খৰচ কম হৈ আহিব। আকৌ আগৰ দৰে এতিয়া নিলাজ বতাহ জাকে গাভৰুৰ গাৰ কাপোৰ খহাই দিব নোৱাৰে। কিয়নো গাত এশ এবুৰি পিন মৰা থাকে। পিছে অকনমান অসুবিধা; সেইটো হৈছে বৰকৈ চাপৰিব নোৱাৰে। বাকী সেইবোৰনো আৰু কিমান কম। আচল কথাটো পিছল খাই পৰিছে। কম বাৰু।

কেতিয়াবা আকৌ কলেজতো কথাৰ ভাল মৰনা মাৰো। বিশেষকৈ ক্লাচ হব হব বুলি শিক্ষাগুৰু সকললৈ বাট চাই থকা সময়খিনিত আৰু তেখেতসকল নাহিলেতো কথাই নাই।

তেখেতসকলেনো আমাক কিমান পঢ়াব। সেই কাৰণে আমাক কেতিয়াবা নপঢ়াই ভাগৰ মাৰে হৰলা। গতিকে তেনেকুৱা সময়খিনিত আমাৰ 'গাজা'ৰ শৰাধ কৰো। আৰু গাজাৰ উদাহৰণ এটাকে দিওঁ—যুগৰ সমালোচক সকলৰ মতে সীতা হৰণত ৰাৱনৰ গাত অকনো দোষ নাই যেনে ; কিয়নো ৰাৱণে যেতিয়া তেওঁৰ 'ৰাজহুত' মটৰ চাইকেলখনত উঠি পঞ্চবটীলৈ আহিছিল, অৰ্থাৎ পাঁচ বাতি ('পঞ্চ মানে পাঁচ 'বতী' মানে বাতি) আপুং খাবলৈ অহিছিল সীতাৰ ওচৰত তেতিয়া সীতাই বাউদী ওলোৱা, ককাল ওলাই থকা ব্লাউজ আৰু ফুটফুটিয়া শাৰীখন 'ফেমিনা' ষ্টাইলত পিন্ধি ৰাৱণলৈ চাই যিটো মিচিকিয়া হাঁহি মাৰিলে— ৰাৱণৰ দেহা গলি গ'ল। গতিকেই ৰাৱণে সীতাক হৰণ কৰিলে। সেয়েহে কৈছো—ৰাৱণৰ গাত তালমাত্ৰও দোষ নাই। কিয়নো—"কাকনো দোষিম কামিনী পাশত, জটীয়া শিৱও পৰিল পাকত।"

কথাৰ ৰাগিতে মই আচল কথাৰ পৰা পৰা আঁতৰি কিবা এটাহে কলো। বৰষুণ জাক আগতকৈ অলপ জুৰেৰে আনিছিল। বেজবৰুৱা পাৰ্কত তেতিয়া মানুহ এটাও নাই। বৰষুণৰ শম্ভাৱনা দেখি মানুহবোৰ আগতেই ভাগিল। মোৰ কিন্তু সেইবাবলৈ কান সাৰ নাই। কিয়নো চিমচিমিয়া বৰষুণ জাকে গৰম হৈ থকা মুৰটো ঠাণ্ডা কৰিব পৰা নাই।

সঁচাই মঞ্জুলাই যদি মোক ভালেই পায়, তেনেহ'লে তাই আজি কিয় দেৱজিতৰ লগত চিনেমা চাবলৈ গৈছে ? ইমান দিনৰ ভাল পোৱাক তাই মোহাৰি পেলাব মেলাগিছিল। তাই মোলৈ দিয়া চিঠিবোৰত কিয় লিখে "আপোনাক নেপালে মই মৰি যাম। আপোনাৰ অবিহনে মোৰ জীৱন অসাৰ।" হায় ভগৱান! ছোৱালীবোৰ এনেকুৱাই নেকি ? ইহঁতে চিঠিত বহুত কথাই লিখে ; কিন্তু কাৰ্য্যৰ খ'টোৱাই কেইজনীয়ে ? চিঠিত ইহঁতে লিখিব পাৰে যে আপোনাক নেপালে মই মৰি যাম ; কিন্তু মৰে কেইজনী ? বাৰু দেখা যাব—ময়ো মতা মানুহ ; ময়ো কালিলৈ অৰূপাৰ লগত লৈ চিনেমা চামগৈ। মঞ্জুলাই বেয়া পায় বুলিহে অৰূপাৰ লগত বেছি কথা-বতৰা নেপাতো বা ফুৰাচকা নকৰো। এতিয়া আৰু কি ভয় আছে। আজি দেউতাৰ পৰা এশ পঞ্চাচ টকা পাইছোৱেই। পিছে চাৰি মাহৰ কলেজৰ ফিজ্ দিবলৈ আছে। দিম লাহে ধীৰে। নহলে দেউতালৈ আকৌ পইচা খুজি চিঠি লিখিম। ডাঙৰ পুতেকৰ লগত যদি পইচা পইচা খৰচ কৰিব নোৱাৰে আৰু কাৰ লগত কৰিব ?

আচল কথাৰ পৰা আকৌ আঁতৰিলো কিজানি। বাৰু আজিলৈ আঁতৰিয়ে যাওঁ। কেতিয়াবা আকৌ এনেদৰে সুযোগ সুবিধা মিলিলে কম বাৰু। বৰষুণ জাক বৰকৈ আনিছে। কোনোবা হোটেল এখনতে সোমাওঁ গৈ।

সঁচা কথা। ফুল, তৰা গানৰ মাজত উপস্থি ফুৰা সময়ছোৱাত এজনী ধুনীয়া গাভৰুৰ অতি উৎসাহ বানী পালে নিজকে দিগ্বিজয়ী সম্রাট যেন লাগে। বৰ্ত্তমানৰ আধুনিকা মনিকা হাজৰিকাক কেইজন গল্প লিখক জিতু নেওঁগে চিনি পাব পাৰে; বুজিব পাৰে? মনিকা হাজৰিকা যুগৰ প্ৰতীক। নেওঁগে গল্পটিৰ মাজেদি আধুনিক সমাজ গল্প আৰু প্ৰধান সমস্যা কেইটিমান ডাঙি ধৰাত সমৰ্থ হৈছে। সঃ।

# ওৰণিৰ তলত

শ্ৰীজেউতি কুমাৰ নেওঁগ।
১ম বাৰ্ষিক, বিজ্ঞান।

বিষন্ন এই আবেলিটোত অকলে অকলে বহি মনিকা নামৰ সেই চিনাকি ছোৱালীজনীৰ কথা নেভাবো বুলিও নভবাকৈ থাকিব নোৱা-ৰিলো। অভাৱনীয়ভাৱে চিনাকি হোৱা মনিকা নামৰ সেই ছোৱালীজনীৰ কথাই এতিয়াও মোৰ মনত ডোলা দি আছে। কিবা এক ৰহস্যময় জালিৰে আবৃত্ত যেন মনিকা নামৰ সেই গাভৰুজনীৰ কথাবোৰ এটাৰ পিছত এটাকৈ মনত পৰি এতিয়া একেবাৰে আমনি লাগি গৈছে মোৰ। পোক লগা গৰুৰ দৰে অতিষ্ঠ হৈ উঠিছো মই। এক দুৰ্বোধ্য সঁাথৰ যেন লগা সেই মনিকা নামৰ ছোৱালীজনীৰ কথা জীৱনত মই হয়তো কোনোদিনেই পাহৰিব নোৱাৰিম। সদায়ে মনত থাকিব।

এইখন চহৰ মোৰ কাৰণে একেবাৰে নতুন। ইয়াৰে 'ৰূপহী' মেচত থাকি মই কলেজত পঢ়ো। আগতে এই ৰূপহী মেচত কোনোবা ৰূপহীৰ পদাৰ্পন হৈছিলনে নেজানো, কিন্তু কোনোবা ৰূপহীৰ এযাৰি হিয়া জুৰোৱা মিঠা মাতৰ কাৰণে ইয়াত থকা আটাইৰে যে কিবা এটা দুৰ্ব্বলতা আছে সেইটো ঠিক। ময়ো তাৰ ব্যতিক্ৰম নহয়।

মেচৰ পৰা কলেজলৈ এইখিনি বাট মই নিতৌ চিটি বাচেৰে অহা যোৱা কৰো।

অৱশ্যে খোজেৰেও অহা-যোৱা কৰিব পাৰি। খোজেৰে নেজাওঁ। আমনি লাগে। আটায়ে বাচ বা ৰিক্সাৰেহে অহা-যোৱা কৰে। কলেজলৈ অহা-যোৱা কৰা এইখিনি সময়ত থেলাহেঁচাকৈ বাচত উঠিও কিবা এক স্বৰ্গসুখ লাভ কৰা যেন লাগে। বাচৰ মহিলাৰ কাৰণে আচুতীয়াকৈ থোৱা ঠাইখিনি অনেকজনী মাখনকোমল কলেজীয়া গাভৰুৰে ফিগুখাই ভৰি যায় কাৰণেই। সেয়ে থানা চাৰিআলিৰ সেই ষ্টপজ টোত ন বজাত বাচৰ কাৰণে নিতৌ খাপপতি ৰৈ থাকোঁ। লগত বিজু, ৰনেনহঁতো থাকে। দুই-এটা আন মানুহো থাকে। তাতেই প্ৰথম দেখিছিলোঁ সেই ছোৱালী জনীক। লগৰ দুজনীমান ছোৱালীৰ লগত তায়ো সদায় বাচৰ কাৰণে ৰৈ থাকেহি। প্ৰথমদিনা তাইক দেখি ভিতৰি ভিতৰি একপ্ৰকাৰ মই থত্‌মত্ খাই গৈছিলোঁ। বিশ্বাস কৰিবলৈ টান লাগিছিল ইমান ধুনীয়া মৰমলগা গাভৰুওযে থাকিব পাৰে যদিও আজিলৈকে বহুবোৰ গাভৰুও মোৰ দৃষ্টিৰ পৰা হাত সাৰি যাব পৰা নাই। কোনো শিল্পীয়ে গঢ়া প্ৰতিমাৰ চকুযেন এযুৰি নয়নেৰে, বসন্ত মাহৰ গোলাপৰ ৰঙৰ এটি লনি দেহাৰে, মেঘ মেঘ লগা এখিনি কলা চুলিৰে দেখিলেই মৰম লাগি যোৱা এই ছোৱালীজনী হয়তো একেলগে বহুতৰ চকুতেই পৰিছিল।

সঁচাই প্ৰথম কেইদিনমান একেলেথাৰিয়ে ছোৱালীজনীক দেখি কিবা এক অনামী মোহত ভিতৰি ভিতৰি মই তাইৰ প্ৰতি আকৃষ্ট হৈ উঠিছিলোঁ। লগৰ বিজুহঁতে তাইক উদ্দেশ্য কৰি কেইবাদিনো কিৱাকিবি কোৱা শুনিছিলোঁ। জোকাইছিল। মই হলে ছোৱালীজনীক একো কোৱাৰ মনত নপৰে। মাথোঁ, কেতিয়াবা কেতিয়াবা মাজে মাজে তাইৰ মৰমলগা মুখখনলৈ লুকাই-চুৰকৈ দুই এবাৰ চাইছিলোঁ। সিমানেই।

দিনবোৰ গতানুগতিক ভাবেই গতি কৰিছিল। দিনবোৰ যোৱাৰ লগে লগে ছোৱালীজনীৰ কথাই মোক বৰ আমনি কৰিছিল। ছোৱালীজনীৰ ভিতৰুৱা আঁতিগুৰি সমন্ধে জানিবলৈ মনটোতে মোৰ প্ৰবল ইচ্ছা হৈছিল। কলেজলৈ সাচিকাচি ওলাই অহা তাইৰ দিনৌ নতুন নতুন বেশ ভূষাবোৰলৈ মন কৰি তাইক অৱশ্যে কোনোবা হাকিম-উকিলৰ ঘৰৰ ছোৱালী বুলিয়েই মনতে ভাবি লৈছিলোঁ। এনেকুৱা থকা-খুন্দা ভাৱনাবোৰৰ মাজত থাকোতেই অৱশেষত অভাৱনীয় ভাবেই এদিন এই ৰহস্যময়ী ছোৱালীজনী মোৰ সান্নিধ্যলৈ আহিছিল। সকলো কথা পৰিস্কাৰ হৈ মোৰ হাতত ধৰা পৰি গৈছিল। সিও এক কথা।

বাচৰ কাৰণে সিদিনাও মই একে সময়তে ৰৈ আছিলোঁ। বিজুহঁত সিদিনা নাছিল। বাচলৈ আপেক্ষা কৰা বহুতবোৰ মানুহৰ মাজত সেইদিনাও ছোৱালীজনীক একাষে অকলে ৰৈ থকা দেখিছিলোঁ। এবাৰ দুবাৰ সুযোগ উলিয়াই ছোৱালীজনীৰ চকুলৈ মই চাইছিলোঁ। যদিও ছোৱালীজনীৰ চকুৰে চকুৰে পৰি কেইবাবাৰো

মই অপ্রস্তুত হৈ পৰিছিলো। বাচ অহাৰ সময় পাৰ হৈ গৈছিল। এটা সময়ত ভাবিছিলোঁ। খোজেৰে যোৱাই কিজানি ঠিক হ'ব, বাচ অহাৰ আশা খুব কম। বাচৰ কাৰণে ৰৈ থকা দুই এজন অন্য মানুহেও খোজেৰেই নিজৰ নিজৰ গন্তব্যস্থানলৈ যাবলৈ আৰম্ভ কৰিছিল। ছোৱালীজনীলৈ এবাৰ হেঁপাহ পলুৱাই চাই ময়ো কলেজৰ ফালে খোজ পেলাবলৈ আৰম্ভ কৰিছিলোঁ। দহৰজাত হুচেইন চাৰৰ এটা ক্লাচ আছে। হঠাৎ শুনিছিলো' ছোৱালীজনীয়ে কাৰোবাক উদ্দেশ্য কৰি মাতিছে। কাক মাতিছে বা কি বুলি মাতিছে একো নুবুজিলেও ছোৱালীজনীৰ ফালে অকণমান মই এনেয়ে ঘুৰি চালোঁ। ধুনীয়া গাভৰু ছোৱালীয়ে কাৰোবাক ব্যক্তিগত ভাৱে উদ্দেশ্য কৰি মাতিলেও আক' সদায় নিজক মতা যেনহে লাগে। দেখিলো ছোৱালীজনীয়ে মোৰ ফালেই চাই আছে। মই অকনমান আগবাঢ়ি গলোঁ। মোৰ ফালে দুখোজমান আগবাঢ়ি আহি ৰাওঁহাতেৰে চাদৰৰ আঁচলতো কামুৰি এইবাৰ ছোৱালীজনীয়ে মোক উদ্দেশ্য কৰিয়েই কৈছিল—'আপুনিয়েই গল্প-লেখক জতু নেওগ নহয় জানো?

'হয়'—মাতটো কিজানি মোৰ থুকাথুকি হৈ ওলাইছিল। ছোৱালীজনীয়ে মোক গল্পলেখক হিচাবে জনা বুলি জানি মনটো অৰণ্যে ডাঠ ডাঠ লাগিছিল।

মোৰ খোজৰ লগে লগে খোজ পেলাই যাবলৈ আৰম্ভ কৰি নিজক কোৱাদিয়েই ছোৱালীজনীয়ে কৈছিল—'বাচ বোধহয় আজি নাহিব, ব'লক খোজেৰেই যাওঁ। যন্ত্ৰ চালিতৰ দৰে ছোৱালীজনীৰ লগে লগে যোৱাৰ বাহিৰে তেতিয়া মোৰ অন্য উপায় নাছিল।

মাজতে এবাৰ আবেগেৰে ছোৱালীজনীয়ে কৈছিল—'আপোনাক জানে মই বহুত দিনৰ পৰাই দেখিছোঁ। আজি কিন্তু উপযাচিয়েই মাতি পেলালো'।'

মই তেতিয়া কথা কব পৰা নাছিলোঁ। ভাব-ভাষাবে'ৰ হেৰাই গৈছিল। এনেকুৱা এক অপৰিচিত গাভৰু ছোৱালীৰ লগত একেলগে এনেকৈ কথা পতাৰ অভ্যাস মোৰ নাই। খলিহামাৰী তিনি আলিটো পাওঁতে আমাৰ কাৰেদি বাচখন পাৰ হৈ গৈছিল। আমি গৈ আছিলোঁ।

একো নকলে বেয়া দেখি বাবে কিবা এটা কবৰ বাবে মনটোৱে উচপিচাই আছিল। ইমান পৰে ছোৱালীজনীৰ নামটো নুসুধাৰ কাৰণে মোক অভদ্ৰ বুলি ভবা যেনেই লাগিছিল। সুধিলোঁ—'আপোনাৰ নামটো কিন্তু নেজানো; অপোনাৰ নামটো জানিব পাৰো নে?'

মিচিকিয়া ধুনীয়া হাঁহি এটাৰে মুখখন আৰু ধুনীয়া কৰি ছোৱালীজনীয়ে কৈছিল—'মোৰ নাম মনিকা। মনিকা হাজৰিকা।'

বহুত যুঁজি যুঁজি এটা টান অঙ্কৰ উত্তৰ উলিওৱা যেন কিবা এটা গৌৰৱে তেতিয়া মনটোতে ঠাই লৈছিল।

কলেজৰ ওচৰ পাইছিলো। তুই এটা আনকথা পাতিছিলো। মনত নাই। এটা সময়ত কলেজৰ শ শ লৰাছোৱালীৰ মাজত এটা মৰমলগা হাঁহিৰে বিদায় দি মণিকা নামৰ নতুন চিনাকি ছোৱালীজনী কৰ নোৱাৰাকৈ কৰবাত হেৰাই গৈছিল। মই উশাহ লৈছিলো। মণিকাৰ নিচিনা এনেকুৱা এক ধুনীয়া গাভৰুৰ লগত ইমান আন্তৰিকতাৰে কথা পতাৰ আনন্দত নিজকে কিবা বিজয়ী বিজয়ী যেন লাগিছিল। সঁচা কথা কৈছোঁ জীৱনত ইয়াৰ আগতে মণিকাৰ নিচিনা কোনো গাভৰুৰে ইমান আন্তৰিকতাৰে মোৰ নিজৰ থৰৰ লোৱা নাছিল। সেয়ে।

......"ইয়াৰ পিচত মণিকাক বহুতদিন বহুতবাৰ মই লগ পাইছোঁ। থানা চাৰিআলিৰ বাচ ষ্টপ্‌ত, কেতিয়াবা কলেজত। বাচ'ল বৈ বৈ আমনি লাগিলে আজিকালি দুয়ো বিক্সাৰে কোনো দ্বিধাবোধ নকৰাকৈ যাব পৰা হলো। মনগলে কেতিয়াবা খেজ কাঢ়ি মই কলেজলৈ যাওঁ। কথাপাতি ভাল লাগে। মণিকাই কোৱা কথাবোৰ কৰ্ণযেন নেলাগে কিবা মৌ বৰষা অমৃত যেনহে লাগে। বহুত কিবা জানিবলৈ মন যোৱা অচিনাকি মণিকাজনী এতিয়া মোৰ একেবাৰে সহজ যেন লাগিল। মণিকাই আজিকালি প্ৰথম চিনাকিৰ দৰে মোক 'আপুনি' বা 'নেওগ' এই সম্বোধনেৰে নেমাতে। মোৰ প্ৰতি তাইৰ সম্বোধন আপুনিৰ পৰা ক্ৰমে নেওগলৈ নামি আহিল তাৰ পাচত তুমি আৰু এতিয়া অতি নিসংকোচে 'জতুদা' বুলি কব পৰা হ'ল। মণিকাৰ ওচৰত ময়ো আগতকৈ বহুখিনি সহজ হব পাৰিলো। তাইকো আগৰ নিচিনা আপুনি বুলি নকৈ এতিয়া মণিকাৰ ঠাইত 'মণি' বুলি মাতোঁ। আন বহুতৰ দৰে এতিয়া আমি ফুচফুচাই গুণগুণাই মনৰ সৰু-সুৰা কথা পাতো। হাহোঁ। মণিকাৰ সানিধ্যত পৰি এতিয়া মই প্ৰায় ক্লাচ কৰিবলৈ পাহৰি যাওঁ। মণিকা এইবাৰ প্ৰথম বাৰ্ষিকৰ ছাত্ৰী। ক্লাচ কৰা নকৰাৰ অৱশ্যে হিচাব নাই। এইটো বছৰ কাৰোবাৰ লগত হাঁহি ধেমালিৰে কটোৱাৰে সময়। আনহাতে তৃতীয় বাৰ্ষিক ফাইনেল ইয়েৰ বিজ্ঞানৰ ছাত্ৰ যদিও মই মণিকাৰ লগত ঘণ্টাৰ পিচত ঘণ্টা ধৰি কলেজ কেণ্টিনত চাহৰ পিয়লা আগত লৈ মাথো হাঁহি আৰু ধেমালীৰে কটাই দিবলেও দ্বিধাবোধ কৰা নাই। নকৰো। কলেজৰ ক্লাচ এৰি মণিকাৰ অনুৰোধত এতিয়ালৈকে বহুদিন চিনেমা হলত একেলগে বহি চিনেমা চাইছোঁ, চহৰৰ 'ডাইমণ্ড' আৰু 'জুৱেল' ৰেষ্টুৰেণ্টত একেলগে বহি দামী দামী কেক্ মিঠাই খাইছোঁ, মনগলে ৰিক্সাৰে গোটেই চহৰখন এনেয়ে পাক মাৰিছোঁ নহলে পাৰ্কত বহি বহু সময় কব নোৱাৰাকৈ কটাই দিছোঁ হাঁহি-ধেমালীৰে মনৰ অনেক সৰু-সুৰা কথা পাতিছোঁ। জীৱনৰ কিছুমান সঁচা কথা। অন্ত নহয়।

মণিকাৰ সানিধ্যই এতিয়া মোৰ জীৱনলৈ কব নোৱাৰাকৈ বহু কিছু পৰিৱৰ্ত্তন আনিলে। মেচৰ আন কোনোবাই কথাটো ভালকৈ ভূৎ ধৰিব নোৱাৰিলেও মই নিজে নিজেই বুজিব পাৰিলো

পৰিৱৰ্ত্তন অৱশ্যে হবই। মণিকাই ভালপোৱা বেয়াপোৱা ৰুচিলৈ মই চকু দিবই লাগিব। মোৰ কাৰণে মণিকা বহুত কিবা। ঘৰৰ পৰা কোনোবা আহিলে আজিকালি অগতকৈ বেচি টকাৰ তাগাদা কৰোঁ। পৰীক্ষাৰ ওচৰ চাপিছে টকা-পইচাৰ হঠাতে দৰকাৰ। এই কথা অস্বীকাৰ নকৰোঁ যে এতিয়ালৈকে ঘৰৰ পৰা অনা সৰহভাগ টকাই এতিয়া মই মণিকাৰ লগতে খৰচ কৰিছোঁ। মণিকাৰ ওচৰত মই সৰু হব নোৱাৰোঁ। মণিকাৰ লগত টকা-পইচা খৰচ হলেও অৱশ্যে মই আজিলৈকে এনেকৈ ভবা নাই। মানুহৰ টকা-পইচানো কি কথা, মৰম-চেনেহ আচল। টকা-পইচা খৰচ হবই।"........

খুব বিনয় আৰু আগ্ৰহেৰে মনিকাই এদিন মোক এটা অনুৰোধ কৰিছিল। মই হেনো মণিকাহঁতৰ ঘৰলৈ যাব লাগে। মণিকাৰ দেউতাকে মোক চাবলৈ হেনো খুব ইচ্ছা কৰিছে। মণিকাৰ দেউতাক সাহিত্য সঙ্গীতত ৰাপ থকা মানুহ কাৰণেই।

মণিকাৰ সেই অনুৰোধ মই তেতিয়া নাইনুই কৰিব পৰা নাছিলোঁ। মনিকাৰ নিচিনা গাভৰু ছোৱালীৰ এনেকুৱা অনুৰোধ উপেক্ষা কৰাৰ সাহস আৰু শক্তিও মোৰ নাই। যি কি নহওক অন্ততঃ মণিকাহঁতৰ ঘৰখনৰ বিষয়ে কিছু জানিব পাৰিম বুলি জানি ভালেই লাগিল।

পুলিচ ৰিজাৰ্ভ চাৰি আলিৰ কাষতে থকা ভিক্টোৰিয়া ছোৱালী হাইস্কুলৰ কাষেদি যিটো গলি সোমাই গৈছে তাৰ সোঁ-ফালে গলে পোৱা আমলখি গছজোপাৰ কাষৰ ঘৰটোৱেই মণিকাহঁতৰ ঘৰ। মণিকাই মোক বুজাই দিছিল।

পিচদিনা যাওঁ-নেযাওঁ ভাব এটা লৈ মণিকাহঁতৰ ঘৰলৈ বুলি মেচৰ পৰা বাহিৰ হৈ ওলাইছিলোঁ। গধূলি হবলৈ তেতিয়া বেচি পৰ নাছিল। ভিক্টোৰিয়া ছোৱালী হাইস্কুলৰ কাষত ৰিক্সাৰ পৰা নামি কোনটো গলিৰে যাম ভাবি থাকোঁতেই দূৰত দেখিছিলোঁ মণিকাই মোক হাতবাউল দি মাতিছে। মোৰ প্ৰতি থকা মণিকাৰ আগ্ৰহটো দেখি ভাল লাগিল। আকাশীৰঙৰ শাৰী এখন পিন্ধি থকা গধূলিৰ অন্তিম আভাৰ লগত মণিকাজনীক তেতিয়া আৰু বেচি ধুনীয়া লাগিছিল।

নামবিহীন কিছুমান অভিমানেৰে মৰম কৰি মণিকাই মোক আগে আগে বাট দেখুৱাই লৈ গৈছিল। বিবৰ্ণ লথৰা আমলখি গছ এজোপাৰ কাষৰ চুণ দিয়া সাধাৰণ খেৰীঘৰ এটালৈ আঙুলিয়াই মণিকাই মোক কৈছিল—'সেইটোৱেই আমাৰ ঘৰ' কথা পাতি আমি ঘৰটোৰ ওচৰ পাইছিলোঁহি। মণিকাহঁতৰ জীৰাজীৰ্ণ খেৰীঘৰটো তেতিয়া মোৰ চকুত সম্পূৰ্ণৰূপে ধৰা দিছিল। ঘৰটো চুণদিয়া বহুদিন হোৱাৰ বাবেই বোধহয় বেৰৰ চুণবোৰ এৰাই গৈছিল। বানপানীৰ প্ৰচণ্ড গ্ৰাহত আক্ৰান্ত হোৱা কোনোবা নদীৰ পাৰৰ দৰে পিৰালীৰ কাষবোৰ খহি গৈছিল। সমুখৰ দৰ্জ্জাখন লাহেকৈ ঠেলি পৰ্দাখন দাঙি কৈছিল—'আহাঁ জতুদা'।

এটা সৰু কোঠালী। সমুখৰ কোঠাটোকে মাজতে এখন আঁৰকাপোৰ দি কোনোবা থাকিবলৈ উপযোগী কৰি তোলাৰ কাৰণে মানুহ বহিবলৈ থোৱা ঠাইখিনি অত্যন্ত ঠেক আছিল। কোনোমতে এখন টেবুল আৰু দুখন পুৰণি বেতৰ চকিৰে ঠাইখিনি আঁটি আছিল। বেৰত এখন পুৰণি কেলেণ্ডাৰ আৰু কেইখনমান বিভিন্ন ধৰণৰ ছবি বন্ধাই থোৱা আছিল। দুই এখন বোধহয় মনিকাৰ নিজৰ হাতেৰে কৰা। ভিতৰলৈ সোমাই যোৱা দুৱাৰখনৰ ওপৰত হিন্দী আখৰেৰে লিখা আছিল—'খুদাই লাখ লাখ বুৰা চাহেতো কিয়া হোতা হ্যায, এহি হৌতা হ্যায় যো খুদা মনজুৰে হৌতা হ্যায়।' মাটিৰ মজিয়াখন বহুদিন নিলিপাৰ কাৰনেই বোধহয় জেঁকা জেঁকা গোন্ধ এটা কোঠাটোত ভাঁহি ফুৰিছিল।

মনিকা ভিতৰলৈ সোমাই গৈছিল 'বাবা' বাবা বুলি কাৰোবাক মতা শুনিছিলো। আঁৰ কাপোৰখন দাঙি মনিকাই এইবাৰ মোক ভিতৰলৈ সোমোৱাই নিছিল। খিৰিকিৰ ব্যৱস্থা নথকা কাৰণে কোঠাটো যথেষ্ট পৰিমাণে আন্ধাৰ আছিল। গধূলিও অৱশ্যে লাহে লাহে হৈ আহিছিল। লেম্প এটা জ্বলাই সৰু টেবুল এখনত থৈ মনিকা আকৌ ভিতৰলৈ সোমাই গৈছিল। লেম্পৰ ক্ষীণ পোহৰত অতিশয় লেতেৰা সাধাৰণ বিচনা এখনত জীৰ্ণজীৰ্ণ ক্ষীণ দেহৰ কোনোবা এজনক দীঘল দি পৰি থকা দেখিছিলো। কোঠাটোত কাৰোবাৰ উপস্থিতি অনুভৱ কৰিয়েই মানুহজনে মোৰ ফালে মুৰ তুলি চাইছিল। ভোবোৰা এমুখ পকা দাড়িৰে আবৃত বুঢ়া মানুহজনৰ অত্যন্ত ভিতৰলৈ সোমাই যোৱা চকুহাল আন্ধাৰৰ মাজতো তেতিয়া টক টককৈ জিলিকি থকা মোৰ চকুত পৰিছিল। অতি কষ্টৰে বিচনা-খনত ৰহি পঁৰোতে বুজিছিলো বুঢ়াজন অতিশয় দুৰ্ব্বল। বুজিছিলো এইজনেই মনিকাৰ দেউতাক। ভিতৰৰ পৰা মনিকা ওলাই আহি মোক দেখুৱাই মনিকাই কৈছিল—'বাবা, মই যে জতুদাৰ কথা কৈছিলো—এওঁৱেই।

মই নমস্কাৰ কৰিছিলো। এটা নিৰস হাঁহি মাৰি বুঢ়াই মোৰ লগত কথাপতাৰ উদ্দেশ্যে ভালকৈ বহি লৈছিল। মই অপ্ৰস্তুত হৈ পৰিছিলো। যোক মৰা কোঠাটোৰ মাজত তেতিয়া বুঢ়াক মোৰ এটা ভুত যেন লাগিছিল। তামুল পানৰ বটা এটা লৈ বয়সীয়াল ৰঙীয়াল মাইকী মানুহ এজনী সোমাই আহিছিল। চিনাকী হৈছিলো। সেইজনী মনিকাৰ মাক। বয়স হৈছে যদিও মানুহজনীৰ তেজপানী এতিয়াও ভালে আছে। মনিকাৰ মাক হবলৈ শুৱাইছে। চাহৰ পিয়লা আগত লৈ আমি আটায়ে কথা পাতিবলৈ আৰম্ভ কৰিছিলো। দূৰত বজা কোনোবা মজজিদৰ ঘণ্টাৰ দুই এটা শব্দ তেতিয়া কানত পৰিছিলহি।

মনিকাৰ দেউতাক, সেই বুঢ়া মানুহজনৰ লগত সেইদিনা একেৰাহে বহুসময় ধৰি বহুবোৰ কথা পাতিছিলো। সংসাৰৰ কথা নিজৰ

জীৱনৰ ঘাত-প্ৰতিঘাটৰ বহুবোৰ বেদনাদায়ক কথা বুঢ়াই অকনো লুক-ঢাক নকৰাকৈ মোৰ আগত ব্যক্ত কৰিছিল। কথাবোৰ কওঁতে মাজে মাজে বুঢ়াই ৰৈ গৈছিল। একেলেথাৰিয়ে বুঢ়াই কথা কব নোৱাৰে। বুকুত ধৰে। আজি কেইবছৰমানৰ পৰা কিবা এক অচিন ৰোগে বুঢ়াৰ দেহটো খুলি খুলি খাইছে। নিজৰ কথাও বুঢ়াই কবলৈ আৰম্ভ কৰিছিল। তাহানি জীৱনৰ সৰহছোৱা সময় বঢ়াই শিক্ষকতা কৰিয়েই কটালে। আগতে নাটকতো হেনো খুব ভাল অভিনয় কৰিছিল। সাহিত্য সঙ্গীতৰ প্ৰতি বুঢ়াৰ এতিয়াও ৰাপ আছে। উঠি অহা গল্পলেখক সকলৰ মাজত মোৰ লেখনিত কিবা এক নতুনত্ব দেখা যায় বুলি বুঢ়াই মোক প্ৰশংসা কৰাৰ লগতো উৎসাহো দিছিল। জাতি-ধৰ্ম্ম সম্বন্ধীয় আন কিছুমান কথাও বুঢ়াই আলোচনা কৰিছিল যদিও আটাইবোৰ তৎ ধৰিব পৰা নাছিলোঁ। মাজে মাজে নিজৰ বৰ্ত্তমান ঘৰখনৰ শোকলগা অৱস্থাৰ কথা বৰ্ণনা দি বহুসময় বুঢ়া নীৰব হৈ গৈছিল। নিজৰ ওপৰতে ধীক্কাৰ দিছিল বুঢ়াই। মাজতে এবাৰ মনিকাৰ পঢ়া-শুনা কথাও বুঢ়াই আলোচনা কৰিছিল। বুঢ়াৰ কণমানো চিন যদি মনিকাই ৰাখিব পাৰে বুঢ়া তাতেই সুখী। মনিকাক উচিত ৰূপে গঢ়ি তুলিব পাৰিলেই বুঢ়াই জীৱনত শান্তি লভিব। আন আশা বুঢ়াৰ একো নাই।

ৰাতি ভালেখিনি হৈছিল। উঠিবৰ কাৰণে মই যো-জা কৰিছিলোঁ। আটায়ে ভাত খাই যাবলৈ বৰকৈ খাটিছিল, মনিকায়ো মই আপত্তি তুলিছিলোঁ। 'আজিলৈ নধৰিব, ঘৰটো দেখিলোঁ। যেতিয়া মাজে-সময়ে আহিয়েই থাকিম নহয়'। আটায়ে মান্তি হৈছিল। বুঢ়াৰ চকুহাল এইবাৰ আগতকৈ পোহৰ পোহৰ যেন লাগিছিল। আহিবৰ সময়ত বুঢ়াই কৈছিল— 'আহিবলৈ নেপাহৰিবা বাপ, তোমাৰ নিচিনা বহুত জতৰে সহায় কৰি আছে বাবেই এতিয়ালৈকে কোনোমতে জীয়াই আছোঁ। নহলে কেতিয়াবাই মৰিলোহেঁতেন'। বুঢ়াৰ চকহাল পুনৰ করুণ হৈ পৰিছিল। লেম্পটো লৈ মনিকাৰ মাকে দোৱাৰ মুখলৈকে আগবঢ়াই দিছিল। পদূলিলৈকে অহা মনিকাৰ লগত দুটামাত কথা পাতি তাইৰ পৰাও বিদায় লৈছিলোঁ। এটা সময়ত মই ৰাতিৰ এন্ধাৰত হেৰাই গৈছিলোঁ।

মনিকাহঁতৰ ঘৰৰ পৰা ওলাই আহি তেতিয়া মোৰ নিজকে এইমাত্ৰ বন্দীশালৰ পৰা ওলাই অহা এটা দাগী কয়দী যেন লাগিছিল। আলিবাটত ভৰি দি দীঘলকৈ এটা উশাহ টানিছিলোঁ। কলেজলৈ সাজি কাচি ওলাই অহা মনিকাজনী আৰু ঘৰত লগ পোৱা মনিকাজনীৰ মাজৰ পাৰ্থক্যটো ভাবি ভাবি সিদিনা মই একাকে আঁত বিচাৰি পোৱা নাছিলোঁ। কিন্তু মনিকাতো তেতিয়া মোৰ আগত এই বিষয়ে অলপো ইতস্ততঃ বোধ কৰা নাছিল, অপ্ৰস্তুত হোৱা নাছিল।

এৰা পৃথিবীৰ মণিকাহঁত বৰ জটিল। কিবা পাক লগা।

মাজতে বহুতদিন মই মণিকাক লগ পোৱা নাছিলোঁ। মোৰ পৰীক্ষা সময়ো পাইছিলহি। মণিকাৰ খবৰ লবলৈ তেনেকৈ সময়ো নাছিল। মনটোৱে কিন্তু সদায় মনিকাকে বিচাৰিছিল। মনটো কিবা উকা উকা লাগিছিল। মনটো ভাল নলগাত দেৰিকৈ হলেও এদিন চিনেমা চাওঁ বুলিয়েই ওলাই গলোঁ। মই চিনেমা হল পাওঁমানে তেতিয়া চিনেমা হলৰ টিকট দিয়া ঘৰবোৰ সম্পূৰ্ণৰূপে বন্ধ হৈ গৈছিল। বাহিৰত কিন্তু মানুহৰ জুম তেতিয়াও কমা নাছিল। কোনোবাই তুটকা দামৰ টিকট তেতিয়া অধিক লাভ লৈ বিক্ৰি কৰাত মানুহৰ জুমৰ মাজত কিবা হেতাওপৰা লাগিছিল। 'দেশৰ অনাটনত খাবলৈ নেপাই মানুহ মৰিলেও চিনেমাহলত ভীৰ নকমে বোলা কথাষাৰ সঁচা সঁচা যেন লাগিল। তুটকা দামৰ টিকত এটা চৰাদাম দি কিনিয়েই চিনেমাহলৰ ভিতৰলৈ সোমাই গলো। উপায় নাই। বহুত মানুহ গোটেই : হলটো তেতিয়া মানুহে ঠাহখাই পৰিছিল। মই নিজৰ আসন গ্ৰহণ কৰা সময়খিনি লৈকে চিনেমাৰ বহুখিনি পাৰ হৈ গৈছিল। মোৰ আগৰ চিটত এহাল ডেকা-গাভৰুৱে গাতে গা লগাই নিজৰ ভিতৰতে গুনগুনাই কিবা কিৰি কথা পতাত ব্যস্ত আছিল। সৰু সৰু কথা। মনৰ গোপন তলিত জমা হোৱা কিছুমান ৰঙীন কথা। চিনেমা চলি থকাৰ অৱস্থাৰ সেই ক্ষীণ পোহৰতে দেখি বুজিব পাৰিছিলো ছোৱালীজনী দেখিবলৈ ধুনীয়া। চিনেমাখন সমূলি মোৰ ভাল লগা নাছিল। তাতোকৈ ডেকা-গাভৰু হালৰ জোৰীয়া মনৰ কথাবোৰ শুনিবলৈহে মোৰ বৰকৈ ইচ্ছা গৈছিল। চিনেমা শেষ হবৰ তেতিয়া বেচি সময় নাছিল। হঠাতে এবাৰ মই জিকাৰ খাই উঠিছিলোঁ। কোবখোৱা সাপৰ দৰে কৰ নোৱাৰাকৈ মই থৰ হৈ গৈছিলো। লগত বহা ডেকাজনৰ আগত ছোৱালী জনীয়ে মোৰ বিষয়ে এইবোৰ কি কথা কৈছে ? গাত মোৰ তেতিয়া কঁপনি উঠি গৈছিল। ছোৱালীজনীৰ ডিঙিটো খুব জোৰেৰে চেপি মাৰি পেলাবৰ মন গৈছিল। ডিঙি মেলি ছোৱালীজনীক খুব ভালকৈ নিৰক্ষণ কৰিছিলোঁ। ক্ষীণ পোহৰতে এবাৰ দেখিছিলো সেইজনী মনিকা।

আন্ধাৰত ভালকৈ চিনিব নোৱৰা সেই ডেকাজনৰ গাত ভেজা দি মনিকাই তেতিয়া যিবোৰ কথা কৈছিল মই নিজৰ কান দুখনকে বিশ্বাস কৰিব পৰা নাছিলো মই তেতিয়া বোবা হৈ গৈছিলোঁ। ডিঙিটো শুকাই গৈছিল। ডেকাজনৰ প্ৰশ্নৰ উত্তৰ দি তেতিয়া মনিকাই কৈছিল—'অ জতুদাৰ কথা কৈছা ? তুই এটা গল্প লিখিলেই হ'লনে ? জানা বুলদা, আচলতে সি এটা মস্ত বেকৰাৰড্।' মনিকাৰ সেইটো বুলদানো কোন তেতিয়া মোৰ জানিবৰ ইচ্ছা গৈছিল।

মনিকাই কোৱা কথাবোৰ শুনি মই জথৰ

হৈ গৈছিলোঁ। ডিঙিটো কোনোবাই চেপি ধৰা যেন লাগিছিল। জাতীয় সঙ্গীতৰ নিচিনা এটা সম্মানীয় গীতকো উপেক্ষা কৰি তেতিয়া মই চিনেমা হলৰ পৰা ওলাই আহিছিলোঁ। লাইটৰ উজ্বল পোহৰত দেখিছিলোঁ। মনিকাৰ লগত একেলগে বহি চিনেমা চোৱা সেই 'বুলদা' আন কোনো নহয় আমাৰ মেচৰ মোৰে ৰুমমেট মাধৱ কাকতী।

মনিকাৰ কথাবোৰ ভাবি ভাবি মেচলৈ ঘুৰি আহোঁতে তেতিয়া নিজকে বৰহীন হীন লাগিছিল ঘীন ঘীনো লাগিছিল। নিজকে দুপৰ নিশা কোনোবা বেশ্যাৰ ঘৰৰ পৰা ঘুৰি অহা এটা লম্পট যেন লাগিছিল। আলিবাটত পৰি থকা দুই এটা শিলগুটি ভৰিৰে গুৰি-য়াই গুৰিয়াই আহোতে মনিকাৰ বুঢ়া বাপেক-টোৰে কোৱা এষাৰ কথা মনত পৰিছিল 'তোমাৰ নিচিনা বহুত জতুৰে সহায় কৰি আছে বাবেই এতিয়ালৈকে কোনো মতে জীয়াই আছোঁ।' বিচনাত দীঘল দি পৰি মনিকাৰ কথা ভাবি সেইদিনা ৰাতি বহুপৰলৈকে মই জাগি আছিলোঁ। টোপনি যোৱাৰ বহুপৰৰ পিচতো চকুৰ পতা কিটা গধুৰ গধুৰ লাগি আছিল।——

সেয়ে আজি ভাবিছোঁ দুবোধ্য এক সাঁথৰ যেন লগা ৰহস্যময়ী এই মনিকাজনীক কেন্দ্ৰ কৰি মই এটা গল্প লিখিম। কি বুলি লিখিম বাৰু? গল্পটোৰ নাম কি দিম? নাম দিম—'ওৰণিৰ তলত'।'

মণিকাৰ লগত মোৰ ৰুমমেট মাধৱ-কাকতীৰ ক'ত আৰু কেনেকৈ মনিকাৰ লগত ইমান ঘনিষ্ঠ সমন্ধ গঢ়ি উঠিল সেই কথা হলে মাধৱ কাকতীক মই আজি পৰ্য্যন্ত সোধা নাই। আৰু নুসুধোও। কাহানিও।

———

উচ্চতৰ ধৰ্ম্ম অনুশীলন কৰাটোহে মনুষ্যত্বৰ গৌৰৱ। আত্মবলহে উচ্চতৰ ধৰ্ম্ম, দেহৰ ব'ল নহয়।

—মহাত্মাৰ বানী।

সুবিমলৰ দৰে লম্পট আৰু স্বাৰ্থপৰ পুৰুষে নিজ স্বাৰ্থৰ বাদে কাকো চিনি নাপায়!
নিজৰ বাকদত্তা মাধবীক চিনি পোৱাৰ শক্তি সুবিমলে কেতিয়াবাই
হেৰুৱাই পেলাইছে। মাধবীৰ দৰে নিৰিহ নিষ্কলুষ
গাভৰু বিলাকেই পৃথিবীখন অধিক
সুন্দৰ কৰি তুলিছে।

# "ব্যৰ্থ লাৱণ্য"

দ্বিজদাস মণ্ডল
১ম বাৰ্ষিক (বিজ্ঞান)

সুবিমল আকৌ এবাৰ সেই সৰু গলিটোৰ ভিতৰত প্ৰবেশ কৰিলে। ক্ষন্তেক আগেয়ে সন্ধিয়া নামিছেহি। গ্যাস পোষ্টৰ পোহৰতো গলিটোৰ ভিতৰ খণ্ড তেনেই অস্বচ্ছ হৈ আছে। গলিটোৰ একাষত গোটাই থোৱা কিছুমান ছাইৰ ওপৰতে এটা আধামৰা মেকুৰী পোৱালি শুই আছে। এজন বুঢ়া মানুহ গা মূৰ ঢাকি দং দং কৈ গলিটোয়েদি ওলাই গ'ল। আৰু সুবিমল; আজি পোন্ধৰ বছৰৰ আগৰ চিনাকী পকীঘৰ এটা বিচাৰি আলিৰ ইমূৰ-সিমূৰ কৰি আছে।

অৱশেষত বগা বিল্ডিং এটাৰ তলত ঠিয় দি মনে মনে ভাবিলে—"হয়, এইটোৱেই হয়"। এই লাইট পোষ্টৰে তলত ঠিয় দি আজি পোন্ধৰ বছৰ আগৰ এৰাতিত তেওঁ আধা-ঘণ্টা ধৰি কেবল ছিগাৰেট খাইছিল। সিদিনাখনটো এই বিল্ডিং ইমান অচিনাকী লগা নাছিল!

সুবিমলে আকৌ এবাৰ ভালকৈ লক্ষ্য কৰিলে। নিশ্চয় এই তিনিমহলাটো নতুনকৈ সাজিছে। হয়তো যুদ্ধৰ বজাৰত জগদীশ বাবুৱে নিজৰ অৱস্থাৰ কিছু পৰিবৰ্তন আনিবৰ সমৰ্থ হৈছিল। নিশ্চয় আগৰ সেই দৰিদ্ৰতা এতিয়া আৰু নাই। ব্যৱসায়ত উন্নতি কৰি এতিয়া হৈ পৰিছে বহু ধন-সম্পত্তিৰ অধিকাৰী আৰু মাধবীও.........।

সুবিমলে চিন্তাধাৰা হঠাতে থমকি যোৱা যেন অনুভব কৰিলে। মনতে ভাবিলে—"নাই, মাধৱী এতিয়াও বিয়া কৰোৱা নাই।" এই খবৰ তেওঁ কিছুদিন আগেয়ে তেওঁৰ কলেজীয়া বন্ধু অমলৰ পৰা পাইছিল। এই খবৰ নেপালে হয়তো তেওঁ সুদূৰ বোম্বেৰ পৰা কলিকতালৈ অহাতো সন্দেহ আছিল। আৰু অন্ধকাৰ গলিৰ ভিতৰত স্মৃতিৰ কোঠা বিচাৰি বিচাৰি ...... ...। মাধৱীক মনলৈ আনিব কোনো চেষ্টাৰ প্ৰয়োজন নহয়। আজিও তেওঁৰ হৃদয়ত বেলিৰ পোহৰৰ দৰে দীপ্তমান হৈ আছে। তেওঁৰ মানস পটৰ আজিও সেই ৰম্নী গৌৰাঙ্গী ছোৱালীজনীৰ ছবি অধিষ্ঠিত হৈ আছে। তাইৰ আঠুসমান চুলি, পদুমৰ দৰে কোমল আৰু হৰনী নয়নে যেনিবা গভীৰ ৰাতিৰ নক্ষত্ৰৰ দৰে উজ্বল পোহৰে উন্নত বুকুত যৌৱনৰ ছাপে উপছি পৰিছে। এই সুদীৰ্ঘ পোন্ধৰ বছৰৰ ভিতৰত এদিনৰ কাৰনেও সুবিমলে তাইৰ যৌৱনদীপ্ত মুখখনিৰ কথা পাহৰিব পৰা নাছিল। আজি চাগে তেওঁৰ চুলি আধা পকা হৈ গৈছে! মুখমণ্ডলত ভঁাহি উঠিছে তেওঁৰ বয়সৰ চিন। পোন্ধৰ বছৰ আগৰ এক তৰুণ যুৱক আজি পৌঢ়ত্বৰ কোলাত ভৰি দিছে। তথাপিও তেওঁৰ মনৰ অনুভূতি যেন আজিও সেই পোন্ধৰ বছৰৰ আগৰ একে তৰুণী।

তেওঁ গ্যাসৰ ক্ষীন পোহৰত ঘড়ীতো এবাৰ চাই ললে। আৰু জেপৰ পৰা মিহি ৰুমালখন উলিয়াই মুখ-খন ভালকৈ মোহাৰি ললে। তাৰ পাছত তুৱাৰৰ ওচৰলৈ আহি মাত লগালে—"জগদীশ বাবু, অ' জগদীশ বাবু। বাহিৰৰ কোঠা এটাৰ খিৰীকী এখন খুলি এজন বুঢ়া মানুহে মাত দিলে—"কাক বিচাৰিছে?"

পোহৰত মুখখন ভালকৈ লক্ষ্য কৰি কলে —"জগদীশ বাবুক"।—ওঁহোঁ, এই নামৰ ইয়াত কোনো নাথাকে। বুঢ়াজনে খিৰীকী খন বন্ধ কৰিব খোজোঁতে সুবিমলে বাধা দি তালৈ ব্যগ্ৰ কণ্ঠেৰে কলে—"আজি পোন্ধৰ বছৰৰ আগেয়ে তেখেত ইয়াতে আছিল। এই সুদীৰ্ঘ কালৰ ভিতৰত মই আফ্ৰিয়ে আহিছো। তেখেতৰ ঠিকনাতো দয়া কৰি কবনে? মই বহু সময় ধৰি তেখেতক বিচাৰি ফুৰিছোঁ।"

"অ'...সেই মানুহজন! তেওঁ আৰু এতিয়া বাকি থকা নাই। মই আজি সাত বছৰৰ আগেয়ে এই ঘৰতো কিনিছো। শুনিব পাইছোঁ তেখেতৰ ছোৱালীজনী হেনো সেই-ফালে ঘৰ এটাত থাকে।"—"হয়...হয়। মই তাইকে বিচাৰিছোঁ। কোনটো ঘৰ?"—"সেই ফালে চিধা গৈ সোঁফালে এটি বাগিছা পাব, তাতেই খিড়িকীখন বন্ধ হৈ গল।

এন্ধাৰ গলিয়েদি সুবিমলে আকৌ আগ বাঢ়িলে। নিৰ্দ্দিষ্ট বাগিছাৰ কামতে আহি ঘৰটো আবিস্কাৰ কৰিলে। এটি চূনবালি ঘঁহি পৰা পুৰনি ঘৰৰ অংশ বিশেষ। ভিতৰত চাকী জ্বলিছেহী। মেচ এটা মাৰি ঘৰৰ উঠি যোৱা নম্বৰটো ভালকৈ চাই ললে। আৰু তাতেই

তেওঁ ঠিয় দি স্তব্ধ লৈ ৰ'ল। বাৰে বাৰে চেষ্টা কৰিও তেওঁ তেওঁৰ বহু পৰিচিত নামেৰে মাতিব নোৱাৰিলে। কিন্তু মনতে বহুবাৰ আবৃত্তি কৰিলে—মাধবী....মা...ধ...বী...।

কিন্তু কণ্ঠেদি আৰু তেওঁৰ স্বৰ নোলাল। কাষৰ ভাষ্টবিন এটি বেৰত হেলান দি চাগে তেওঁ ভাবিছিল বহুদিন আগৰ ৰাতি সমূহৰ ঘটনা। তেওঁ অহা খবৰ পালে উন্মুখ আগ্ৰহেৰে মুখৰ হৈ থাকিছিল সেই অষ্টাদশী ছোৱালীজনী। অষ্টাদশী গাভৰু জনীৰ মূৰত জলভৰা মেঘৰ বিদ্যুতো থমকি ৰৈছিল। সেই ক্ষীন দিপলিপী গাভৰু জনীৰ মায়া সাগৰত সুবিমলে চাগে খন্তেকতে ডুবি গ'ল।

দুৱাৰ খোলাৰ শব্দত সুবিমল চামকি উঠিল। প্ৰায় এন্ধাৰ কোঠা এটাৰ পৰা তিৰোতাৰ কণ্ঠৰ প্ৰশ্ন ভাঁহি আহিল।

—"কোন ? কোন তাত ঠিয় হৈ আছে ?" হাতৰ চিগাৰেট পেলাই দি সুবিমল আগবাঢ়ি গল। দুৱাৰ মুখত থিয় দি দেখে এজনী মধ্যবয়সীয়া ক্ষীন নাৰী। তাইৰ ৰং শ্যাম-বৰ্ণৰ আৰু নাৰী লাবন্যৰ কোনো চিনে নাই। মূৰত সৰু সৰু চুলি। প্ৰয়াস নাই বুলিব পাৰি। সৰু সৰু ঘূৰণীয়া চকুৰ তীক্ষ্ণ চাহনীত সুবিমল নতহৈ পৰিল। অতি বিবৰ্ণ জীৰ্ণ শৰীৰৰ দৰিদ্ৰতাত সেই নাৰী আৰু বেছি সুস্পষ্ট হৈ পৰিছিল। তেওঁৰ চকুৰ আগত।

অতিকষ্টে সুবিমলে ক'লে—"মাধবী বোস ইয়াত থাকে নেকি ?" জগদীশ বাবুৰ ছোৱালী মাধবী ?"

হঠাৎ চাৰিওপিনে কিবা এটা পৰিবৰ্ত্তন হোৱা যেন অনুমান হ'ল। সেই দাৰিদ্ৰশীল ভাববৰ্ণহীন নাৰীৰ বিলীন কণ্ঠত অকস্মাৎ যেন এটা উৎসাহ প্ৰষ্ট হৈ পৰিল। বহু সময় মনে মনে থাকি মাত দিলে—

—"আপুনি কব পৰা আহিছে ?"

—"বোম্বেৰ পৰা।"

—"ভিতৰলৈ আহক"।

শতচ্ছিন্ন লেতেৰা পাটি এখন পাৰি দি সুবিমলক বহিবলৈ কলে। সুবিমলে লাজে অপমানে একাষতে বহি পৰিল। আৰু সুধিলে-"আপুনি কোন কব নোৱাৰো কিন্তু মই আজি পোন্ধৰ বছৰ ধৰি ভাৰতৰ বাহিৰে বাহিৰে ঘুৰি ফুৰিছোঁ। বোম্বেত নামি ইয়ালৈ লৰি আহিছোঁ মাধবীক মোৰ দৰ্কাৰ·· জীৱন দৰ্কাৰ।

স্পষ্ট স্বৰ, অথচ লাহে লাহে সেই তিৰোতা গৰাকীয়ে উত্তৰ দিবলৈ চেষ্টা কৰিলে।

—আপুনি কোন ? মই চিনি পাইছোঁ। মই মাধবীৰে এক ভনী। মোৰ আগত তাই একোৱেই গোপন কৰা নাই। কেৱল আপুনি আহিব বুলিয়েই তাই এই গলি এৰি যাব খোজা নাই। আজি অতদিন ধৰি দৰিদ্ৰ, অনাথন আৰু অমানুহ সকলৰ সৈতে সংগ্ৰাম কৰিয়ে বাচি আছিল। কিন্তু আপুনি আৰু ফিৰি নাহিলে কিয় ?

নিমিষতে সুবিমল ব্যাকুল হৈ পৰিল। আৰু কলে -মই আহোঁ কেনৈকৈ ? মই যে

যুদ্ধত যোগদান কৰিছিলোঁ। ইয়াৰ আগত যে উভতিবৰ কোনো নাছিল মোৰ।

কিছুসময় দুয়ো নিস্তব্ধ হৈ ৰল! পিছত তিৰোতা গৰাকীয়ে সুধিলে—আপুনি যিটো ডিগ্ৰীৰ কাৰণে জাৰ্ম্মানলৈ গৈছিল। সেইটো পিছে পালে নে নাই?

—নাই। মই আকৌ……।

—কিন্তু তাৰ কাৰনেইতো মাধবীয়ে মাকৰ অলঙ্কাৰ চুৰ কৰি আপোনাৰ হাতত তুলি দিছিল। আৰু…।

সুবিমলে হঠাৎ তেখেতৰ মুখৰ পিনে লক্ষ্য কৰিলে। কিন্তু চাকীৰ ক্ষীন পোহৰত তেখেতৰ মুখৰ ভাব বুজাৰ কোনো উপায় নাছিল। তেখেতে কৈ গৈয়ে আছে—"সেই কাৰণে তাই যে ক'ত লাঞ্চনা সহ্য কৰিছিল। তাই কেৱল জানিছিল-সুবিমল ডাঙৰ হৈ উভতি আহিব। তেতিয়াহে তাইৰ অখণ্ড কলঙ্ক অমৃত হৈ উঠিলেহেঁতেন। তাইৰ সকলো আশা-আকাঙ্খ্যা আৰু সপোন নিৰ্ভৰ কৰিছিল তোমাৰ উভতি অহাৰ ওপৰত। ৰাতিৰ পাছত ৰাতিৰ বিনিন্দ্ৰ চকুৰে চাই আছিল বাটৰ ফালে। দিনৰ পাছত দিন গনিছিল তোমাৰেই প্ৰতীক্ষাত। কিন্তু—তুমি আৰু নাহিলা।"

সুবিমলে বেজাৰ কাতৰ হৈ উঠিছিল। "মোৰ অপৰাধৰ সন্ত নাই। কিন্তু মই আহোঁ কেনেকৈ? তেতিয়াও যে জাৰ্ম্মেনীত বিদেশীৰ অত্যাচাৰ চলি আছিল।"

—"মিছা কথা। জাৰ্ম্মেনী ছোৱালী খ্যাগনেছৰ কথাও মাধবীয়ে শুনিছিল। ইমান নিৰ্ব্বোধ তাই, তাৰ পাছতো—। কিন্তু কিয় তুমি এনে কৰিলা, সুবিমল?"

সুবিমলে কিবা কবলৈ চেষ্টা কৰিছিল। কিন্তু হাত ভাঙি তেখেতে বাধা দিলে। সেই এন্ধাৰ কোঠালীতে বহি মাধবীৰ কথালৈ তেখেতে গাই আছিল—"মাধৱীয়ে মোক সকলো কৈছে। তাইৰ অন্তৰৰ কথা। মই তাইৰ সকলো কাহিনী জানো। শুনিছোঁ এদিন ভীষন ধুমুহাৰ মাজতো তাই হেনো তোমাৰ অপেক্ষাত বহি কটাইছিল। জাৰ্ম্মান যোৱাৰ আগৰ কথা কৈছোঁ। তুমি তাইক ক'ত আশা দিছিলা। দিনৰ পাছত দিনে তাইক ক'ত যে মধুৰ আশাৰ পোহৰত ভৰি দিয়াই-ছিল তাইৰ নিবোধ সৰলতাক। তুমি হেনো ইয়াকে কৈছিলা যে মই য'তেই নাথাকো; মই কেৱল তোমাৰেই—কেৱল তোমাৰেই।"

—"মই তাইৰ ভৰিত ধৰি ক্ষমা খুজিম। সেয়েহে মই দৌৰি আহিছো। আপুনি বিশ্বাস কৰক। মাধবী ক'ত আছে? মোক এতিয়াই কওক, মাত দিয়ক।"

এটি ম্লান হাঁহিৰে সৈতে চকুলো ভাহিঁ উঠিল সেই নাৰীৰ মুখমণ্ডলত। বাৰে বাৰে তেখেতে কিবা কবলৈ চেষ্টা কৰিছিল। হঠাৎ দৌৰি আহি সুবিমলক সাৱতি ধৰি চিঞৰি উঠিব খুজিছিল। কিন্তু নিশব্দে উঠি সেই ক্ষীন চাকিটো আৰু উজ্বল কৰি মুখৰ ওচৰত দাঙি ধৰিলে। আৰু সুবিমলৰ চকুলৈ চাই

অত্যান্ত জকল আৰু মৰ্ম্মাহত সুৰেৰে কলে-- "আপুনি আৰু তাইক ক'ত বিচাৰি পাব ? তাই-- ।"

তাই ক'ত ? কওক তাই ক'ত আছে ? ব্যাকুল সুবিমলে সেই নাৰীৰ চকুৰ ফালে চাই চিঞৰি উঠিছিল। দৃষ্টি নমায় সেই গভীৰ আন্ধাৰৰ মাজত মুখ লুকুৱাব চেষ্টা কৰোঁতে নাৰীয়ে অস্পষ্ট-মাতেৰে কলে-- "মাধবী--বাচি নাই।"

জ্বলি থকা চাকীটো হঠাৎ ম্লান হৈ পৰিছিল। লগে লগে সেই গভীৰ এন্ধাৰৰ মাজত দুয়ো দুয়োৰে আদৃশ্য হৈ পৰিছিল।

সেই নিজান গলিৰ নৈঃশব্দত ভৰি উঠিল সেই সৰু কেটালিতো সবাবৰ পৰা এজাক প্ৰচন্দ ধুমুহা বতাহ আহে বেৰত দি লেপাৰ ভিতৰ সোমায় পৰিছিল।

এন্ধাৰৰ মাজত লাহে লাহে সুবিমল মিলি গৈছিল। নাৰীয়ে অনুভৱ কৰিছিল, 'ইমান পৰে তেওঁ গলিত সোমাইছেহি। এতিয়া বহুদূৰ পালেগৈ। এতিয়া পালেগৈ পকা আলি, কলিকতা, বোম্বে, জাৰ্ম্মান, ঘ্যাগনেছ ?

হঠাৎ সেই কঠিন মেজৰ ওপৰত সেই করুণদৃষ্টি হৃত লাবন্যা নাৰী লুটিয়াই পৰি আফুলা হৈ কান্দিব ধৰিলে সুবিমল নোৱাৰিলা নোৱাৰিলা মোক চিনিবলৈ।

---

মই ভাৰতৰ প্ৰতি আকৃষ্ট হৈছোঁ কিয়নো মোৰ বোলা সকলো খিনি ভাৰতৰ দান।

মহাত্মাৰ বাণী

এটি দিনৰ এটি মুহূর্ত্তৰ অকণমান ভুলেই যে এটা জীৱন নিঃশেষ কৰি দিব পাৰে; দিগন্তই জানো তাৰ প্ৰতীক নহয়? ভুলৰ পিচত অনুতাপ আছে; কিন্তু গীতি, গীতিৰ বহুত পলম হৈ গ'ল.........। —সম্পাদক।

# অপূৰণ

(চুটি গল্প)

শ্ৰীখগেশ্বৰ গোহাঁই
১ম বাৰ্ষিক কলা।

কোব খোৱা এটা সাপৰ দৰেই মই স্থবিৰ হৈ প'ৰিছিলো—মাধুৰিমা যেতিয়া দিগন্তদাই মোক প্ৰশ্ন কৰিছিল "কোন তুমি? মধুছন্দা।" কথাষাৰৰ মাজত এটা অত্যাধিক ব্যাকুলতাৰ ভাব লুকাই আছিল। মই বহু পৰলৈকে একো কব নোৱাৰিছিলো মাধুৰিমা।—মোৰ সমস্ত বাক শক্তিক যেন কিবা এটা অজান শক্তিয়ে ডিঙিত চেপা দি বন্ধ কৰি দিছিল।

মাধুৰিমা তই হয়তো আজি দিগন্তক একেবাৰেই পাহৰি গলি। সেই যে তোৰ এদিনৰ প্ৰাণৰ দিগন্তদা আছিল। ভাবিছিলো মাধুৰিমা—তই দিগন্তক পাহৰি যাব নোৱাৰিবি বুলি। ইমান সহজে ইমান নিৰ্ম্মল ভাবে বাৰু তই কেনেকৈ পাহৰি গ'লি? জানো মাধুৰিমা তই যে দিগন্তৰ স্মৃতি আজি একেবাৰেই মোহাৰি পেলালি বুলি। নাজানো মাধুৰিমা দিগন্তই তোক আজি আশীৰ্ব্বাদেই দিছে নে, অভিশাপেই দিছে। আৰু এইটোও নাজানো মানুহৰ আশীৰ্ব্বাদ বা অভিশাপে কিবা কাম কৰিব পাৰেনে নোৱাৰে। কিন্তু মই কওঁ মাধুৰিমা দিগন্তক তই একেবাৰেই পাহৰি যোৱাটো ভুল হৈছে। হয়তো তই আজি মোৰ কথাবোৰক গুৰুত্ব নিদি হাঁহি উৰুৱাই দিব পাৰ। তই যিয়েই নকৰ লাগে মই তোক কওঁ যে মাধুৰিমা দিগন্তক তই একেবাৰেই পাহৰি যোৱাটো সিমান উচিত হোৱা নাই যেন লাগে।

দিগন্তই যে তোক প্ৰাণ ভৰি ভাল

পাইছিল সেইটো জানো। আৰু তয়ো হয়তো দিগন্তৰ অন্তৰখনৰ কথা খুউব ভালকৈ বুজিছিলি। সেয়েহে জীৱনৰ কোনোবা এটা দুৰ্ব্বল মুহূৰ্ত্তত পৰি তয়ো দিগন্তক ভাল পাই পেলাইছিলি! কিন্তু দিগন্ত তোৰ বাবে সি যেন এটা আকাশৰ দিগন্তৰ দৰেই আছিল যাক স্পৰ্শ কৰিব নোৱাৰি মাথো চাব পাৰি নিলগৰ পৰা।

মৃদুলৰ মৃদু মধুৰ পৰশত তই হয়তো আজি আত্মহাৰা মৃদুলৰ মৃদু মধুৰ আবৰণে তোক হয়তো আজি দিগন্তৰ কথা চিন্তা কৰিবলৈ অকনো অব্যাহতি দিয়া নাই। মৃদুলৰ মৃদু মধুৰ পৰশ পাইয়ো তই দিগন্তৰ কথা চিন্তা কৰাতো উচিত হয়নে নহয় সেইটো মই কব নোৱাৰো। তই হয়তো ভাবিছ আজি দিগন্তই তোৰ স্মৃতি একেবাৰেই পাহৰি গৈছে—হয়তো পাহৰি গৈছে—নিশাৰ এটি মধুৰ সপোনৰ দৰেই।—কিন্তু জীৱনটো জানো এটা সপোন মাধুৰিমা—? বা 'জীৱনটোক সপোন বুলি কোৱাৰ দুঃসাহস আছেইবা কেইজনৰ? কব নোৱাৰো দিগন্তই তোক জীৱনত কিবা অনুপ্ৰেৰণা পাবিলে নে নাই। —কিন্তু মোৰ জীৱনত দিগন্তই দি গৈছিল এক অপৰিসীম অনুপ্ৰেৰণাৰ উৎস। সেই অনুপ্ৰেৰণাই আনিছিল মোৰ শুকান জীৱনলৈ বাৰিষৰা এক নতুন প্লাৱন। সেয়েহে মই দিগন্তৰ ওচৰত চিৰ ঋণী।

হয়তো তই আজি মোৰ বলিয়া প্ৰলাপবোৰ শুনি হাঁহিবি, নতুবা দিগন্তৰ প্ৰতি মোৰ এই অপ্ৰত্যাশিত সমবেদনাত আচৰিত হৈ পৰিবি। কাৰণ দিগন্তক জানো এদিন মই নিজ মুখেৰে গালি পৰা নাই? সেইয়া আজি তিনিটা বছৰৰ আগৰ কথা। নকলে হবনে দিগন্তই আমাৰ ঘৰখনৰ বহুখিনি মৰম অধিকাৰ কৰি লৈছিল। কাৰণ দিগন্ত আমাৰ ঘৰখনৰ লগত সৰুৰে পৰা জড়িত আছিল। কাৰণ স্কুলত পঢ়ি থকা দিনৰে পৰা দিগন্ত আমাৰ ঘৰলৈ আহিছিল। যেহেতু ককাইদেউৰ লগত দিগন্তৰ বৰ বন্ধুত্ব আছিল। দিন যোৱাৰ লগে লগে দিগন্ত আমাৰ ঘৰখনৰ লগত সহজ হৈ পৰিছিল। কিন্তু এদিন এইটো স্পষ্ট হৈ পৰিছিল যে দিগন্তই তোক ভাল পাব বিচাৰে। দিগন্তই খুউব বেচি কথা কৈছিল, কিন্তু মোৰ লগত বৰকৈ কথা নাপাতিছিল। কিবা এটা দৰকাৰ হলে প্ৰথমে তোকেই মাতিছিল। কিন্তু দিগন্তই মোক খুউব মৰম কৰিছিল হয়তো তোতকৈও বেচি। কেতিয়াবা মই নিজেই আচৰিত ভাবো দিগন্তই মোক কিয় ইমান ভাল পায়—কিয় মোক ইমান মৰম কৰিছিল। অৱশ্যে মানুহে মানুহক মৰম কৰাটো একো আচৰিত নহয়। হলেও কেতিয়াবা মই এই কথাষাৰ সহজভাবে লব নোৱাৰিছিলো। কেতিয়াবা ভাবো দিগন্তই তোক ভাল পাবৰ বাবেই আমাৰ ঘৰখনক ভাল পোৱাৰলৈয়ে মোক বেচিকৈ ভাল পাইছিল। বা ভাল পোৱাৰ অভিনয় কৰি দেখুৱাইছিল। এই মৰমৰ অন্তৰালত কিয়েই বা আছিল।

দিগন্তই মোক কৈছিল "প্ৰীতি তোমাক মোৰ নিজৰ ভন্টিৰ দৰেই লাগে, অৰুণৰ ভন্টি যদি তুমি মোৰো ভন্টি নহয় জানো ?" আৰু ময়ো কৈছিলো— "তোমাক মোৰ নিজৰ ককাইদেউৰ দৰে লাগে দিগন্তদা, কিয় মই নিজেই নাজানো।"

প্ৰথমে আমি সকলোৱে দিগন্তদাক সহজ ভাবেই লৈছিলো। কিন্তু পাছলৈ আমি কোনেও সহজ ভাবে লব নোৱাৰা হলো। আমি গোটেই ঘৰ খনেই সজাগ হৈ পৰিলো। কাৰণ ইতিমধ্যে তহঁতি বহুখিনি আগবাঢ়ি গৈছিলি। আমি সকলোৱে গম পাইছিলো। গম পাইছিল ককাইদেৱেও। মই এদিন সাৱধান কৰি দিছিলো। তই মোক ফাঁকি দি কৈছিলি "বাইদেউ! এই বিষয়ে তহঁতি ভাবি কোনো মূৰ ঘমাৰৰ আৱশ্যক নকৰে। তই যেনেকৈ দিগন্তদাক নিজৰ ককাইদেউৰ দৰে ভাব ময়ো সেইদৰেই ভাবো।" কিন্তু তই যে ফাঁকি দিছিলি আমি সকলোৱে বুজিছিলো। শেষলৈ দিগন্তদাক ককাইদেৱে ভাল নোপোৱা হ'ল। কিন্তু আগত একো কোৱা নাছিল। হয়তো তাৰ বন্ধু আছিল বাবেই। কিন্তু পিছত ওলাই গলেই কৈছিল— "গোজেই গজালি হয়। আস পালে কুকুৰে গললৈকে জপিয়াব খোজে। ইয়াক আৰু সাৱধান নকৰিলে নহব।" এদিন তোকো দিগন্ত আহিলে বৰ বেচি কথা নাপাতিবলৈ সাৱধান কৰি দিছিল।

কিন্তু দিগন্তদাই মোৰ লগত খুউব ভাল কথাই পাতিছিল। মোক সদায় ভাল হবলৈ পঢ়িবলৈ উপদেশ দি আহিছিল। মনত আছে এদিনাখনৰ কথা। আজিৰ দৰে ৰ'দ দিয়া কোনোবা এটা দুপৰীয়াতে দিগন্ত আহি আমাৰ ঘৰত ওলাইছিলহি। ভিতৰৰ পৰা আহি প্ৰথমে ময়েই মাত লগালো— "দিগন্তদা"!

"হয় গীতি, অফিচ এইকেইদিন লিভ্ লৈছো। পাৰিলে এম-এ টোকে দি চাওঁ বুলি ভাবিছো।"

"অ তুমি এম-এ দিও বুলি ভাবিছা। শুনি খুউব সুখ হৈছো। বহাচোন দিগন্তদা মই অলপ চিলাই কামত লাগিছো।" তাৰ পাচত চাহ দিবলৈ তয়েই গৈছিলি। ড্ৰইং ৰুমটোত তহঁতি সেইদিনা কিহৰ মহলা মাৰিছিলি মই বোধহয় নকলেও তোৰ আজি মনত আছে। পাছফালৰ পৰ্দ্দাখনৰ আঁৰত ৰৈ মই শুনি আছিলো। কথাবোৰ শুনি মোৰ ধৈৰ্য্যৰ সীমা পাৰ হৈ গৈছিল। হঠাতে দিগন্তৰ প্ৰতি মোৰ এটা বিতৃষ্ণাৰ ভাব জন্মিলে। ইফালে দিগন্তু সেইদিনা মদৰ নিচাত অহাৰ হেতু মোৰ খং দুগুণে চৰিল। মই কোনোৰকমেই ধৈৰ্য্য ধৰিব নোৱাৰিলো। হাউংকৈ পৰ্দ্দাখন দাঙি ওলাই আহি মই কাৰো মুখলৈ নোচোৱাকৈয়ে কৈ পেলালো, দিগন্তদা! তুমি কিন্তু বহুতখিনি পালাগৈ। তোমাক আমি নিজৰ ককাইদেউৰ দৰেই ভাবি আছিলো তুমি এটা নীচকুলত জন্মগ্ৰহণ কৰি ইমানখিনি কেনেকৈ পালাগৈ! তুমি কিয় নিজকেই পাহৰি পেলাইছা দিগন্তদা! you please get out immediately Digantada. "ভুল হৈছিল গীতি, ওলাই

গৈছো, But you must remember that man is an animal being. ওলাই গৈছিল দিগন্তদা। দিগন্তদাৰ স্বভাৱৰ এটা বৈশিষ্ট আছিল — সি কাৰোৰ ওচৰত কেতিয়াও সৰু হব নুখুজিছিল আৰু সেই দিনাৰ পৰাই দিগন্ত আমাৰ ঘৰলৈ কাহানিও অহা নাছিল। চুৰকৈ যদি তোলৈ কিবা চিঠি-পত্ৰ দিছিল অৱশ্যে কব নোৱাৰো।

কেইদিনমানৰ পাছতে মোৰ মনলৈ অনুশোচনা আহি পৰিছিল জান মাধুৰিমা। দিগন্তদালৈ কেতিয়াবা মনত পৰিলে প্ৰাণৰ কোনোবা এটু-কুৰা অংশ অজানিতে বিষাই উঠে। মন গৈছিল দিগন্তদাক ক্ষমা খুজি এখন চিঠি লিখিবলৈ — কিন্তু সেইকণ সাহসো ইতিমধ্যে মই হেৰুৱাই পেলাইছিলো! ভাবিছিলো মোৰ বিয়া দিনাই দিগন্তক ক্ষমা খুজি যাম বুলি কিন্তু নোৱাৰিলো।

কিন্তু আমাৰ ঘৰৰ পৰা ওলাই যোৱা দিন ধৰি দিগন্তদাৰ চাটোৱে মই দেখা পোৱা নাছিলো। কালি মই মেডিকেললৈ গৈছিলো। মোৰ দেওৰ দীপকৰ বাবে। ভবা নাছিলো জীৱনৰ এনে এটা মুহূৰ্ত্তত দিগন্তক যে মই লগ পাম বুলি। আজি এমাহমান ধৰি দিগন্ত মেডিকেলৰ পেচেন্ট। কেন্সাৰ হৈছে। ডাক্তৰৰ মতে বচাৰ আশা একেবাৰে নায়েই। নাৰ্চ এজনীয়ে মোক দিগন্তৰ কোঠাটো দেখুৱাই দিলে। এখন বগা বিছনাত দিগন্তদাৰ শুকান দেহাটো দেখি মই হতভম্ব পৰিছিলো। আজি অত দিনৰ মূৰত হঠাৎ দিগন্তদাক এনে অৱস্থাত দেখি মোৰ প্ৰাণৰ অনুভূতিবোৰ গলি একেবাৰে শেষ হৈ যাব খুজিছিল। মোৰ চকুৰে অবাধ চকুলোৰ প্লাবন বৈ আহিছিল! বহুবাৰ চেষ্টা কৰাৰ পাছত মই কোনোৰকম মাতিলো "দিগন্তদা।" কিন্তু আচৰিত দিগন্তদাই হেনো মানুহ কাকো চিনিব পৰা নাই। "কোন তুমি? মধুছন্দা!" মই চক্ খাই গলো, কোব খোৱা এডাল সাপৰ দৰেই স্থবীৰ হৈ গলো। মই একো উত্তৰ দিব পৰা নাছিলো। মধুছন্দা, এইয়া আছিল দিগন্তদাই তোক মৰমত দিয়া নাম। হয়তো তোৰ আৰু মোৰ মাতৰ সুৰটো প্ৰায়ে একেই আছিল। চা মাধুৰিমা ইমান দিনৰ পাছত নিজকেই সংযত কৰি মই উত্তৰ দিছিলো— "নহয় মই গীতি, এইয়া তোমাৰ কি হ'ল দিগন্তদা?"

"গীতি!" এক প্ৰকাৰ আচৰিতেই হৈ পৰিছিল দিগন্তদা। মই জানিছিলো গীতি তুমি যে এদিন মোৰ ওচৰলৈ আহিবা। আমনি লগা মোৰ জীৱনৰ দিনবোৰ শেষ হৈ আহিছে গীতি। জীৱনৰ বিয়লি পৰত তোমাক লগ পাই মোৰ খুউব আনন্দ লাগিছে গীতি। তুমি মোক ক্ষমা কৰিব পাৰিবা নে নাই গীতি?"

"দিগন্তদা!" মোৰ অন্তৰখন ভাগি একেবাৰে শেষ হৈ যাব খুজিছিল। মই জোৰেৰে উচুপি দিলো। "তুমি কিয় কান্দিছা গীতি? তোমাক মই অকণো বেয়া পোৱা নাই তোমাক মই খুউব ভাল পাইছিলো আৰু এতিয়াও মই ভাল পায়েই আছো। তোমাক বেয়া পোৱাটো

মোৰ অন্যায় হব গীতি।” জীৱনৰ এনে এটা মূহূৰ্ত্তত দিগন্তদাক দেখি মোৰ মনটো কিমান সংবেদনশীল হৈ পৰিছিল তাক মই বুজাব নোৱাৰো মাধুৰিমা। “মৰণৰ আগে আগে তুমি মোক ক্ষমা কৰি যোৱা গীতি – বৰ্ত্তমান মই এইটোকে আশা কৰিব পাৰো গীতি –তোমাক যেন মই সিপুৰীত লগ পাম।” দিগন্তৰ শুকান গাল দুখন দুকাষে দুধাৰি জীয়া চকুলো বৈ আহিছিল — বহুতো কথা মোৰ কবলগীয়া আছিল কিন্তু মই একোৱেই কব নোয়াৰিলো। মাধুৰিমা মই আজিও নুবুজিলো দিগন্তদাৰ এই মৰম এই চকুলো কিহৰ বাবে আছিল।

---

কেতিয়াবা যদি কাপুৰুষালি আৰু হিংসাৰ মাজত এটা বাচি লব লগা হয় মই নিশ্চয় হিংসাকে সহায় কৰিবলৈ উপদেশ দিম—।

যি জনে মৰিবলৈ ভয় কৰে আৰু যাৰ প্ৰতিৰোধ কৰিবলৈ সামৰ্থ্য নাই তেওঁক অংহিসাৰ শিক্ষা দিব নোৱাৰি।

# KANOI COLLEGE ALOCHANI

## *ENGLISH SECTION*

**SESSION—1968-69.** **23rd Issue**

Editor—*Shri Bhimkanta Borgohain.*

# CONTENTS


POETRY :

1. The Truth — Birbahadur Yadav — 1
2. Nearly married with — V. Varam — 2
3. A gentle star — Haren Kr. Miri — 3
4. For introspection — Kalyan Kr. Dutta — 4
5. Our college anthem — N. Chuba Ao — 5

PROSE :

1. Iswara in Sankhya Darshana — Prof. Priyanshuprobal Upadhyaya 1
2. Dream Comes True — Inder Surjeet Singh — 5
3. From Animal to man — Ashok Das — 9
4. The Chemistry of Life — Mishbahur Rahman — 16
5. Secretarial Report — — 23



MEMBERS OF OUR EDITORIAL BOARD : 1968-69.

Prof. S. K. Borthakur ( Prof. incharge )
Prof. P. Bhattacharjee ( Adviser )
Prof. M. Brahhman ( Adviser )

Members :

Sri Dayananda Borgohain
" Ram Chandra Agarwalla
Miss Rakhi Konwar
Sri Cheni Ram Norah
Sri Tulshi Prasad Saikia
Sri Benu Dhar Borah